# দ্বিতীয় খণ্ড

## সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষা

**প্ৰথম বিভাগ** ঃ সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষা
**দ্বিতীয় বিভাগ** ঃ অসমীয়া সাহিত্য আৰু ৰাজকীয় পৃষ্ঠপোষকতা
**তৃতীয় বিভাগ** ঃ অসমীয়া ভাষাত পুৰাণ-মহাকাব্যৰ পুনৰ্সৃষ্টি
**চতুৰ্থ বিভাগ** ঃ প্ৰাচীন অসমীয়া কাব্যৰ পাঠ: হেম সৰস্বতীৰ ‘প্ৰ•াদ চৰিত’
**পঞ্চম বিভাগ** ঃ প্ৰাচীন অসমীয়া কাব্যৰ পাঠ: মাধৱ কন্দলিৰ ‘ৰামায়ণ’

## প্ৰথম বিভাগ
# সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষা

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ অসমীয়া ভাষা-সাহিত্যৰ জন্ম
১.৪ প্ৰত্ন-অসমীয়া ভাষাৰ সাহিত্য
১.৫ অসমীয়া সাহিত্যৰ মুক্ত অবাৰিত ধাৰা
১.৫.১ আদি যুগ বা প্ৰাচীন অসমীয়া যুগ
১.৫.২ মধ্যযুগীয় অসমীয়া
১.৫.৩ আধুনিক যুগৰ অসমীয়া ভাষা-সাহিত্য
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হিপ্ৰশ্ন (Sample Questions)
১.৮ গ্ৰন্থপঞ্জী (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

অসমীয়া ভাষা-সাহিত্যৰ ইতিহাস প্ৰায় এহেজাৰ বছৰৰ পুৰণি। জগতৰ অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাৰো দুটা ৰূপ আছে— কথিত আৰু সাহিত্যিক। অসমীয়া ভাষাৰ জন্মৰ পৰৱৰ্তী কালত এই ভাষাত ক্ৰমশঃ বিবিধ সাহিত্য ৰচনা হ'বলৈ ধৰে। অসমীয়া ভাষাত নানাবিধ সাহিত্য ৰচিত হোৱাৰ পাছৰে পৰাই অসমীয়া ভাষাৰ উত্থান ঘটে আৰু এনেকৈ ভাষাটো বিকশিত হ'বলৈ ধৰে। এই বিভাগত সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষাৰ উত্থান আৰু বিকাশৰ ৰূপৰেখা তুলি ধৰিবলৈ যত্ন কৰা হ'ব।

### ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰি আপোনালোকে—

- অসমীয়া ভাষা সাহিত্যৰ জন্ম সম্পৰ্কে বিচাৰ কৰিব পাৰিব,
- প্ৰত্ন-অসমীয়া ভাষাৰ সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব,
- অসমীয়া সাহিত্যৰ আদি বা প্ৰাচীন যুগটোৰ বিষয়ে জানিব পাৰিব,
- মধ্যযুগীয় অসমীয়া ভাষা সাহিত্যৰ গতি প্ৰকৃতি অনুধাৱন কৰিব পাৰিব, আৰু
- আধুনিক অসমীয়া সাহিত্যৰ ভাষিকৰূপটোৰ বিষয়ে জ্ঞাত হ'ব পাৰিব।

### ১.৩ অসমীয়া ভাষা-সাহিত্যৰ জন্ম

ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলৰ অসম ৰাজ্যৰ প্ৰধান ভাষাটোৰ নাম অসমীয়া। অসমীয়া ভাষা দেশখনৰ সংবিধানৰ দ্বাৰা প্ৰথমেই স্বীকৃত পোন্ধৰটা ভাষাৰ অন্যতম।

এই ভাষাৰ মাধ্যমেৰে অসমৰ জাতীয় সাহিত্য ৰচিত হৈছে। অৱশ্যে পৃথিৱীৰ অন্যান্য ভাষা-সাহিত্যৰ ইতিহাসৰ লেখীয়াকৈ অসমীয়া ভাষাৰ জন্মৰ পৰৱৰ্তী কালতহে অসমীয়া সাহিত্যৰ সৃষ্টি হয়। প্ৰায় এহেজাৰ বছৰ পূৰ্বৰে পৰা সামাজিক, ৰাজনৈতিক আদি নানা দুৰ্যোগ বিপৰ্যয়ৰ মাজেদি পৰিৱৰ্দ্ধিত তথা বিকশিত হৈ অন্যান্য ভাৰতীয় আৰ্য ভাষাৰ দৰে অসমীয়া ভাষা-সাহিত্যই বৰ্তমানৰ সমৃদ্ধ অৱস্থা পাইছে।

অসমীয়া ভাষাৰ মূল উৎস বিচাৰি যিমানেই অতীতলৈ যোৱা হয় সিমানেই বিষয়টো ক্ৰমশঃ জটিল আৰু ব্যাপক হৈ পৰে। অতীত অনুসন্ধানত দেখা যায় যে, পূৰ্বতে অসম দেশখন অনাআৰ্য লোকসকলৰ বাসস্থান আছিল আৰু আনুমানিক খ্ৰীষ্টপূৰ্ব কেইশতিকামান আগৰ পৰাহে এই দেশলৈ আৰ্যসকলৰ আগমন ঘটে। আৰ্যসকলৰ আগমনৰ পাছত অসমত আৰ্য ভাষা-সংস্কৃতিৰ প্ৰসাৰ ঘটে। অসমৰ জনগাঁথনিৰ অধিকাংশ লোকেই অনা-আৰ্য হোৱা হেতুকে আৰ্যলোকৰ আৰ্য ভাষাই অনা-আৰ্য উপাদান গ্ৰহণ কৰিবলৈ বাধ্য হয়। অনা-আৰ্য বা আৰ্যভিন্ন ভাষাৰ প্ৰভাৱৰ ফলত আৰ্য ভাষাৰ ধ্বনি, শব্দ, ধাতু, প্ৰত্যয় তথা ব্যাকৰণৰীতি শিথিল হয়। অৱশ্যে এনে শিথিলতাই আৰ্য ভাষাটোক দুৰ্বল কৰা নাছিল। বৰঞ্চ অনা-আৰ্য ভাষাৰ উপাদানে ভাষাটোক ন-ৰূপ দি অনা-আৰ্য ভিন্নভাষী মানুহৰ এক উমৈহতীয়া ভাষালৈ পৰ্যবসিত হোৱাত সহায়হে কৰিছিল।

অসমীয়া মূলতঃ আৰ্যসম্ভূত ভাষা। প্ৰাচীন ভাৰতীয় আৰ্যভাষাই ক্ৰম পৰিৱৰ্তনৰ মাজেৰে আহি খ্ৰীষ্টীয় দশম একাদশ শতিকামানত অসমীয়া ৰূপ ল'বলৈ আৰম্ভ কৰে। উল্লেখ্য যে ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয় স্তৰ 'মধ্য ভাৰতীয় আৰ্যভাষা'ৰ অন্তৰ্গত মাগধী প্ৰাকৃতকেই পূব ভাৰতৰ আধুনিক আৰ্য ভাষাসমূহৰ জননী বোলা হয়। এই মাগধী প্ৰাকৃতৰ শেষ স্তৰ মাগধী অপভ্ৰংশৰ পৰা বাংলা, উৰিয়া, মৈথিলী, মগহী আৰু ভোজপুৰী ভাষাৰ লগতে অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ হয় বুলি কোৱা হয়। কিন্তু অসমীয়া ভাষাৰ জন্ম মাগধী প্ৰাকৃতৰ পৰা হোৱা বুলি কোৱা মতটি কিছুসংখ্যক পণ্ডিতে অগ্ৰাহ্য কৰিছে। মাগধী প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ জন্ম হোৱা বুলি ধৰিলে অসমীয়া ভাষাৰ জন্মৰ সময় খ্ৰীষ্টীয় দশম শতিকা বুলি ধৰিব লাগিব। কিন্তু ইয়াৰ আগতেই খ্ৰীষ্টীয় সপ্তম শতিকাৰ পঞ্চম দশকত কুমাৰ ভাস্কৰবৰ্মাৰ ৰাজত্ব কালত কামৰূপলৈ অহা চীনা প্ৰৱ্ৰজক হিউৱেন চাঙে সেই সময়ৰ অসমৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ বেলেগ আছিল বুলি কৈ গৈছে। তেওঁৰ মতে, "Their speech differed a little from that of Mid-India."। যি সময়ত অসমত মাগধী প্ৰাকৃত ভাষাৰ প্ৰচলন হ'ব লাগিছিল সেই সময়ত হিউৱেন চাঙে সেয়া প্ৰত্যক্ষ নকৰি এই অঞ্চলৰ ভাষা মাগধী প্ৰাকৃত প্ৰচলিত অঞ্চলৰ ভাষাতকৈ বেলেগ বোলা কথাষাৰে অসমত তদানীন্তন কালতে অসমীয়া ভাষাৰ জন্ম প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলিহে নিৰ্দেশ কৰে। আনহাতে, খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈকে কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ প্ৰদত্ত তথা লিখিত শিলালিপি আৰু তামৰ ফলিসমূহৰ ভাষায়ো সেই সময়ত এটা কথিত ভাষাৰ উপস্থিতিৰ কথা নিৰ্দেশ কৰে। কাৰণ এই ফলিবোৰত প্ৰয়োগ কৰা ভাষাত কথিত ভাষাৰ প্ৰভাৱ

লক্ষ্য কৰা যায়। বিশেষকৈ হিন্দু ৰজাসকলৰ সংস্কৃতত লিখা তামৰ ফলিবোৰৰ মাজত থকা থলুৱা শব্দসমূহে সেই সময়ৰ জনসাধাৰণৰ কথিত ভাষাটোৰ সুকীয়া অস্তিত্ব সাব্যস্ত কৰে। উল্লেখ্য যে, বেণীমাধৱ বৰুৱাই এই কথিত ভাষাটোক 'কামৰূপী প্ৰাকৃত' বুলি অভিহিত কৰিছে। দৰাচলতে অসমৰ আৰ্য ভাষাটোৱে দশম শতিকাৰ পূৰ্বেই অনাআৰ্য ভাষা অষ্ট্ৰিক বা তিব্বতবৰ্মীৰ প্ৰভাৱত ধ্বনিগতভাৱে কিছু পৰিৱৰ্তন লাভ কৰি সুকীয়া ৰূপ লাভ কৰিছিল আৰু সিয়েই দশম-একাদশ শতিকা মানত স্বকীয় বৈশিষ্ট্যৰে আত্মপ্ৰকাশ কৰিছিল। কামৰূপী প্ৰাকৃতৰ বৈশিষ্ট্য সম্পৰ্কে প্ৰথম খণ্ডৰ চতুৰ্থ বিভাগত আলোচনা কৰি অহা হৈছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

অসমীয়া ভাষাৰ জন্ম প্ৰক্ৰিয়া কেতিয়াৰ পৰা আৰম্ভ হৈছে বুলি ক'ব পৰা যায়? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................................................

.................................................................................................................

.................................................................................................................

### ১.৪ প্ৰত্ন-অসমীয়া ভাষাৰ সাহিত্য

তামৰ ফলিৰ ভাষাৰ পাছত অসমীয়া ভাষাৰ নিদৰ্শন স্বৰূপে চৰ্যাগীতসমূহক নিৰ্দেশ কৰিব পাৰি। এইবোৰ সহজযানী বৌদ্ধ সিদ্ধসকলৰ ৰচনা। এইখিনিতে উল্লেখযোগ্য যে, সকলো সাহিত্যৰ আৰম্ভণি হয় লোক-সাহিত্য বা মৌখিক সাহিত্যৰ মাজেৰেহে। অসমীয়া লোক-সাহিত্যৰো এক চহকী পৰম্পৰা আছে। অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত কিছু লোকগীতৰ বিষয়বস্তু, সামাজিক চিত্ৰ আৰু ভাষা প্ৰাচীন বুলি ধৰিব পাৰি। 'এই গীতবোৰত বৌদ্ধ সহজীয়া, নাথ (দশম শতিকাৰ আশে-পাশে), আদি সম্প্ৰদায়ৰ প্ৰভাৱ সুস্পষ্ট। এনে গীত দেহবিচাৰৰ গীত, টোকাৰী গীত নামেৰে পৰম্পৰাগতভাৱে প্ৰচলিত। লোকগীতৰ উপৰি প্ৰাচীন কালৰে পৰা অসমত নানা ধৰণৰ মন্ত্ৰ আৰু ডাকৰ বচনো প্ৰচলিত হৈ আহিছে। কিন্তু এনে নানা লোকগীত, মন্ত্ৰ বা ডাকৰ বচনে অসমীয়া ভাষা সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ ক্ষেত্ৰত কিছু পোহৰ পেলায় যদিও এইবোৰৰ বেছিভাগেই মুখ বাগৰি অহা বাবে অসমীয়া ভাষাৰ বিস্তৃত প্ৰত্ন ৰূপ এইবোৰত পোৱা নাযায়। অৱশ্যে অসমীয়া ভাষাৰ উত্থান আৰু বিকাশত লোকসাহিত্যৰ গুৰুত্ব অনস্বীকাৰ্য।

দশম শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ ভিতৰৰ অসমীয়া সাহিত্যৰ নিদৰ্শন হিচাপে 'বৌদ্ধ দোহা' বা 'চৰ্যাপদ', 'শ্ৰীকৃষ্ণ কীৰ্তন' আদি পুথিক ধৰিব পাৰি। ইয়াৰে 'চৰ্যাপদ' হৈছে প্ৰত্ন-অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন। ১৯০৪চনত (কোনো কোনোৰ মতে ১৯০৭চন) মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা চৰ্যাগীতখিনি সংগ্ৰহ কৰে। পাচত ১৯১৬ চনত 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায়

বৌদ্ধগান ও দোহা’ নামেৰে প্ৰকাশ কৰে। চৰ্যাপদবোৰ মহাযানী বৌদ্ধধৰ্মৰ অন্তৰ্গত সহজযান মতাৱলম্বী তেইশজন সিদ্ধাচাৰ্যৰ দ্বাৰা ৰচিত পঞ্চাশটা গীতৰ সমষ্টি। বাংলা, উড়িয়া ভাষাভাষী পণ্ডিতসকলে চৰ্যাপদক তেওঁলোকৰ প্ৰাচীনতম সাহিত্যিক নিদৰ্শন বুলি ক’ব খোজে। কিন্তু ড° বাণীকান্ত কাকতিয়ে চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ ধ্বনি আৰু শব্দগঠন ৰীতিৰ প্ৰভূত মিল থকাৰ কথা যুক্তিৰে দেখুৱাইছে। চৰ্যাপদৰ ৰচকসকলৰ ভিতৰত কেইবাজনো প্ৰাচীন কামৰূপৰ লোক বুলি সিদ্ধান্ত কৰা হৈছে। তেওঁলোকৰ ভিতৰত সৰহপাদ, লুইপাদ, মীননাথ, ভুসুকুপাদ, গোৰক্ষ্যপাদ, শৱৰপাদৰ নাম ল’ব পাৰি। চৰ্যাপদৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক অসমীয়া ভাষাৰ ক্ৰমবিৱৰ্তনৰ সকলো স্তৰতে ৰক্ষিত হৈছে। অৰ্থাৎ প্ৰাচীন অসমীয়াৰ বৈষ্ণৱ আৰু অনাবৈষ্ণৱ সাহিত্যৰ ভাষাৰ লগতে আধুনিক অসমীয়াৰ উপভাষা বা মান্যভাষালৈকে চৰ্যাপদৰ ভাষাৰ সম্পৰ্ক দৃষ্টিগোচৰ হয়। ড° পৰীক্ষিত হাজৰিকাই চৰ্যাপদৰ ভাষাক কামৰূপী অপভ্ৰংশৰ ভেটিত গঢ়ি উঠা ধৰ্মীয় প্ৰলেপসনা এটি সাহিত্যিক ভাষা বুলি অভিহিত কৰিছে। তেওঁ ‘চৰ্য্যাপদ’ শীৰ্ষক গ্ৰন্থত চৰ্যাপদৰ কাব্যিক মূল্য নিৰূপণ কৰি দেখুৱাইছে।

### ১.৫ অসমীয়া সাহিত্যৰ মুক্ত অবাৰিত ধাৰা

অসমীয়া সাহিত্যৰ মুক্ত অবাৰিত ধাৰাটি আৰম্ভ হয় খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা। ইয়াৰ পূৰ্বে অসমীয়া ভাষাৰ পূৰ্ণাঙ্গ সাহিত্যিক নিদৰ্শন পোৱা নাযায়। চৰ্যাগীত ৰচনাৰ সময়ৰ পৰা অৰ্থাৎ অষ্টম-দ্বাদশ শতাব্দীৰ পাছৰ পৰা চতুৰ্দশ শতিকালৈকে এই প্ৰায় তিনিশ বছৰ সময়চোৱাত ৰচিত অসমীয়া সাহিত্যৰ কোনো অবিকৃত নিদৰ্শন পোৱা হোৱা নাই।

চতুৰ্দশ শতিকাৰ আৰম্ভণিৰ পৰা আজিলৈকে অসমীয়া ভাষা সাহিত্যৰ যি উন্মুক্ত ধাৰা তাক ভাষা বৈশিষ্ট্যৰ ভিত্তিত প্ৰধানত তিনিটা যুগত ভাগ কৰিব পাৰি —

**(ক) আদি যুগ বা প্ৰাচীন অসমীয়া যুগ ঃ** - এই যুগ চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ শেষ ভাগলৈ। এই যুগক আকৌ দুটা অনুপৰ্বত ভাগ কৰিব পাৰি —

(১) প্ৰাক্-শংকৰী যুগ

(২) শংকৰী যুগ

**(খ) মধ্যযুগ বা মধ্য অসমীয়া যুগ ঃ** - সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈকে। এই যুগটো প্ৰধানত বুৰঞ্জী আৰু চৰিত সাহিত্যৰ যুগ।

**(গ) আধুনিক যুগ ঃ** - ঊনবিংশ শতিকাৰ প্ৰাৰম্ভৰ পৰা বৰ্ত্তমানলৈকে।

### ১.৫.১ আদি যুগ বা প্ৰাচীন অসমীয়া যুগ

চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ শেষ ভাগলৈ এই সময়চোৱাত কেইবাজনো কবিৰ উদ্ভৱ হয়। তেওঁলোক হ’ল ঃ ১) হেম সৰস্বতী, ২) ৰুদ্ৰ কন্দলী, ৩) হৰিবৰ বিপ্ৰ, ৪) কবিৰত্ন সৰস্বতী আৰু ৫) মাধৱ কন্দলি। এওঁলোকৰ মাজৰ হেম সৰস্বতীক অসমীয়া সাহিত্যত আদিকবি বুলি ক’ব পাৰি। এওঁ ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশ শতিকাৰ

আদি ভাগৰ বুলি অনুমান কৰা কমতাধিপতি দুৰ্লভনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। হেম সৰস্বতীৰ 'প্ৰ●াদ চৰিত্ৰ' পুথিয়েই অসমীয়া সাহিত্যৰ পৰিস্কাৰ ৰূপৰ প্ৰথম পুথি। দুৰ্লভনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা আন এগৰাকী কবি হ'ল হৰিবৰ বিপ্ৰ। এওঁ 'লৱ-কুশৰ যুদ্ধ', 'বভ্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ' নামেৰে তিনিখন কাব্যগ্ৰন্থ ৰচনা কৰিছিল। দুৰ্লভনাৰায়ণৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ দেৱৰ পৃষ্ঠপোষকতা লাভ কৰা কবিৰত্ন সৰস্বতীয়ে 'জয়দ্ৰথ বধ' কাব্য ৰচনা কৰিছিল। এই সময়ৰ আনজন কবি ৰুদ্ৰকন্দলীয়ে সাত্যকি-প্ৰৱেশ ৰচনা কৰিছিল। প্ৰাক-বৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ কবিগৰাকী হ'ল মাধৱ কন্দলি। এওঁ প্ৰাচীন অসমৰ পূৱ-মধ্যাঞ্চলৰ অধিপতি বৰাহী ৰজা মহামাণিক্যৰ ৰাজকবি আছিল। মাধৱ কন্দলিয়ে  বাল্মিকীৰ ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰিছিল। উল্লেখযোগ্য যে, "উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণৰ ভিতৰত মাধৱ কন্দলিৰ ৰামায়ণেই প্ৰাচীনতম। ... ইমান প্ৰাচীন হ'লেও মাধৱ কন্দলিৰ ভাষা আৰু ৰচনাশৈলীত ভাৱপ্ৰকাশৰ অক্ষমতা বা দুৰ্বলতা দেখা নাপাওঁ, বৰং তেওঁৰ সবল আৰু সতেজ ভাষাত আৰু ৰচনাভঙ্গীত পূৰ্ণবিকশিত সাহিত্যিক ঠাঁচ এটাৰ নিদৰ্শন পাওঁ। তেওঁৰ নিটোল সাহিত্যিক ঠাঁচে এটি ধাৰাবাহিক সাহিত্য পৰম্পৰাৰ স্পষ্ট আভাস দিয়ে।"

প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ কাব্যৰাজিৰ ভাষালৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া ভাষাই চতুৰ্দশ শতিকাৰ আৰম্ভণিৰে পৰাই উচ্চ সাহিত্যৰ ভাৱ প্ৰকাশৰ ক্ষমতা অৰ্জন কৰিছিল আৰু অসমীয়া ভাষাৰ সাহিত্যিক ৰূপটো নিৰ্মাণ  হৈছিল। প্ৰাক-শংকৰী যুগৰ সাহিত্যিকৰ হাতত নিৰ্দিষ্ট গঢ় লোৱা অসমীয়া ভাষাই পাছলৈ বৈষ্ণৱ যুগৰ কবিসকলৰ হাতত পৰিপূৰ্ণ আৰু নিটোল ৰূপ লাভ কৰিছিল। বিভিন্ন সম্বন্ধবাচক শব্দই, সৰ্বনামৰ বিভিন্নৰূপে ক্ৰিয়াৰ বিভিন্ন কালে — এই যুগতে নিৰ্দিষ্ট গঢ় লয়। পৰৱৰ্তী অক্ষৰত 'আ' থাকিলে পূৰ্বৱৰ্তী 'আ' হ্ৰস্ব হোৱা নিয়মটো এই যুগতে সম্পূৰ্ণৰূপে প্ৰতিষ্ঠা হয়। ডং সত্যেন্দ্ৰ নাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত প্ৰাক-শংকৰী যুগৰ কবিসকলৰ ভাষা সম্পৰ্কে লিখিছে — পিছৰ বৈষ্ণৱ যুগত পৰিহাৰ কৰা বা প্ৰয়োগ নথকা অপ্ৰচলিত বৈয়াকৰণিক প্ৰয়োগ দুই এজন কবিৰ ৰচনাত দেখা যায়। '-ইবা' প্ৰত্যয়ান্ত অতীত কৃদন্ত পদ, '-ইল' প্ৰত্যয়ান্ত কৃদন্ত বিশেষণ, '-এৰ', '-এৰে', '-এৰো' আদি সংযোগাত্মক স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ (হানি-এৰে, কৰি-এৰো) মাধৱ কন্দলী আদি কবিৰ ৰচনাত পোৱা যায়। স্বৰভক্তিৰ  দ্বাৰা যুক্তাক্ষৰ ভাঙি সহজ কৰা হৈছিল। যেনে ঃ- অজ্ঞান>অগিয়ান, সৰস্বতী>সৰোচতি। জতুৱা ঠাঁচ আৰু ঘৰুৱা চিত্ৰৰ প্ৰয়োগ প্ৰাক্-বৈষ্ণৱ কবিসকলৰ ৰচনাৰ অন্যতম বৈশিষ্ট্য। ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ পৰা অসমত মুছলমানৰ আক্ৰমণ হ'বলৈ ধৰাত অসমীয়া ভাষালৈ ক্ৰমান্বয়ে আৰবী, পাৰ্চী শব্দৰ আমদানি হয়। অসমীয়া সাহিত্যৰ আদিকবি হেম সৰস্বতীৰ ৰচনাত প্ৰথমবাৰৰ বাবে আৰবী 'নফৰ' শব্দৰ ব্যৱহাৰ হোৱা দেখা যায়।  প্ৰাক-শংকৰী যুগত অসমীয়া ছন্দইও নিৰ্দিষ্ট গঢ় লয়। চৈধ্য আখৰীয়া পদ বা পয়াৰ ছন্দ প্ৰধান ছন্দ হিচাপে প্ৰকাশ পাইছে। অন্যান্য ছন্দৰ ভিতৰত দুলড়ী আৰু ছবি ছন্দৰ প্ৰয়োগ ঘটিছে।

পঞ্চদশ শতিকাৰ শেষৰফালে শ্ৰীমন্ত শঙ্কৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে বিবিধ সাহিত্য ৰচনা কৰিছিল। এই সময়ত অসমীয়া ভাষাৰ ঠাঁচ অসমীয়া সাহিত্যত

সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত হয়। প্ৰাচীন অসমীয়া ভাষাৰ এই দ্বিতীয় যুগটোক বৈষ্ণৱ যুগ বোলা হয়। এই সময়ত শ্ৰীমন্ত শঙ্কৰদেৱে এক বিশাল বৈষ্ণৱ সাহিত্য সৃষ্টিৰ দুৱাৰ উন্মুক্ত কৰি দিছিল। সেয়ে বৈষ্ণৱ যুগটোক শঙ্কৰী যুগ বুলিও কোৱা হয়। বৈষ্ণৱ যুগৰ কবিসকলে প্ৰাক-বৈষ্ণৱ কবিসকলৰ পৰা অসমীয়া ভাষাৰ এটি নিৰ্দিষ্ট সাহিত্যিক ৰূপ আৰু ছন্দৰ আদৰ্শ লাভ কৰিছিল। অৱশ্যে প্ৰাক-বৈষ্ণৱ কালৰ লেখকসকলৰ সাহিত্যৰ বহুতো ভাষিক বৈশিষ্ট্য এই যুগৰ ৰচনাত পোৱা নাযায়। প্ৰাক-বৈষ্ণৱ যুগত প্ৰয়োগ হোৱা সংযোগ ৰূপ যেনে, হানি-এৰে (খোচে), কৰি-এৰে, গুচাই-এৰে আদি ৰূপবোৰ এইকালত সম্পূৰ্ণৰূপে লোপ পাইছে। আন কিছুমান সংযোজক ৰূপ দেখা যায়, যেনে - 'কহোঁ', '- কহুঁ'। তদুপৰি ভৱিষ্যত কাল বুজাবৰ বাবে '-ইব' আৰু অতীতকাল বুজাবৰ বাবে '-ইল' প্ৰয়োগ লক্ষ্য কৰিবলগীয়া। সেইদৰে প্ৰথম পুৰুষত ভৱিষ্যত কালৰ পুৰুষসূচক '-ম' প্ৰত্যয় প্ৰথম বাৰৰ বাবে দেখা যায। আনহাতে, প্ৰথম পুৰুষত ভৱিষ্যত কালৰ পুৰুষসূচক '-বো' প্ৰত্যয়ৰ প্ৰয়োগ পৰম্পৰাগতভাৱে চলি আহিছে। '-লাহা', '-বাহা', '-লিহি', '-বিহি'; '-লন্ত', 'ৱন্ত' ইত্যাদি সম্প্ৰসাৰিত ধাতু প্ৰত্যয় আৰু '-হা' (যেনে ঃ আমহাৰ), '-সা' (যেনে ঃ আমাসাৰ) আদি পুৰুষবাচক সৰ্বনামৰ সম্প্ৰসাৰিত প্ৰত্যয় ব্যৱহাৰ লক্ষণীয়। এই সময়তে শ্ৰীমন্ত শঙ্কৰদেৱে ৰচনা কৰা বৰগীত আৰু নাটবোৰত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ ঘটে। ব্ৰজাৱলী ভাষাৰ প্ৰয়োগৰ ফলত অসমীয়া সাহিত্যত এটা নতুন ঐতিহ্যৰ প্ৰতিষ্ঠা হয়। শঙ্কৰদেৱৰ ৰচনাতে পোনপ্ৰথম অসমীয়া গদ্যৰ প্ৰয়োগ ঘটে। ই এই সময়চোৱাৰ সাহিত্যৰ এটি প্ৰধান বৈশিষ্ট্য। উল্লেখ্য যে, শঙ্কৰদেৱে অংকীয়া নাটত এক লয়যুক্ত গদ্য ব্যৱহাৰ কৰিছিল আৰু তাত '-ইল' অতীত কাল আৰু '-ইব' ভৱিষ্যত কালত ব্যৱহাৰ হৈছিল। বহুবচন বুজাবলৈ '-সব', 'সকল', 'জন', 'গন', 'চয়' আদি সমষ্টি বাচক শব্দ প্ৰয়োগ হৈছিল। আধুনিক অসমীয়াত ব্যৱহৃত প্ৰায়বোৰ বিভক্তিৰ চিনেই অংকীয়া নাটৰ ভাষাত আছে। সৰ্বনামৰ সামান্য আৰু তিৰ্যকৰূপ— দুয়োটা পোৱা যায়।

শঙ্কৰদেৱৰ হাতত অসমীয়া গদ্যৰ জন্ম হয় যদিও গদ্যকেই একমাত্ৰ সাহিত্যৰ মাধ্যম হিচাপে লোৱা প্ৰথম অসমীয়া সাহিত্যিক গৰাকী হ'ল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য বা চমুকৈ ভট্টদেৱ। ভট্টদেৱে 'কথা-ভাগৱত' আৰু 'কথা-গীতা' ৰচনা কৰি অসমীয়া ভাষাৰ গদ্য ৰূপক প্ৰতিষ্ঠা কৰে। ষোড়শ শতিকাতে 'গীতা' আৰু 'ভাগৱত'ৰ দৰে দুখন বিখ্যাত সংস্কৃত গ্ৰন্থ অসমীয়া ভাষাত গদ্যাকাৰে অনুবাদ কৰা কাৰণে ভট্টদেৱৰ কৃতিত্ব প্ৰকাশ পোৱাৰ লগতে অসমীয়া ভাষাৰ মৰ্যাদাও আধুনিক ভাৰতীয় আৰ্য ভাষাৰ মাজত সুদৃঢ় হয়। ভট্টদেৱৰ ভাষা সংস্কৃতগন্ধী। এই গদ্যই কথিত ভাষাৰ নিদৰ্শন নুসূচায়। "শঙ্কৰদেৱ-মাধৱদেৱৰ দৰে ব্ৰজবুলীৰ নিচিনা আচহুৱালৈ নগৈ বা একেবাৰে কথ্য ৰূপলৈও নানামি পুৰণি ভাষা পৰম্পৰাৰে ভট্টদেৱে এক নতুন ৰূপ দিলে।" বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে আকৌ 'ভট্টদেৱৰ লেখনিতে অসমীয়া গদ্যই ব্যাকৰণসন্মত এটি সুনিৰ্দিষ্ট ৰূপ গ্ৰহণ কৰে।' ডঃ উপেন্দ্ৰনাথ গোস্বামীৰ মতে, "ভট্টদেৱে 'কথা-গীতা' আৰু 'কথা-ভাগৱত'ত ব্যৱহাৰ কৰা ভাষাটো তেওঁৰ পূৰ্বৱৰতী মাধৱ কন্দলী, শঙ্কৰদেৱ আদিয়ে ব্যৱহাৰ কৰা ভাষাৰ পৰম্পৰাত গঢ়ি উঠা ভাষা।" পূৰ্বৰ পৰম্পৰাৰ ভাষাৰ উপৰি ভট্টদেৱৰ সময়ত গঢ় লোৱা

ভাষাৰ আন ৰূপৰ চানেকিও এই গ্ৰন্থ দুখনত পোৱা যায়। পূৰ্বৱৰ্তী লেখকসকলৰ ভাষাৰ পৰম্পৰাৰ নিদৰ্শন ভট্টদেৱৰ ভাষাৰ শব্দ-বিভক্তি, বহুবচনৰ প্ৰত্যয়, ক্ৰিয়া-বিভক্তি, সৰ্বনাম, ক্ৰিয়াৰ বিভিন্ন ৰূপ (তুমুনন্তক, কৃদন্ত, নাস্ত্যৰ্থক, অসমাপিকা), ক্ৰিয়া-বিশেষণ, সংযুক্ত শব্দৰ ব্যৱহাৰ, তুলনা প্ৰথা আদিত সংৰক্ষিত হৈছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰাক-শংকৰী যুগৰ তুলনাত শংকৰী যুগৰ অসমীয়া সাহিত্যত কি পৰিবৰ্তন ঘটিছিল? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................

.............................................................................................................

.............................................................................................................

### ১.৫.২ মধ্যযুগীয় অসমীয়া

প্ৰাক-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ অধিকাংশ সাহিত্য কমতাপুৰ বা কোচবিহাৰ ৰাজ্যৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত পশ্চিম অসমতেই ৰচনা হৈছিল। কিন্তু লাহে লাহে পূৱফালে আহোম ৰাজশক্তি সুস্থিৰ আৰু শক্তিশালী হৈ অহাৰ লগে লগে সাহিত্য চৰ্চাৰ কেন্দ্ৰ উজনি অসমৰ আহোম ৰাজ্যলৈ স্থানান্তৰিত হয়। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত অসমীয়া ভাষাত নানাধৰণৰ বুৰঞ্জী আৰু বিবিধ বিষয়ৰ কিতাপ-পত্ৰ ৰচনা হয়। আহোমসকলে তেওঁলোকৰ লগত বুৰঞ্জী লিখা প্ৰথা লৈ আনিছিল; পূৰ্বতে যদিও তেওঁলোকে আহোম ভাষাতে বুৰঞ্জীসমূহ লিখিছিল, পাছলৈ অসমীয়া ভাষাক ৰাজকীয় ভাষা হিচাপে গ্ৰহণ কৰাৰ লগে লগে অসমীয়া ভাষাতে বুৰঞ্জী ৰচনা কৰিবলৈ ধৰে। ভাষিক বৈশিষ্ট্যৰ ফালৰ পৰা প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগক অসমীয়া সাহিত্যৰ আদিযুগ বুলিলে বুৰঞ্জী সাহিত্যৰ যুগটোক অসমীয়া ভাষাৰ মধ্যযুগ বুলি ক'ব পাৰি। বুৰঞ্জীৰ ভাষাৰ লগত বৈষ্ণৱ পদ-পুথিৰ ভাষাৰ মিল নাই। বুৰঞ্জীৰ ভাষা অসমীয়া কথিত ভাষাৰ ওচৰ চপা। বুৰঞ্জীৰ ভাষা লক্ষ্য কৰি ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে মন্তব্য কৰিছে যে, বুৰঞ্জীৰ গদ্য ৰীতিৰ নিচিনা মনোমোহা গদ্য ৰীতি বাংলা আৰু মৈথিলী ভাষাত বহু শতিকালৈকে নাছিল আৰু প্ৰাচীন উড়িয়া, প্ৰাচীন গুজৰাটী, প্ৰাচীন মাৰাঠী, প্ৰাচীন পাঞ্জাৱী, প্ৰাচীন ব্ৰজভাষা আদি বিভিন্ন ভাষাৰ লগত তুলনা কৰিলে দেখা যায় যে, এই গদ্য বহু ওপৰত। বুৰঞ্জীৰ ভাষা সহজ-সৰল, অনাড়ম্বৰ; শব্দ যোজনা আৰু জতুৱা ঠাঁচৰ প্ৰয়োগ সম্পূৰ্ণ ঘৰুৱা। 'পুৰণি অসম বুৰঞ্জী' সম্পৰ্কে হেমচন্দ্ৰ গোস্বামীদেৱে লিখিছে — "ইয়াৰ লেখাত ক'তো বাহুল্য নাই, ক'তো অতিৰঞ্জনৰ চেষ্টা নাই। ভাষা যেনে সৰল, তেনে আঁত নলগা। কোনো সঁচা কথাকে গোপন কৰিবৰ চেষ্টা নাই। ৰজা ঘৰৰ অনেক চেকা লগা কথাও এই বুৰঞ্জীত খোলা-খুলিভাৱে লিখা আছে।" উল্লেখযোগ্য যে, বুৰঞ্জীসমূহ ইতিহাসৰ নীৰস বিৱৰণ নহয়। ডঃ সূৰ্যকুমাৰ ভূঞাৰ ভাষাত, "বুৰঞ্জীৰ কথা শুকান হাড়-ছাল নহয়; তাত ভাবৰ সমাৱেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব

পাৰি। সেইদেখি এই বুৰঞ্জীসমূহক বুৰঞ্জীৰ শাৰীৰ পৰা আনি বিশুদ্ধ সাহিত্যৰ অংগীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব সংগম বৃটিছৰ পূৰ্ব যুগৰ কোনো ভাৰতীয় সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।'

বৰ্ণনীয় বিষয়ৰ প্ৰকৃতিৰ আৰু চৰিত্ৰৰ মানসিক অৱস্থাৰ বা অনুভূতিৰ তীব্ৰতাৰ মাত্ৰা অনুসৰি বুৰঞ্জীৰ ভাষাক গঢ় দিয়া হৈছে। উপমা, ৰূপক দৃষ্টান্ত আদিৰ প্ৰয়োগে ইয়াৰ সাহিত্যিক সৌন্দৰ্য প্ৰকট কৰিছে। তলত ভাৱ প্ৰকাশৰ অনুকূল আলঙ্কাৰিক বাক্য দুটি তুলি ধৰা হ'ল —

১) মই মাটিৰ গড় বান্ধিম খহিব, কাঠৰ গড় বান্ধিম পছিব, মই কথাৰ গড় বান্ধি দিছো প্ৰাণপৰিভূগী হ'ব। (দেওধাই অসম বুৰঞ্জী)

২) নাও তল যাব, শিল ওপঙিব, কোৱা বগা হ'ব, লুইত উজাই ব'ব তেবে কি আমাৰ কবুল ছাৰিবেক ? (দেওধাই বুৰঞ্জী)

উত্তৰ শঙ্কৰী যুগৰ এটি বিশিষ্ট দান হ'ল — চৰিত পুথিসমূহ। চৰিতপুথি হ'ল — শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ আৰু তেৰাসৱৰ প্ৰধান শিষ্য-প্ৰশিষ্যসকলৰ জীৱন চৰিত। আহোম ৰাজঘৰত বুৰঞ্জী আৰু সত্ৰবোৰত ৰচিত পুথিসমূহে এফালে যেনেকৈ সেই সময়ৰ অসমীয়া জাতীয় জীৱনৰ ছবি তুলি ধৰিছে আনফালে তেনেকৈ অসমীয়া সাহিত্য, বিশেষকৈ গদ্য সাহিত্যলৈ প্ৰভূত সমল আগবঢ়াইছে। চৰিতসমূহ প্ৰথমতে পদ্যত আৰু পাছলৈ গদ্যত ৰচিত হয়। চৰিত সাহিত্যৰ প্ৰাতিপাদ্য বিষয় বৈষ্ণৱ ধৰ্মগুৰুৰ জীৱন কথা হ'লেও ইয়াৰ সাহিত্যিক মূল্য কম নহয়। চৰিতপুথিসমূহে অসমীয়া ভাষাৰ সাহিত্যিক নিদৰ্শন সাব্যস্ত কৰে। পদ্যত ৰচনা কৰা চৰিত পুথিসমূহৰ ভিতৰত ৰামচৰণ ঠাকুৰৰ 'শঙ্কৰ চৰিত', ভূষণ দ্বিজৰ 'শঙ্কৰ চৰিত' , দৈত্যাৰি ঠাকুৰৰ 'শঙ্কৰদেৱ মাধৱদেৱ চৰিত্ৰ', ৰামানন্দ দ্বিজৰ 'শঙ্কৰ চৰিত', ৰামৰায়ৰ 'গুৰুলীলা', বৈকুণ্ঠনাথ দ্বিজৰ 'সন্তমালা', ৰামানন্দ দ্বিজৰ 'বংশী গোপালদেৱ চৰিত', নীলকান্ত দাসৰ 'দেৱ দামোদৰ দেৱ চৰিত্ৰ', দামোদৰ দাসৰ 'গুৰু চৰিত্ৰ', অনিৰুদ্ধ দাসৰ 'গুৰু বৰ্ণনা আদি উল্লেখযোগ্য। গদ্যত ৰচনা কৰা ভিতৰত 'গুৰুচৰিত কথা' বা 'কথা গুৰুচৰিত', 'বৰদোৱা গুৰুচৰিত', গোবিন্দ দাসৰ 'সন্ত সম্প্ৰদায় কথা' উল্লেখযোগ্য। ইয়াৰে ভিতৰত 'কথা গুৰুচৰিত'খন অসমীয়া ভাষা সাহিত্যৰ ইতিহাসৰ দৃষ্টিৰে এখন অতি উল্লেখযোগ্য গ্ৰন্থ। ইয়াত অষ্টাদশ শতিকাৰ অসমীয়া ভাষাৰ কথিত ৰূপৰ নিদৰ্শন পোৱা যায়। জতুৱা ঠাঁচ, খণ্ডবাক্যৰ সুপ্ৰয়োগ, কথিত ভাষাৰ সৰ্বনাম আৰু বাক্য ৰীতিৰ অপূৰ্ব নিদৰ্শন এই পুথিৰ ছত্ৰে ছত্ৰে বিৰাজমান। ৰূপতাত্ত্বিক দৃষ্টিৰে কথা 'গুৰু চৰিত'ৰ কেইটামান বৈশিষ্ট্য এনেধৰণৰ ঃ —

**১) শব্দ বিভক্তি ঃ**

প্ৰথমা -এ ঃ ভগৱন্তে

দ্বিতীয়া -ক ঃ মাতৃক

তৃতীয়া -ৰে ঃ চলেৰে

চতুৰ্থী -লৈ ঃ ঠাইলৈ

ষষ্ঠী -ৰ ঃ গোলকৰ

সপ্তমী -ত ঃ পুখুৰীত

২) **নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ**

খান /খানি (আশীখান, কমলিখানি), গোটা (চৌধগোটা), চলা (শিল-এচলা), ছৰা (দুছৰা), জনা (দুজনা), জুৰি (পচৰা-এজুৰি), ফেৰি (ধূলিফেৰি), ইত্যাদি।

৩) **বহুবচনাত্মক প্ৰত্যয় ঃ**

থে (তোম্ৰাথেৰ), বোৰ (এইবোৰ), ভোৰ (এইভোৰ), ৰা (আৰা), সব (বাপুসব)।

৪) **সৰ্বনাম ঃ** তুমি, আমি (মই), মোৰ, তোৰ, আমাৰ, তেওঁ, আন্ত, আপুনি (নিজ), আপুন (নিজ)।

৫) **নাস্তাৰ্থক ক্ৰিয়াৰূপ ঃ** নকবা, নাখাব, নালাগে, নহ'ল, নিচিনো, নেপেলাব।

৬) **কৃদন্ত ৰূপ ঃ** হবৰ শুনি, আহিবৰ দেখি।

৭) **অসমাপিকা ক্ৰিয়া ৰূপ ঃ** শুনি, তুলি, হুয়া।

'কথা গুৰুচৰিত'ত তৎসম শব্দৰ প্ৰয়োগ প্ৰধানভাৱে হৈছে। অৰ্ধতৎসম শব্দৰ সংখ্যা তাকৰ; তদ্ভৱ শব্দৰ উপৰি বিদেশী শব্দ কিছুমানো গ্ৰন্থখনত পোৱা যায়। বাক্য প্ৰয়োগৰ ক্ষেত্ৰত চুটি চুটি বাক্যৰীতি, কেতিয়াবা দীঘল বাক্যৰীতি, কথ্য ভাষাৰ অনিয়মিত বাক্য গঠনৰ ৰূপ, কামৰূপী উচ্চাৰণ ৰীতি, জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগ বিশেষভাৱে উল্লেখযোগ্য।

'বুৰঞ্জী সাহিত্য' আৰু 'চৰিত সাহিত্য'ৰ লগে লগে মধ্য যুগত আৰু এবিধ বিশেষ সাহিত্য ৰচিত হৈছিল। এইবিধ সাহিত্যক ব্যৱহাৰিক জ্ঞান শাস্ত্ৰমূলক সাহিত্য বুলি অভিহিত কৰা হৈছে। এই শ্ৰেণী সাহিত্যৰ উল্লেখযোগ্য গ্ৰন্থ কেইখন হ'ল —

ক) সুকুমাৰ বৰকাথৰ 'হস্তীবিদ্যাৰ্ণৱ'

খ) সুকুমাৰ বৰকাথৰ 'ঘোৰানিদান'

গ) কবিৰাজ চক্ৰৱৰ্তীৰ 'ভাস্বতী'

ঘ) শুভঙ্কৰৰ 'শ্ৰীহস্তমুক্তাৱলী'

ঙ) কাশীনাথৰ 'অঙ্কৰ আৰ্য্যা'

চ) মধুমিশ্ৰ বাগীশৰ 'নীতিলতাঙ্কুৰ'

ছ) অনন্ত আচাৰ্যৰ 'আনন্দ লহৰী'

জ) কবিৰত্ন দ্বিজৰ 'লীলাৱতী'

ঝ) বকুল কায়স্থৰ 'কিতাবত মঞ্জৰী'।

উক্ত গ্ৰন্থৰাজিৰ ভিতৰত সুকুমাৰ বৰকাথৰ 'হস্তীবিদ্যাৰ্ণৱ' উল্লেখনীয়। ইয়াৰ ভাষাৰ লগত বুৰঞ্জীৰ ভাষাৰ সাদৃশ্য আছে। হ্ৰস্ব স্বৰৰ প্ৰয়োগ, তিনিটা 'স', 'শ', 'ষ'ৰ ভিতৰত 'স'ৰ প্ৰয়োগ, 'ঞ' ধ্বনি প্ৰয়োগৰ প্ৰাচুৰ্য, মহাপ্ৰাণ ধ্বনিৰ প্ৰাচুৰ্য 'হস্তীবিদ্যাৰ্ণৱ'

পুথিৰ অন্যতম বৈশিষ্ট্য। অন্যান্য গ্ৰন্থসমূহৰ ভাষাও বুৰঞ্জীৰ ভাষাৰ সাদৃশ্য লক্ষ্য কৰা যায়। শব্দৰ ক্ষেত্ৰত তৎসম, তদ্ভৱ আদি শব্দৰ লগতে কামৰূপী উপভাষাৰ শব্দৰ ব্যৱহাৰো লক্ষ্য কৰা যায়।

গদ্য পদ্য উভয়তে ৰচিত আন কেতবোৰ গ্ৰন্থক বিবিধ বিষয়ক সাহিত্য বুলি ভাগ কৰিব পাৰি। এই শ্ৰেণীৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল — পৰশুৰামৰ 'কথাঘোষা', মনোহৰৰ 'সংস্বত তন্ত্ৰ', কবিৰাজ মিশ্ৰৰ 'শিয়াল গোঁসাই', দ্বিজৰামৰ 'মৃগাৱতী চৰিত্ৰ' বা 'চাহাপৰী উপাখ্যান', অজ্ঞাত কবিৰ 'মধুমালতী', পশুপতি দ্বিজৰ 'চন্দ্ৰাৱতী বিশ্বকেতু', জগন্নাথ দ্বিজৰ 'লক্ষ্মী চৰিত'। এই শ্ৰেণীৰ সাহিত্যৰ ভাষাৰ লগতো বুৰঞ্জীৰ ভাষাৰ সাদৃশ্য আছে।

শঙ্কৰোত্তৰ কালত অনেক অংকীয়া নাটো ৰচিত হৈছিল। এই নাটসমূহত শঙ্কৰদেৱ মাধৱদেৱৰ নাটৰ অনুকৰণশীলতা হেতু মৌলিকতা দেখা নাযায়। নাটসমূহত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ লক্ষ্য কৰা যায়। ভাষা কথিত ভাষাৰ ওচৰ চপা। এই যুগতে বহুসংখ্যক গীত-পদ ৰচিত হৈছিল। বিভিন্ন পুৰাণৰ অনুবাদ আৰু মহাভাৰতৰ অনুবাদতো কবি সাহিত্যিকসকলে মনোনিৱেশ কৰিছিল। এনে কাব্য সাহিত্য আৰু গীত পদৰ ভাষাত ব্ৰজাৱলী আৰু প্ৰাচীন অসমীয়া ভাষা এই দুয়োৰে সংমিশ্ৰণ পৰিলক্ষিত হয়। এই যুগতে ৰচিত ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ৰ ভাষাত নতুনত্ব লক্ষণীয় নহ'লেও বৈশিষ্ট্য নোহোৱা নহয়। তৎসম, তদ্ভৱ শব্দৰ প্ৰয়োগ, অধিক দেশজ শব্দৰ প্ৰয়োগ কম। বৈষ্ণৱ সাহিত্যত প্ৰয়োগ হোৱা কথিত, অকথিত দুয়ো ৰূপেই 'কথা ৰামায়ণ'ত পোৱা যায়। অলঙ্কাৰৰ প্ৰাধান্য, ঘৰুৱা ভাষাৰ প্ৰয়োগ, বাক্য আৰু শব্দৰ বিন্যাসত গদ্য ৰচনাৰ অপৰিমিত শৃঙ্খলা এই পুথিৰ বিশেষ বৈশিষ্ট্য।

আহোম যুগত অসম ভূমিত আজান ফকিৰ প্ৰণীত জিকিৰ আদিৰ জৰিয়তে ইছলাম ধৰ্ম প্ৰতিষ্ঠা হয়। জিকিৰ-জাৰি গীতত অনেক আৰবী-পাৰ্চী মূলীয় শব্দৰ প্ৰয়োগ হৈছে। আহোম যুগতে টাই ভাষাৰ শব্দও বুৰঞ্জী আদিত প্ৰৱেশ ঘটিছে।

মধ্যযুগৰ অসমীয়া ভাষা গদ্যসাহিত্যৰ মাজেৰে সমৃদ্ধ হৈছে। গদ্যৰ সমান্তৰালভাৱে পদ্য ৰচনা হৈ আছিল যদিও প্ৰাচীন ৰীতি নীতিৰ পৰা আঁতৰি আহিব নোৱাৰা বাবে ই নতুনত্বৰ দাবী বৰ বেছি কৰিব নোৱাৰে। আনহাতে, গদ্যৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ ধাৰাবাহিকতা স্পষ্ট। কথিত বাক্যৰীতি প্ৰকাশৰ মাধ্যম হিচাপে এইছোৱা কালতে সুপ্ৰতিষ্ঠিত হয়।

**জানি থওঁ আহক**

ৰচনাৰ বিস্তৃতিলৈ লক্ষ্য ৰাখি মধ্য যুগৰ সাহিত্যক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি—

১) বুৰঞ্জী সাহিত্য

২) চৰিত সাহিত্য

৩) ব্যৱহাৰিক জ্ঞান শাস্ত্ৰমূলক সাহিত্য

৪) বিবিধ বিষয়ক সাহিত্য
৫) অংকীয়া নাট, আৰু
৬) অন্যান্য সাহিত্য

**আত্মমূল্যায়ণ প্ৰশ্ন**

‘বুৰঞ্জী সাহিত্য’ আৰু ‘চৰিত সাহিত্য’ৰ মাজত পাৰ্থক্য কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................................

.............................................................................................................

.............................................................................................................

### ১.৫.৩ আধুনিক যুগৰ অসমীয়া ভাষা-সাহিত্য

উনবিংশ শতিকাৰ পৰা বৰ্তমানলৈকে অসমীয়া সাহিত্যৰ আধুনিক যুগ। আধুনিক অসমীয়া ভাষাৰ বিকাশক আলোচনাৰ সুবিধাৰ অৰ্থে— ক) অৰুনোদয় স্তৰ, খ) জোনাকী স্তৰ আৰু গ) যুদ্ধোত্তৰ স্তৰ — এই তিনিটা স্তৰত ভাগ কৰা হয়। ১৮২৬ চনত অসম বৃটিছৰ শাসনৰ অধীনলৈ যোৱাৰ সময়ৰ পৰা অসমীয়া সাহিত্যৰ আধুনিক যুগ বুলি ধৰা হয় যদিও প্ৰকৃততে ১৮১৩ চনত আত্মাৰাম শৰ্মাই ‘বাইবেল’ পুথি অসমীয়া গদ্যত প্ৰকাশ কৰাৰ পৰাই আধুনিক অসমীয়াৰ আৰম্ভ হয় বুলি ক’ব পাৰি। ১৮৩৬ চনত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ অৰ্থে আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলে শিৱসাগৰত তেওঁলোকৰ কৰ্মক্ষেত্ৰ হিচাপে থিতাপি লয়। তেওঁলোকে শিৱসাগৰ জিলাৰ ভাষাকে সাহিত্যৰ ভাষা হিচাপে ব্যৱহাৰ কৰে। ১৮৪৬ চনত মিছনেৰীসকলে প্ৰকাশ কৰা মাহেকীয়া আলোচনী ‘অৰুনোদই’ৰ জৰিয়তে আধুনিক অসমীয়া ভাষাৰ বিকাশ হয়। বিশেষকৈ ধৰ্মপ্ৰচাৰৰ বাবেই অসমীয়া ভাষা চৰ্চা কৰিবলগা হোৱাত অসমীয়া ভাষাটোৰ বৈয়াকৰণিক গাঁথনি বিশ্লেষণ কৰাৰ লগতে তেওঁলোকে শব্দ সংগ্ৰহৰ কামো হাতত লয়। অভিধান আৰু ব্যাকৰণ অসমীয়া ভাষালৈ মিছনেৰীসকলৰ প্ৰত্যক্ষ দান। ১৮৩৯ চনত উইলিয়াম ৰবিন্সনৰ ৰচিত “A Grammar of the Assamese Language” প্ৰকাশ হয়। তাৰ পাচত ডঃ নাথান ব্ৰাউন চাহাবৰ “Grammatical Notices of the Assamese Language” ১৮৪৮ চনত প্ৰকাশ পায়। পঢ়াশালিৰ পাঠ্যপুথিৰ লিখাৰ লগতে ডঃ ব্ৰাউনে অসমীয়া সাঁচিপতীয়া পুথি সংগ্ৰহৰ কামো আৰম্ভ কৰে। ১৮৬৭ চনত ডঃ মাইলচ ব্ৰন্সনৰ “অসমীয়া ইংৰাজী অভিধান” প্ৰকাশ হয়। মিছনেৰীসকলে জনসাধাৰণৰ মাজত খৃষ্টধৰ্মৰ প্ৰচাৰৰ বাবে অনেক পুথি লিখিছিল। ‘অৰুনোদই’ আৰু “জাত্ৰিকৰ যাত্ৰা”, “মাউৰী ছোৱালী”, “ধাৰ্ম্মিক চহা”, “বাইবেলৰ সাধু”, “জোচেফৰ কাহিনী” আদি বিভিন্ন পুথিত যি ভাষা প্ৰয়োগ কৰিছিল, সেই ভাষা আছিল সৰল আৰু উচ্চাৰণভিত্তিক। সেই ভাষাক শুদ্ধ অসমীয়া ভাষা বুলি ক’ব নোৱাৰি। নতুনকৈ অসমীয়া ভাষা শিকা মিছনেৰীসকলে যি ভাষা ব্যৱহাৰ কৰিছিল সেই ভাষা নতুনকৈ মাত ফুটা সৰু ল’ৰাৰ থুনুক-ঠানাক মাতৰ লেখীয়াহে আছিল বুলি

ক'ব পাৰি। মিছনেৰীসকলে যুক্ত ধ্বনিবিলাক ভাঙি সৰল কৰি লৈছিল। শ, ষ, স -ৰ ভিতৰত কেৱল স, য আৰু জ -ৰ ভিতৰত কেৱল জ আৰু চ, ছ -ৰ ভিতৰত কেৱল চ-ৰ ব্যৱহাৰ কৰা তেওঁলোকৰ ভাষাৰ বিশেষত্ব আছিল। বানানৰ ক্ষেত্ৰত তৎসম আৰু তদ্ভৱ শব্দ বুলি কোনো পাৰ্থক্য ৰখা হোৱা নাছিল। মিছনেৰীসকল প্ৰধানত ইংৰাজী ভাষী হোৱা হেতুকে তেওঁলোকে লিখা অসমীয়া বাক্যত ইংৰাজী বাক্য-ৰীতিৰ প্ৰভাৱ পৰিছিল। শব্দৰ ক্ষেত্ৰতো ইংৰাজী শব্দৰ ব্যৱহাৰ এই সময়তে অসমীয়া সাহিত্যৰ মাজত প্ৰচলন হ'বলৈ লৈছিল। উল্লেখ্য যে, মিছনেৰীসকলে সেই সময়ৰ শিৱসাগৰ অঞ্চলৰ কথিত ভাষাতহে সাহিত্য ৰচনা কৰিছিল আৰু এনেকৈয়ে তদানীন্তন কালৰ সাহিত্যৰ গদ্য নিৰ্মাণ হৈছিল। এনেদৰে নিৰ্মাণ হোৱা অসমীয়া ভাষাৰ সাহিত্যিক ৰূপটোকে পৰিমাৰ্জ্জিত কৰি আধুনিক অসমীয়া ভাষাৰ বিশুদ্ধ ৰূপৰ সৌধ নিৰ্মাণ কৰে হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিয়ে। হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ ব্যাকৰণ আৰু অভিধান ৰচনা কৰি আধুনিক অসমীয়া ভাষাৰ এক সুনিৰ্দিষ্ট ৰূপ প্ৰদান কৰে। পৰৱৰ্তী কালত লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে অনেক বৰেণ্য সাহিত্যিকে এই ভাষাক নানা ভাব প্ৰকাশ কৰিবপৰা মৰ্যাদা প্ৰদান কৰে। সাহিত্যৰ বিবিধ ৰূপ, যেনে— চুটিগল্প, উপন্যাস, কবিতা, ভ্ৰমণ সাহিত্য, নাট্য সাহিত্য, গীতি সাহিত্য, জীৱনী সাহিত্য, প্ৰবন্ধ সাহিত্য ইত্যাদিবোৰ আধুনিক কালৰ অসমীয়া ভাষাৰ জৰিয়তেই ক্ৰমশঃ বিকশিত হ'বলৈ ধৰে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

'আধুনিক অসমীয়া সাহিত্য মিছনাৰীসকলৰ দান' —কথাষাৰ যুক্তি যুক্ত নে? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ১.৬ সাৰাংশ (Summing Up)

তামৰ ফলিৰ ভাষাতে প্ৰথম অসমীয়া শব্দৰ লিখিত ৰূপ প্ৰকাশ হয় বুলি কোৱা হয়। পৰৱৰ্তী সময়ত চৰ্যাপদ আৰু নাথ সাহিত্যসমূহত অসমীয়া ভাষাৰ এটা মিশ্ৰিত ৰূপ দেখিবলৈ পাওঁ। বিশুদ্ধ ৰূপৰ অসমীয়া পূৰ্ণাঙ্গ সাহিত্যৰ শুভাৰম্ভ ঘটে হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ জৰিয়তে। এই সময়ছোৱাতে মাধৱ কন্দলিৰ 'ৰামায়ণ'ত অসমীয়া ভাষাৰ এটা নিটোল সংহত ৰূপ দেখিবলৈ পোৱা যায়। অসমীয়া ভাষাত সকলো দিশতে প্ৰভাৱশালী আৰু পূৰ্ণাঙ্গ ৰূপৰ সাহিত্যৰ সৃষ্টি হয় শংকৰী যুগত। কাব্য, নাটক, গীত আদি বিভিন্ন শিতানৰ সাহিত্যৰ সৃষ্টি হয় এই সময়ছোৱাতে। পোন-প্ৰথমবাৰৰ গদ্যৰ প্ৰয়োগো শংকৰদেৱৰ হাততে হয়। অসমীয়া গদ্যই পূৰ্ণাংগ ৰূপ পায় ভট্টদেৱৰ হাতত। শংকৰদেৱৰ পৰৱৰ্তী সময়ত শংকৰোত্তৰ কালত অসমীয়া সাহিত্যলৈ আগমন ঘটে 'বুৰঞ্জী সাহিত্য' আৰু 'চৰিত পুথি'ৰ। পৰৱৰ্তী কালত মিছনেৰীসকলৰ সহযোগত অসমীয়া সাহিত্যলৈ আধুনিকতাৰ আগমন ঘটে।

## ১.৭ আৰ্হিপ্ৰশ্ন (Sample Questions)

১) অসমীয়া সাহিত্যত লিখিত পৰম্পৰা সম্পৰ্কে এটি টোকা লিখক।

২) সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষা শীৰ্ষক এটি প্ৰৱন্ধ যুগুত কৰক।

৩) খ্ৰীঃ চতুৰ্দশ শতিকাৰ পূৰ্বত অসমীয়া ভাষাৰ কি কি লিখিত সমল পোৱা যায় আলোচনা কৰক।

৪) ‘প্ৰাক্-শংকৰী যুগৰ অসমীয়া লিখিত সাহিত্য’ —শীৰ্ষক এখনি ৰচনা লিখক।

৫) অসমীয়া সাহিত্যত বুৰঞ্জী আৰু চৰিত পুথিৰ স্থান সম্পৰ্কে পৰ্যালোচনা কৰক।

৬) ‘বুৰঞ্জীৰ ভাষা’ সম্পৰ্কে আলোচনা কৰক।

৭) অসমীয়া সাহিত্যত লিখিত পৰম্পৰা সম্পৰ্কে এটি টোকা লিখক।

৮) প্ৰাক্-শংকৰ যুগত অসমীয়া ভাষাই কেনেদৰে সাহিত্যিক ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল, আলেচনা কৰক।

## ১.৮ গ্ৰন্থপঞ্জী (References/Suggested Readings)


ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী

ড° সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা

বিশ্বেশ্বৰ হাজৰিকা (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী

Dr. Banikanta Kakati : Assamese; Its formation and Development


* * *

## দ্বিতীয় বিভাগ
## ৰাজপৃষ্ঠপোষকতা আৰু অসমীয়া ভাষা

**বিভাগৰ গঠনঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ সাধাৰণ আভাস
২.৪ ৰাজপৃষ্ঠপোষকতা আৰু প্ৰাক্-শংকৰী যুগ
২.৪.১ হেম সৰস্বতী
২.৪.২ কবিৰত্ন সৰস্বতী
২.৪.৩ ৰুদ্ৰ কন্দলি
২.৪.৪ হৰিবৰ বিপ্ৰ
২.৪.৫ মাধৱ কন্দলি
২.৫ সাৰাংশ (Summing Up)
২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত ৰাজপৃষ্ঠপোষকতাত অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ বিষয়ে এটি ধাৰণা দিবলৈ প্ৰয়াস কৰা হ'ব।

ভাষা আৰু সাহিত্যৰ বিকাশত প্ৰাচীন অসমৰ ৰাজবংশসমূহৰ অৱদান অনস্বীকাৰ্য। বিভিন্ন ৰাজবংশৰ ৰজাসকলে বিভিন্ন সময়ত ভিন ভিন স্থানত শিলালিপি আৰু তামৰ ফলি খোদিত কৰাৰ লগতে পৰৱৰ্তী সময়ত সাহিত্য চৰ্চাৰ বাবে পণ্ডিতসকলক অনুপ্ৰাণিত কৰিছিল। এই খোদন আৰু লিখন কাৰ্যৰ মাজেৰে অসমীয়া ভাষা চৰ্চাৰ ধাৰা এটি সৃষ্টি হৈছিল আৰু অসমীয়া ভাষা পৰিপূৰ্ণ হৈছিল। বিভিন্ন শিলালিপি, তাম্ৰলিপিৰ লিখনী আৰু সাঁচিপাতৰ মাধ্যমেৰে লিখিত বিশুদ্ধ অসমীয়া ভাষাৰ সাহিত্যৰাজিৰ মাজেৰে অসমীয়া ভাষাৰ জন্ম আৰু বিকাশৰ ধাৰা এটা সুস্পষ্ট ৰূপত দেখিবলৈ পোৱা যায়।

এই বিভাগটিত প্ৰাক্-শংকৰী যুগত ৰজাঘৰীয়াৰ পৃষ্ঠপোষকতাত হোৱা অসমীয়া ভাষা আৰু সাহিত্যৰ চৰ্চাৰ বিষয়ে আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- ৰাজপৃষ্ঠপোষকতা আৰু অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ সাধাৰণ আভাস লাভ কৰিব পাৰিব,

- ৰাজপৃষ্ঠপোষকতাত প্ৰাক্-শংকৰী যুগত সৃষ্টি হোৱা অসমীয়া ভাষা আৰু সাহিত্য-চৰ্চাৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- সেই সময়ত সাহিত্যৰাজিৰ মাজত থকা অসমীয়া ভাষাৰূপৰ বৈশিষ্ট্যবোৰ বিচাৰ কৰিব পাৰিব।

## ২.৩ সাধাৰণ আভাস

সাহিত্য হ'ল ভাষাৰ লিখিত ৰূপ। ইয়াত অৱশ্যে মৌখিক সাহিত্যক সামৰি লোৱা হোৱা নাই। ভাষাৰ বিভিন্ন বৈশিষ্ট্যবোৰ লিখিত সাহিত্যতে সোমাই থাকে। বিভিন্ন সময়ৰ সাহিত্যত সমসাময়িক ভাষাৰূপৰ বৈশিষ্ট্যবোৰ পোৱা যায়। কাল অনুসৰি বিভিন্ন সময়ৰ সাহিত্য অধ্যয়ন কৰি ভাষা এটাৰ বিৱৰ্তনৰ ধাৰা এটা স্পষ্ট ৰূপত পাব পাৰি। সেয়েহে, সাহিত্য-চৰ্চা মানে ভাষা-চৰ্চা বুলিও ক'ব পাৰি।

বিশুদ্ধ অসমীয়া সাহিত্যৰ প্ৰথম নিদৰ্শন হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখন। এই কাব্যখন ৰচনাৰ পিছৰ পৰাই অসমীয়া সাহিত্যৰ লিখিত পৰম্পৰা আৰম্ভ হয়। সেই সময়ৰেপৰাই অসমীয়া সাহিত্যই ৰাজকীয় পৃষ্ঠপোষকতা বা অনুপ্ৰেৰণা লাভ কৰিছিল। প্ৰাক্-শংকৰী আৰু শংকৰী যুগৰ অধিকাংশ কবি-সাহিত্যিকে ৰজাঘৰৰ পৃষ্ঠপোষকতা লাভ কৰি মহৎ সাহিত্য সৃষ্টি কৰি গৈছে।

আগৰ খণ্ডতে শিলালিপি-তাম্ৰলিপি বা অনুশাসনবোৰৰ বিষয়ে আলোচনা কৰি অহা হৈছে। অসমীয়া ভাষাই বিশুদ্ধ ৰূপ পোৱাৰ আগতে এই অনুশাসনসমূহ ৰচনা কৰিছিল। পুৰণি কামৰূপৰ বিভিন্ন ৰাজবংশৰ ৰজাসকলে ভূমিদান সম্পৰ্কীয় এই অনুশাসনবোৰ খোদিত কৰাইছিল। এই অনুশাসনবোৰৰ ভাষা আছিল সংস্কৃত। কিন্তু তাৰ ভাষাত অনা-সংস্কৃত কেতবোৰ শব্দ বা ভাষাৰূপ পোৱা গৈছিল। সেই ৰূপবোৰকে অসমীয়া ভাষাৰ প্ৰথম শব্দ বা ৰূপ বুলি ক'ব পাৰি। স্মৰ্তব্য যে, এই অনুশাসন লিখন বা খোদন কাৰ্য ৰজাঘৰীয়াৰ পৃষ্ঠপোষকতাতে হৈছিল।

বিশুদ্ধ অসমীয়া সাহিত্যৰ প্ৰথম নিদৰ্শন 'প্ৰহ্লাদ চৰিত' কাব্যখন কবি হেম সৰস্বতীয়ে কমতাৰ ৰজা দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত ৰচনা কৰিছিল। অসমীয়া ভাষা সাহিত্যৰ অমূল্য সম্পদ 'ৰামায়ণ'খন মাধৱ কন্দলিয়ে বৰাহী ৰজা মহামানিক্যৰ পৃষ্ঠপোষকতাত ৰচনা কৰিছিল। একেদৰে প্ৰাক্-শংকৰী যুগৰ অন্যান্য কবিসকলেও ৰাজপৃষ্ঠপোষকতাত সাহিত্য চৰ্চা কৰিছিল।

অসমীয়া জাতীয় জীৱনৰ ভাষা, সাহিত্য, ধৰ্ম, সমাজ-ব্যৱস্থা, সংস্কৃতি আদি সকলো দিশলৈ প্ৰভূত বৰঙণি আগবঢ়াই অসমীয়া জাতীয় জীৱনক এক গতি প্ৰদান কৰা মহাপুৰুষ শংকৰদেৱে শেষ বয়সত কোচৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ৰ পৃষ্ঠপোষকতাত সাহিত্য-চৰ্চা কৰিছিল। কোচৰজাৰ পৃষ্ঠপোষকতাত শংকৰদেৱে 'বলিছলন', 'অনাদি পাতন', 'কীৰ্তন', 'দশম', 'নিমি-নৰসিদ্ধ সংবাদ', 'গুণমালা', 'বৰগীত', 'ভক্তি ৰত্নাকৰ', 'কালিয় দমন', 'কেলিগোপাল', 'ৰুক্মিনী হৰণ', 'পত্নীপ্ৰসাদ', 'ৰাম বিজয়' আদি ৰচনা কৰিছিল। মাধৱদেৱে প্ৰকৃতাৰ্থত ৰাজপৃষ্ঠপোষকতাত সাহিত্য চৰ্চা কৰা নাছিল যদিও ৰজাঘৰীয়া সমৰ্থন লাভ কৰিছিল। শেষ বয়সত কোচৰজা লক্ষ্মীনাৰায়ণে তেওঁক বিশেষ সন্মান দেখুৱাই ভেলা মধুপুৰত থাকিবৰ দিহা কৰি দিছিল।

শংকৰদেৱ আৰু মাধৱদেৱৰ তিৰোধানৰ পাছত বৈষ্ণৱ সত্ৰ আৰু সমাজতহে সাহিত্য-চৰ্চাৰ বাতাবৰণ সৃষ্টি হয়। কোচৰজা নৰনাৰায়ণৰ সময়তে কোচৰাজ্য ভাঙি দুখণ্ড হয়। সোণকোষ নদীৰ পূৰত কোচ-হাজো আৰু পশ্চিমত কোচবিহাৰ। তাৰফলত পৰ্যায়ক্ৰমে সাহিত্যৰ দিশত ৰাজসভাৰ পৃষ্ঠপোষকতা কমি আহে। পূব কোচৰাজ্যৰ ৰাজধানী বিজয়নগৰ আৰু পাছত দৰং ৰাজসভাত কেইগৰাকীমান পণ্ডিতে সাহিত্য ৰচনাৰ দিশত অনুপ্ৰেৰণা পাইছিল। কোচৰাজ্যৰ বীৰনাৰায়ণ, প্ৰাণ নাৰায়ণ, মোদনাৰায়ণ, মহীন্দ্ৰনাৰায়ণ, হৰেন্দ্ৰনাৰায়ণ আদি ৰজাসকলৰ প্ৰেৰণা আৰু সহায়ৰ পৰাও কবি-পণ্ডিতসকল বঞ্চিত হোৱা নাছিল। কিন্তু এই পৃষ্ঠপোষকতা লক্ষ্মীনাৰায়ণৰ পাছৰে পৰা ক্ৰমে ক্ষীণ হৈ আহিবলৈ ধৰে। কামৰূপৰ কবি আৰু পণ্ডিতসকলক কোচবিহাৰৰ ৰাজসভাই আগৰ দৰে আকৰ্ষণ নকৰা হ'ল। তথাপি কোচবিহাৰৰ ৰাজসভাত এৰাধৰাকৈ সপ্তদশ শতিকাৰ শেষলৈকে অসমীয়া সাহিত্যৰ চৰ্চা ধিমিক ধামাককৈ চলি থাকিল। খ্ৰীঃ সপ্তদশ শতিকাৰ শেষৰফালে আহোমৰ ৰাজধানী গড়গাঁও-ৰংপুৰত সাহিত্যৰ এটি নতুন পৃষ্ঠপোষকতাৰ কেন্দ্ৰ গঢ় লৈ উঠে। অষ্টাদশ শতিকাত এই সাহিত্য চৰ্চাৰ কেন্দ্ৰটোৰ পূৰ্ণ বিকাশ ঘটে। কোচ আৰু আহোম ৰজাসকলৰ উপৰি সেই সময়ৰ কছাৰী অথবা অন্যান্য সৰু সৰু ৰাজ্যৰ ৰজাসকলেও কবি-সাহিত্যিকসকলক কাব্য চৰ্চাৰ বাবে অনুপ্ৰেৰণা দিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) ৰাজপৃষ্ঠপোষকতা মানে কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

(২) 'মাধৱদেৱে প্ৰকৃতাৰ্থত ৰাজপৃষ্ঠপোষকতাত সাহিত্য চৰ্চা কৰা নাছিল যদিও ৰজাঘৰীয়া সমৰ্থন লাভ কৰিছিল'— বুজাই লিখক। (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

## ২.৪ ৰাজপৃষ্ঠপোষকতা আৰু প্ৰাক্-শংকৰী যুগৰ অসমীয়া ভাষা-সাহিত্য

পূৰ্বতে আলোচনা কৰি অহা হৈছে যে, হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' বিশুদ্ধ অসমীয়া ভাষাৰ প্ৰথমখন গ্ৰন্থ। এই সময়ৰে পৰা শংকৰদেৱৰ আৱিৰ্ভাৱৰ সময়লৈকে পাঁচজন কবিয়ে অসমীয়া ভাষাত কাব্য চৰ্চা কৰিছিল। তেওঁলোক হ'ল— (১) হেম সৰস্বতী, (২) ৰুদ্ৰ কন্দলি, (৩) হৰিবৰ বিপ্ৰ, (৪) কবিৰত্ন সৰস্বতী আৰু (৫) মাধৱ কন্দলি। এই কবিসকলৰ হাততে অসমীয়া ভাষাৰ সাহিত্যিক ৰূপ বা সাধু ভাষা এটা গঢ় লৈ উঠিছিল। পৰৱৰ্তী সময়ত বৈষ্ণৱ কবিসকলৰ হাতত এই সাহিত্যিক ঠাঁচটোৱে পৰিপূৰ্ণতা লাভ কৰে। এই কবি পাঁচগৰাকীৰ পৃষ্ঠপোষক ৰজা আৰু তেওঁলোকৰ সাহিত্য কৰ্মৰ বিষয়ে তলত আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল—

### ২.৪.১ হেম সৰস্বতী

হেম সৰস্বতী হ'ল 'প্ৰহ্লাদ চৰিত্ৰ'ৰ কবি। অৱশ্যে তেওঁৰ ভণিতা থকা 'হৰ-গৌৰী সংবাদ' নামৰ আন এখন পুথিও পোৱা যায়। অৱশ্যে দ্বিতীয়খন গ্ৰন্থ প্ৰকাশিত হোৱা নাই। হেম সৰস্বতীয়ে কমলাপুৰৰ ৰজা দুৰ্লভনাৰায়ণৰ পৃষ্ঠপোষকতাত সাহিত্য-চৰ্চা কৰিছিল। এসময়ত কামৰূপ, গোৱালপাৰা, কোচবিহাৰ আৰু জলপাইগুৰি জিলাক সামৰি লোৱা অঞ্চলটোৱে হ'ল কমতাপুৰ বা কমতামণ্ডল। হেম সৰস্বতীয়ে তেওঁৰ পৃষ্ঠপোষক ৰজাৰ বিষয়ে তেওঁৰ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যত এনেদৰে উল্লেখ কৰিছে—

কমতামণ্ডল দুৰ্লভনাৰায়ণ নৃপবৰ অনুপম।
তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী দেৱযানী কন্যা নাম।।
তাহান তনয় হেম সৰস্বতী ধ্ৰুৱৰ অনুজ ভাই।
পদবন্ধে তেহো প্ৰচাৰ কৰিলা বামনপুৰাণ চাই।।

'হেম সৰস্বতী' কমতা নৃপতি দুৰ্লভনাৰায়ণৰ সমসাময়িক। দুৰ্লভনাৰায়ণৰ সময় সম্পৰ্কে অৱশ্যে মতানৈক্য দেখিবলৈ পোৱা যায়। 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনৰ প্ৰথম সম্পাদনা কৰোঁতা কালিৰাম মেধিয়ে এটা আলোচনাত তেওঁক দ্বাদশ শতাব্দীৰ শেষ বা ত্ৰয়োদশ শতাব্দীৰ আৰম্ভণিত প্ৰতিষ্ঠা কৰিছিল। আনহাতে তেওঁৰ দ্বাৰা সম্পাদিত 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনৰ পাতনিত দুৰ্লভনাৰায়ণৰ সময় ত্ৰয়োদশ শতিকাৰ শেষভাগ (১২৪৯ খ্ৰীঃ) বুলি ঠাৱৰ কৰিছে। কনকলাল বৰুৱাৰ মতে, দুৰ্লভনাৰায়ণৰ সময় চতুৰ্দশ শতিকাৰ দ্বিতীয় পাদ (১৩৩০-১৪৩০)। এডৱাৰ্ড গেইটে তেওঁৰ 'History of Assam' গ্ৰন্থখনত দুৰ্লভনাৰায়ণ ত্ৰয়োদশ শতাব্দীৰ কমতাৰ ৰজা বুলি কৈছে। ড০ বাণীকান্ত কাকতিয়ে দুৰ্লভনাৰায়ণৰ কাল ধৰিছে ত্ৰয়োদশ শতিকাৰ শেষ কিম্বা চতুৰ্দশ শতিকাৰ আগভাগ। এই সকলোবোৰ তথ্য চালি-জাৰি চাই কবি হেম সৰস্বতীৰ সময় ত্ৰয়োদশ শতিকাৰ শেষ অথবা চতুৰ্দশ শতিকাৰ আদিভাগ বুলি ঠাৱৰ কৰিব পাৰি।

এতিয়ালৈকে প্ৰকাশিত হোৱা হেম সৰস্বতীৰ কাব্যখন হ'ল 'প্ৰহ্লাদ চৰিত্ৰ'। গ্ৰন্থখন প্ৰথম সম্পাদনা কৰিছিল কালিৰাম মেধিয়ে, ১৯১৪ চনত। অৱশ্যে গ্ৰন্থখনৰ নাম 'প্ৰহ্রাদ চৰিত্ৰ' বুলিহে উল্লেখ আছে। পৰৱৰ্তী সময়তহে গ্ৰন্থখন 'প্ৰহ্লাদ চৰিত্ৰ' নামেৰে প্ৰকাশ পায়। কবিয়ে গ্ৰন্থখন 'বামন পুৰাণ'ৰ আধাৰত ৰচনা কৰা বুলি কাব্যত উল্লেখ কৰিছে। বৰ্তমানে 'বামন পুৰাণ' নামৰ এখন উপপুৰাণহে পোৱা যায়। 'প্ৰহ্লাদ চৰিত্ৰ'ৰ মূল কাহিনী 'হিৰণ্যকশিপু' বধৰ কথা এই উপ-পুৰাণখনত পাবলৈ নাই। পণ্ডিতসকলৰ মতে, কিছুকালৰ আগলৈকে 'বামন পুৰাণ'ৰ অস্তিত্ব আছিল। সম্ভৱতঃ এই পুৰাণখনৰ পৰাই হেম সৰস্বতীয়ে কাব্যৰ বিষয়বস্তু সংগ্ৰহ কৰিছিল।

'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখন অসমীয়া সাহিত্যৰ ভঁৰাললৈ এখনি আপুৰুগীয়া সম্পদ। ইয়াৰ ঐতিহাসিক মূল্য অপৰিসীম। এই কাব্যগ্ৰন্থখনে অসমীয়া ভাষাক সাহিত্যিক ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কাব্যখনক আৰ্হি হিচাপে লৈ পৰৱৰ্তী কাব্যকাৰসকলে বিভিন্ন কাব্যাদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী

কৰে। উৎকৃষ্ট সাহিত্য হিচাপে কিন্তু কাব্যখন প্ৰতিষ্ঠিত হ'ব নোৱাৰিলে। মহেশ্বৰ নেওগে তেওঁৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনত এই বিষয়ে উল্লেখ কৰিছে- "প্ৰহ্লাদ চৰিত্ৰ'ত কথকৰূপে কবিৰ বিশেষ প্ৰতিপত্তি দেখা পোৱা নাযায়। তেওঁৰ বৰ্ণনা চিত্তকৰ্ষক নহয়। তেওঁৰ ভাষা আৰু ৰচনাশৈলী উচ্চ খাপৰ আৰু নিমজ নহয় আৰু জতুৱা ঠাঁচ তাত সম্পূৰ্ণৰূপে নাই। ছন্দ গতানুগতিক, অন্ত্যানুপ্ৰাসো সদায় সুখৰ নহয়।" কিন্তু ঐতিহাসিক দিশৰ পৰা 'হেম সৰস্বতী'ৰ এই কাব্যখনে অসমীয়া সাহিত্যৰ বুৰঞ্জীত সদায় সোণালী সাঁচ ৰাখি থৈ যাব। আনহাতে বিষয়বস্তুৰ ফালৰ পৰা এই গ্ৰন্থখন প্ৰথম বিষ্ণুৰ মহিমা প্ৰকাশক গ্ৰন্থ। কালিৰাম মেধিয়ে এই কাব্যখনক বৈষ্ণৱ ধৰ্মৰ প্ৰথম অসমীয়া পুথি আখ্যা দিছে।

আগতে উল্লেখ কৰি অহা হৈছে যে, 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনতে সাহিত্যিক ভাষা হিচাপে অসমীয়া ভাষাৰ (বিশুদ্ধ ৰূপ) প্ৰথম ব্যৱহাৰ হয়। সেয়েহে কাব্যখনৰ ভাষা ৰূপটো বিশেষ তাৎপৰ্যপূৰ্ণ। কাব্যখনৰ ভাষাৰ ক্ষেত্ৰত এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল 'যাৱনিক' শব্দৰ ব্যৱহাৰ। কালিৰাম মেধিয়ে কাব্যখনত এটি 'যাৱনিক' শব্দৰ ব্যৱহাৰ দেখুৱাইছে। শব্দটো হ'ল 'নফৰ'। সেয়েহে তেওঁ মুছলমানসকল গৌড়ত প্ৰৱেশ কৰাৰ পিছতহে 'প্ৰহ্লাদ চৰিত্ৰ' ৰচনা কৰা হৈছিল বুলি মন্তব্য কৰিছে।

'প্ৰহ্লাদ চৰিত্ৰ' এখনি সৰু বৰ্ণনাত্মক কাব্য। কাব্যখনত কবিৰ বৰ্ণনা সৰল আৰু ঘৰুৱা ভাষাৰ। কাব্যখনত ভাষাৰ আড়ম্বৰ দেখিবলৈ পোৱা নাযায়। কবিয়ে কাব্যখনত কঠিন ধ্বনিৰ সৰলীকৰণ আৰু যুক্তাক্ষৰ কোমল কৰি ব্যৱহাৰ কৰিছে। তলত কেতবোৰ বৈশিষ্ট্য দাঙি ধৰা হ'ল—

(ক) 'অ'কাৰৰ সলনি 'ও'-কাৰৰ ব্যৱহাৰ—
হিৰণ্যোক (হিৰণ্যক), পোতিকাৰ (প্ৰতিকাৰ)

(খ) 'ও'কাৰৰ সলনি 'উ'কাৰ ঃ দামুদৰ (দামোদৰ), কেহু (কেহো)

(গ) 'ই'কাৰৰ সলনি 'ঞি' ঃ মঞি (মই), ঠাঞি (ঠাই)

(ঘ) '-ী'কাৰৰ সলনি '-ি'কাৰঃ সুখি (সুখী), দেবি (দেৱী), সৰোচতি (সৰস্বতী)

(ঙ) 'ৱ'ৰ সলনি 'অ' ঃ জীঅনে (জীৱনে)

(চ) 'ছ'ৰ সলনি 'চ' ঃ কিচু (কিছো), আচন্ত (আছন্ত)

(ছ) 'শ', 'ষ', 'স'ৰ সলনি 'স"। কেতিয়াবা 'ষ'ৰ সলনি 'খ' আৰু 'শ'ৰ সলনিও 'খ' ব্যৱহাৰ হৈছে ঃ আদেসিয়া (আদেশিয়া), বিখ (বিষ), বংখত (বংশত), আদেখিলা (আদেশিলা)

(জ) 'য'ৰ সলনি 'জ' ঃ জিটো (যিটো), জি (যি)

(ঝ) 'য়'ৰ সলনি 'অ' ঃ কিঅ (কিয়)

(ঞ) 'ল'ৰ সলনি 'ৰ' ঃ প্ৰহ্লাদ (প্ৰহ্লাদ)

(ট) 'ৰ'ৰ সলনি 'ল' ঃ বৈশ্বানল (বৈশ্বানৰ)

(ঠ) 'ক্ষ'ৰ সলনি 'খ' ঃ প্ৰত্যখ (প্ৰত্যক্ষ)

(ড) হ্রস্ব, দীৰ্ঘ, মূৰ্ধণ্য আৰু দন্ত্যৰ যথেষ্ট প্ৰয়োগ ঃ দুখি, নাৰায়ণ, সৰন, পুৰাণ

(ঢ) যুক্তাক্ষৰৰ সৰলীকৰণ ঃ অগিয়ান (অজ্ঞান), বৈশানৰ (বৈশ্বানৰ)

(ণ) আদি যুক্তাব্যঞ্জন একক ব্যঞ্জনলৈ পৰিৱৰ্তন ঃ তম্ভ (স্তম্ভ), ফটিক (স্ফটিক), তৰাল (ত্ৰাস)

(ত) 'ষ্ণ'ৰ সলনি ষ্ট ঃ বৈষ্টৱ (বৈষ্ণৱ), বিষ্টু (বিষ্ণু) ইত্যাদি।

কবিয়ে কাব্যখনত ঘটনা আৰু পৰিস্থিতি সৰল আৰু সহজবোধ্য বিৱৰণ দিছে। কল্পনাৰ ৰহন কাব্যখনত পৰা দেখা নাযায়। অসমীয়া ভাষাৰ বৈশিষ্ট্যমূলক জতুৱা ঠাঁচৰ ব্যৱহাৰো কাব্যখনত পোৱা নাযায়। কিন্তু প্ৰবচনৰ লেখীয়া সমাজত প্ৰচলিত কেতবোৰ বাক্যাংশ ব্যৱহাৰ কৰিছে। সেইবোৰে কাব্যখনৰ ভাষাক এক গতি প্ৰদান কৰিছে আৰু কাব্যখনৰ বৰ্ণনাক সাধাৰণ পাঠকৰ গ্ৰহণীয় কৰি তুলিছে। যথা—

'দান্তা ভাঙ্গা সৰ্পৰ ফেপনি মাত্ৰ সাৰ',
'হৰি যাক ৰক্ষা কৰে মাৰে তাক কুনে',
'মোহৰ বংশত উপজিলা ধূমকেতু',
'আমাৰ বংশত তই ভৈলি কুলাঙ্গাৰ',
'আচাৰত ভিন্ন হৰি বিচাৰত এক',
'পতঙ্গম হুয়া কৰে অগনিত জাস' ইত্যাদি।

হেম সৰস্বতীয়ে অলংকাৰ আদি প্ৰয়োগেৰেও কাব্যখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে—

উপমা ঃ 'তপ্ত তৈল জুৰ যেন জলময়।'
'তালুত লাগিলা যেন প্ৰচণ্ড অগনি।'

উৎপ্ৰেক্ষা ঃ 'গিৰিক ভেদি য়া যেন বহি জাই জল।
হিৰণ্যৰ তেজে বসুমতী গৈলা তল।।'

নিদৰ্শনা ঃ 'পতঙ্গম হুয়া কৰে অগনিত জাস'

অতিশয়োক্তি ঃ 'চোবায়ে দশন আতি তেজয় আটাস।
স্বৰ্গ মত্ত পাতালত লাগিল তৰাস।।'

বিভাৱনা ঃ 'প্ৰহ্লাদৰ গাৰ যেন চন্দন শীতল।'

বিশেষোক্তি ঃ 'দুনাই বিষ খুৱাইলেক বিষ নালাগিল'

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনৰ ঐতিহাসিক মূল্য কি?

.....................................................................................................

.....................................................................................................

.....................................................................................................

(২) ‘প্ৰহ্লাদ চৰিত্ৰ’ কাব্যখনৰ আধাৰ গ্ৰন্থ কি?

.................................................................................................................

.................................................................................................................

.................................................................................................................

### ২.৪.২ কবিৰত্ন সৰস্বতী

কবিৰত্ন সৰস্বতী কমতা ৰাজ ইন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষতাৰ কবি। ইন্দ্ৰনাৰায়ণ হ’ল দুৰ্লভনাৰায়ণৰ পুত্ৰ। তেওঁৰ কাল চতুৰ্দশ শতিকাৰ মাজভাগ। কবিৰত্ন সৰস্বতীৰ ঘৰ আছিল বৰপেটা অঞ্চলৰ চোটাশিলা গাঁৱত। তেওঁৰ পিতৃৰ নাম আছিল চক্ৰপাণি শিকদাৰ। সত্যেন্দ্ৰনাথ শৰ্মাই কবিৰত্ন সৰস্বতীক চতুৰ্দশ শতিকাৰ মাজভাগত স্থাপন কৰিব খোজে।

কবিৰত্ন সৰস্বতীয়ে ‘মহাভাৰত’ৰ দ্ৰোণপৰ্বৰ জয়দ্ৰথ বধৰ কাহিনীভাগ কাব্যাকাৰে বৰ্ণনা কৰিছে। কাব্যখনৰ ভণিতাত ‘জয়দ্ৰথ’ কাব্য ৰচনা কৰাৰ কথা পোৱা যায়। যেনে—

তাহান তনয় অতি শুভনয়<br>
কবিৰত্ন সৰস্বতী।<br>
দ্ৰোণ পৰ্ব পদ জয়দ্ৰথ বধ<br>
কৌতূহলে নিগদতি।।

কিন্তু অতি পৰিতাপৰ কথা যে কবিজনাৰ ‘জয়দ্ৰথ বধ’ কাব্যখনৰ কোনো পাণ্ডুলিপি এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। ‘অসমীয়া সাহিত্যৰ চানেকী’ (প্ৰথম খণ্ড), ‘অসমীয়া মহাভাৰত’ (দ্বিতীয় খণ্ড) আদিত কবিজনাৰ কৈলাস বৰ্ণনা অংশটিহে সংযোজিত হৈ আছে। বিভিন্নজন পণ্ডিতে এই কাব্যাংশৰ জৰিয়তে কবিজনাৰ মূল্যায়ন কৰি আহিছে। মহেশ্বৰ নেওগৰ মতে, ‘কবিয়ে দ্ৰোণপৰ্বৰ পৰা ‘জয়দ্ৰথ বধ’ কাহিনীটি লৈ তেওঁৰ পদ ৰচনা কৰিছে। কৈলাসৰ বৰ্ণনা মনোৰম আৰু বিস্তৃত। তেওঁৰ ভাষা আৰু শব্দচয়ন সৰল ধৰণৰ, মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ ৰচনাশৈলীতকৈ স্পষ্টকৈ নিম্নখাপৰ আৰু কম জতুৱা।’ সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে, ‘মহাপুৰুষ শংকৰদেৱৰ ‘হৰমোহন’ৰ উপবন বৰ্ণনাৰ সমকক্ষ নহ’লেও প্ৰায় ওচৰে ওচৰে যাব পৰা কাব্য সৌন্দৰ্য কৈলাস বৰ্ণনাত আছে বুলি ক’লে ভুল নহ’ব। কৈলাসৰ ফল-ফুলৰ শোভা, প্ৰথম অৰ্থাৎ শিৱৰ অনুচৰবোৰৰ বিস্ময়জনক বৰ্ণনা, নাগৰিকসকলৰ ৰূপ-যৌৱন আৰু মদন-চঞ্চল হৰ-ভাৱৰ সুন্দৰ বিৱৰণ কৈলাস বৰ্ণনাত পোৱা যায়। কিন্তু মাধৱ কন্দলী বা হৰিবৰ বিপ্ৰৰ ঘৰুৱা চিত্ৰ আৰু জতুৱা ঠাঁচ কবিৰত্ন সৰস্বতীৰ ৰচনাত বিশেষ পোৱা নাযায়।’

কবিৰত্ন সৰস্বতীয়ে মূল মহাভাৰতৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধ কাহিনীৰ আধাৰত স্বকীয় কাল্পনিক দৃষ্টিৰে কৈলাসৰ বৰ্ণনা আগবঢ়াইছে। এই বৰ্ণনা কবিৰ সৰল আৰু সৰস বৰ্ণনা। তেওঁৰ দুলড়ী ছন্দৰ প্ৰয়োগ অতি মনোৰম। উপমা আৰু চিত্ৰকল্পৰ প্ৰয়োগেৰে তেওঁ কৈলাসৰ এখনি নিখুঁত চিত্ৰ দাঙি ধৰিছে। কেতবোৰ উদাহৰণ হ’ল— ‘ফুল ভৰে ভাগে ডাল’, ‘বহয় মলয়া বাৱ’, ‘খোপা সুলকিল কুসুম খসিল’, ‘বুৰো বুৰো

কৰে তীৰ', 'কুলা হেন কাণ লৰে ঘন ঘন', 'কূপ হেন চক্ষু দুই', 'কোকিলে তেজয় ৰাৱ', 'উন্নত কঠিন ঘন পীন স্তন', 'যৌৱনৰ ভৰে চলে ধীৰে ধীৰে দুঃসহ নিতম্ব ভৰে' ইত্যাদি।

কবিৰত্ন সৰস্বতীৰ বৰ্ণনাত এটি সাৰ্থক প্ৰয়োগ হ'ল অসমৰ প্ৰাকৃতিক জগতত প্ৰাপ্ত বিভিন্ন উপকৰণৰ প্ৰয়োগ। আধাৰ গ্ৰন্থত নথকা কিন্তু অসমত প্ৰাপ্ত বিভিন্ন ফল-ফুল, চৰাই-চিৰিকটিৰ নামোল্লেখে গ্ৰন্থখনক এক গতি প্ৰদান কৰিছে। সাহিত্যত সমকালীন সমাজ জীৱনৰ চিত্ৰ তথা অসমত প্ৰাপ্ত প্ৰাকৃতিক উপকৰণসমূহৰ প্ৰয়োগৰ বাট কাটি দিছে। কবিজনাৰ বৰ্ণনাত অসমত প্ৰাপ্ত ফল-ফুল, চৰাই-চিৰিকটি আদিৰ নাম পোৱা যায়। যেনে—

ফল-মূল ঃ আম, কল, কমলা, গুৱা, চাম, জাম, তাল, নাৰিকল, পনিয়ল, লেতেকু, সঁফুৰা, কণ্টকি (কঠাল), জৰা, দাড়িম্ব (ডালিম) ইত্যাদি।

ফুল ঃ কমল, কদম্ব, কেতেকী, চম্পা, কনক, জয়ন্তী, জাঁই, তগৰ, নাগেশ্বৰ, নেৱালী, পাৰিজাত, বকুল, বন্দুলি, মদাৰ, মালতী, মালী, সেৱালী, সেউতি, শিৰীষ আদি।

চৰাই ঃ কোকিল (কুলি), হংস (হাঁহ), চক্ৰবাক (চাকৈ চকোৱা)

পতংগ ঃ ভ্ৰমৰ (ভোমোৰা) ইত্যাদি।

এনেদৰে থলুৱা ফল-ফুল, চৰাই-চিৰিকতি আদিৰ বৰ্ণনাৰে কবিয়ে কাব্যখনক অসমীয়াৰ আপোন কৰাৰ চেষ্টা কৰিছে। কাব্যাংশত প্ৰয়োগ হোৱা ঘৰুৱা উপমাৰ চিত্ৰ সংখ্যাত তাকৰ যদিও গভীৰ অৰ্থব্যঞ্জক। অৱশ্যে সম্পূৰ্ণ কাব্যখনৰ পাঠ উদ্ধাৰ হ'লে এই ধাৰণাৰ পৰিৱৰ্তন হ'ব পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) কবিৰত্ন সৰস্বতীৰ 'জয়দ্ৰথ বধ' কাব্যখনৰ পাঠ ক'ত পোৱা গৈছে? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

.........................................................................................................

.........................................................................................................

.........................................................................................................

### ২.৪.৩ ৰুদ্ৰ কন্দলি

প্ৰাক্-শংকৰী যুগৰ কবিৰত্ন সৰস্বতীৰ সমসাময়িক আন এজন কবি হ'ল ৰুদ্ৰ কন্দলি। এওঁৰ পৃষ্ঠপোষক ৰজা হ'ল শ্ৰীমন্ত তাম্ৰধ্বজ। তাম্ৰধ্বজ আছিল গৌড়েশ্বৰ ধৰ্মনাৰায়ণৰ পুতেক। ধৰ্মনাৰায়ণ কামেশ্বৰ দুৰ্লভনাৰায়ণৰ সমসাময়িক আৰু প্ৰতিদ্বন্দ্বী আছিল। উল্লেখ্য যে, কমতাপুৰ ৰাজ্যৰ পূৱ অংশত দুৰ্লভনাৰায়ণে শাসন কৰিছিল আৰু 'কমতেশ্বৰ' উপাধি ধাৰণ কৰিছিল। আনহাতে, কমতাপুৰৰ পশ্চিম অংশত ধৰ্মনাৰায়ণে ৰাজত্ব কৰিছিল আৰু 'গৌড়েশ্বৰ' উপাধি ধাৰণ কৰিছিল। ধৰ্মনাৰায়ণৰ পুত্ৰ তাম্ৰধ্বজ দুৰ্লভনাৰায়ণৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ সমসাময়িক আছিল। এওঁৰ সময় হ'ল চতুৰ্দশ শতিকা।

ৰুদ্ৰ কন্দলিয়ে মহাভাৰতৰ ‘দ্ৰোণপৰ্ব’ৰ ‘জয়দ্ৰথ বধ’ উপপৰ্বৰ ভিতৰুৱা শিনিপুত্ৰ সাত্যকিৰ যুদ্ধযাত্ৰা আৰু বীৰত্বব্যঞ্জক কাহিনীৰ বৰ্ণনাৰে ‘সাত্যকি প্ৰৱেশ’ কাব্যখনি ৰচনা কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে, ‘ৰুদ্ৰ কন্দলিয়ে মূল মহাভাৰতৰ বিৱৰণ স্থান বিশেষে চমুৱাইছে, স্থান বিশেষে বহলাইছে আৰু স্থান বিশেষে মূলক সম্পূৰ্ণ অনুসৰণ কৰিছে। অনুবাদখিনি যুদ্ধৰ বিৱৰণেৰে পৰিপূৰ্ণ, বৈষ্ণৱ যুগৰ বধকাব্যৰ যুদ্ধৰ বিৱৰণৰ লগত ৰীতিগত সাদৃশ্য দেখা যায়। চৰিত্ৰ সৃষ্টি আৰু যুদ্ধৰ বিৱৰণৰ বাহিৰে অন্য পৰিস্থিতি বা পৰিবেশ ৰচনাৰ কোনো অৱকাশ কাব্যখনত নাই। মানৱ মনৰ বিভিন্ন অৱস্থাত হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বিশেষ আভাস নাপাওঁ, কিন্তু যুদ্ধৰ বিৱৰণ দিয়াত ক্ষমতা নথকা নহয়। ঠায়ে ঠায়ে অৱশ্যে ঘৰুৱা উপমা বা চিত্ৰ সংযোজনা কৰি পাঠকৰ হৃদয়গ্ৰাহ্য কৰিবলৈ সক্ষম হৈছে।’ তলত কেতবোৰ উদাহৰণ দাঙি ধৰা হ’ল—

‘বতাসে ভাঙয় যেন বৃক্ষ চম্পকৰ’,
‘লালছিঙা পদ্ম যেনে কৰয় পটোৱাৰ’,
‘কেটেলা পশুৰ যেন ভৈলা কলেৱৰ’,
‘পিম্পৰাৰ দল যেন দিল পটোৱাৰ’,
‘সুপুত সিংহক যেন জগাইল চৰণে’,
‘যেন দৰিদ্ৰৰ বাঞ্ছা মনত লুকাই’,
‘যেন অগনিক লাগি পতঙ্গক ধৰি’,
‘সাগৰে খলকে যেন মগৰে আউৰাইল’,
‘বাঘৰ আগত যেন মৃগৰ ছৱাল’ ইত্যাদি।

কাব্যখনিত কবিয়ে সুৰুঙা পালে উপমা আদি অলংকাৰ প্ৰয়োগ কৰিছিল। যথা—

উপমা ঃ ‘ভাস্কৰক ঢাকে যেন বাৰিষাৰ মেঘে।’
ৰূপক ঃ ‘যমদণ্ড সম শৰ গুণত সুৰিলা।’
উৎপ্ৰেক্ষা ঃ বাঘৰ আঘত যেন মৃগৰ ছৱাল।
পতঙ্গক ভুঞ্জে যেন যিভুক্ষিত ব্যাল।।
নিদৰ্শনা ঃ ‘সুপুত সিংহক যেন জগাইল চৰণে’
সমাসোক্তি ঃ ‘পৃথিৱীয়ো খলকিল সাগৰ কম্পিল।’
বিষম ঃ ‘সৰ্পক দেখিয়া যেন গৰুড় কাম্পন্ত।’

কাব্যখনিৰ ভাষাত দেখিবলৈ পোৱা ব্যাকৰণগত বৈশিষ্ট্যখিনিও গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু অনুকাৰ শব্দৰ ব্যৱহাৰ কাব্যখনিত দেখিবলৈ পোৱা যায়। যেনে—

নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ -পাট (শৰপাট)
-খান (ধনুখান), -গোট (হস্তীগোট)
-জালে (শৰজালে) ইত্যাদি।
অনুকাৰ শব্দ ঃ গিৰ্‌গিৰ্‌।

কাব্যখনিৰ ভাষাগত দিশত আন এটি উল্লেখযোগ্য দিশ হ'ল— প্ৰত্যয়ান্ত অতীত কৃদন্ত পদৰ প্ৰয়োগ। যেনে—

'-ইলা' প্ৰত্যয়ান্ত অতীত কালৰ কৃদন্ত বিশেষণ—
'খেপিয়া পঠাইলা তাক মাৰিবাক মনে'
'-ইবা' প্ৰত্যয়ান্ত অতীত কৃদন্ত পদ—
প্ৰজা মাৰিবাৰ ফলে কৌৰৱ নৃপতি।
পুত্ৰ পৌত্ৰ মৰিয়া যাইবেক অধোগতি।।

কাব্যখনিত দেখা পোৱা আন কেতবোৰ ভাষাগত নিদৰ্শন—

স্বৰভক্তি ঃ পৰাণ (প্ৰাণ)
পাঞ্চালৰ সাৰথিৰ লৈলন্ত পৰাণ।

সৰ্বনাম ঃ আমি, আমাক, আহাক, তান, তাৰ, তযু, তাসম্বাক, মই, মোৰ ইত্যাদি।

ক্ৰিয়া বিশেষণ ঃ দুনাই চুনাই, নিতে নিতে, মনে মনে ইত্যাদি।

বহুবচন ঃ গণ, জাক, সব আদি।

## ২.৪.৪ হৰিবৰ বিপ্ৰ

প্ৰাক্-শংকৰী যুগৰ এজন উল্লেখযোগ্য কবি হ'ল হৰিবৰ বিপ্ৰ। এই যুগৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলিৰ পিছতে হৰিবৰ বিপ্ৰৰ স্থান। এওঁ কমতাৰ ৰজা দুৰ্লভ নাৰায়ণৰ অনুপ্ৰেৰণাতে সাহিত্য চৰ্চা কৰিছিল। দুৰ্লভ নাৰায়ণৰ সময় সম্পৰ্কে হেম সৰস্বতীৰ প্ৰসংগত আলোচনা কৰি অহা হৈছে। মহেশ্বৰ নেওগে এইজনা দুৰ্লভ নাৰায়ণৰ উপৰি দ্বিতীয় এজন দুৰ্লভ নাৰায়ণৰ কথা তেওঁৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনত উল্লেখ কৰিছে। এইজনাৰ সময় পঞ্চদশ আৰু ষোড়শৰ শতিকাৰ দোমোজাত বুলি উল্লেখ কৰিছে। এইজনা দুৰ্লভ নাৰায়ণৰ অস্তিত্ব গুৰুচৰিত কথাত উল্লেখ আছে। গুৰুচৰিতৰ উৎসৰ আঁত ধৰিয়ে নেওগে এই মন্তব্য কৰিছে।

হৰিবৰ বিপ্ৰৰ নামত তিনিখন কাব্য পোৱা যায়। 'লৱ কুশৰ যুদ্ধ', 'বব্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ'। তিনিওখন কাব্যগ্ৰন্থৰ আধাৰ গ্ৰন্থ হ'ল 'জৈমিনীয়াশ্বমেধ'। ৰামচন্দ্ৰৰ লগত পুত্ৰ লৱ-কুশৰ যুদ্ধৰ বৰ্ণনাই হ'ল 'লৱ-কুশৰ যুদ্ধ' কাব্যখনৰ মূল কাহিনী। বাকী দুখন কাব্য যুধিষ্ঠিৰৰ অশ্বমেধ ঘোঁৰাৰ অনুসৰণ কৰোঁতে ঘটনা ঘটনাৰ আলমত ৰচিত। ঘোঁৰাৰ অনুসৰণত যাওঁতে পাণ্ডৱবীৰ অৰ্জুনৰ তেওঁৰে পুত্ৰ বব্ৰুবাহনৰ লগত মণিপুৰত হোৱা যুদ্ধৰ বৰ্ণনাই 'বব্ৰুবাহনৰ যুদ্ধ' কাব্য। মণিপুৰৰ পৰা ঘোঁৰা গৈ ময়ুৰধ্বজৰ ৰাজ্যত প্ৰৱেশ কৰে। ময়ুৰধ্বজৰ পুত্ৰ তাম্ৰধ্বজৰ লগত অৰ্জুন বাহিনীৰ যুদ্ধ হয়। ইয়াৰ আলমতে 'তাম্ৰধ্বজৰ যুদ্ধ' কাব্যখন ৰচিত। কাব্যকেইখনৰ কাহিনীভাগক অসমীয়া ৰূপ দিওঁতে কবিয়ে সততে মূলৰ বৰ্ণনাৰ লগত সংগতি ৰাখিছে, মূলৰ পৰা বৰ বিশেষ আঁতৰি যোৱা নাই; কিন্তু দেশ, কাল আৰু পাত্ৰৰ উপযোগী কৰিবলৈ স্থান বিশেষে বৰ্ণনাৰ কিছু বঢ়া-টুটা কৰিবলগা হৈছে নাইবা মূল আখ্যানক বিকৃত নকৰাকৈ বাদ দিব পৰা বিষয়ক

পৰিহাৰ কৰিছে আৰু মূলত নথকা দুই-চাৰি আযাৰ কথা সংযোগ কৰি বৰ্ণনীয় বিষয়ত ৰহন সানিছে। (সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ৩২)।

হৰিবৰ বিপ্ৰৰ কাব্যৰ ভাষাত প্ৰাক্-শংকৰী যুগৰ ভাষাৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। অতীত কৃদন্ত পদ বুজাবলৈ '-ইব' প্ৰত্যয়ৰ ব্যৱহাৰ আৰু ইয়াৰ সংযোজক স্বাৰ্থিক অনুসৰ্গ হিচাপে '-এ'ৰ ব্যৱহাৰ কাব্যকেইখনৰ ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। তদুপৰি কাব্যৰ ভাষাত উৰাৰি, বাপুতৰ, নোগোকা, তৰিবৰি-কাপৰি, আকলি, কিটাইল, শনাইবাৰ, ওছাই, পছাৰ বজান্ত, ধাৰ দিলো, পাত মলচিল আদি ভালেমান প্ৰাচীন আৰু অধুনালুপ্ত শব্দৰ ব্যৱহাৰ পোৱা যায়।

হৰিবৰ বিপ্ৰই ততেই সুবিধা পাইছে তাতে স্থানীয় ৰহন সানিছে। বব্ৰুবাহনৰ যুদ্ধত মণিপুৰ নগৰৰ বিৱৰণ প্ৰসংগত ঘৰ-বাৰী, গছ-গছনি, ফল-মূল, ঘৰৰ দেৱালৰ চিত্ৰকৰ্ম সকলোতে অসমৰ ঘৰ-বাৰী, ফল-ফুল, চৰাই-চিৰিকতিৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। ঘৰুৱা চিত্ৰৰ যোগেদি একোটা অৱস্থা বা পৰিস্থিতি দাঙি ধৰাত হৰিবৰ বিপ্ৰৰ অসামান্য দক্ষতা দেখা যায়। এই বৰ্ণনা সজীৱ কৰিবলৈ তেওঁ সততে কাব্যকেইখনত ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ আদি অতি সুন্দৰ ৰূপত প্ৰয়োগ কৰিছে। তাৰ কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

(ক) পাঞ্চে কি কৰিব পাৰে   মুধ উৰুষন্তে (লৱ কুশৰ যুদ্ধ)
(খ) ফৰিঙ্গাৰ ঝাস আহে   মৰিবাক লাই। (লৱ কুশৰ যুদ্ধ)
(গ) নখে যিবা কাৰ্য্য সিঝে   কুঠাৰ লগাস। (বব্ৰুবাহনৰ যুদ্ধ)
(ঘ) হস্তীৰো পিছলে পাৱ   সুজানে বুড়াৰে নাৱ। (বব্ৰুবাহনৰ যুদ্ধ)
(ঙ) সোনা এৰি দিলি তই   সনিয়াত গান্থি। (তাম্ৰধ্বজৰ যুদ্ধ)
(চ) দোলাত যিজনে যায়   উজনি কি ভাটী। (তাম্ৰধ্বজৰ যুদ্ধ)

কাব্যৰ বিষয়বস্তুক অধিকতৰ প্ৰাঞ্জল আৰু মনোগ্ৰাহী কৰাৰ উদ্দেশ্যে কবিয়ে উপমা, ৰূপক আদি অলংকাৰৰ সঠিক প্ৰয়োগ কৰিছে। যেনে—

**লৱ কুশৰ যুদ্ধ ঃ** (ক) বালিত নৰহে যেন অল্প বৃষ্টিজল।
(খ) গোড় কটা কল যেন পড়িলন্ত যেনি।

**বব্ৰুবাহনৰ যুদ্ধ ঃ** (ক) সি বেলাত সুবেগক সম নাহি কেৰ।
নিমাইবাৰ বেলা যেন জ্বলে দীপ ক্ষেৰ।
(খ) হৃদয়ত পৰি বীৰে দুই হাতে আটে।
বলৱন্ত নাৰী যেন বেসুৱাৰ বাটে।।

**তাম্ৰধ্বজৰ যুদ্ধ ঃ** (ক) সাগৰ বুলিয়া ঝাম্প দিলো পিয়াসত।
সিও শুকাই খালি ভৈল মোহোৰ ভাগ্যত।।
(খ) যেন পানী খোজন্তে দধিক দিলা বিধি।
(গ) হস্তীৰ আগত যেন কদলীৰ পখা।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) হৰিবৰ বিপ্ৰৰ কাব্যকেইখনৰ মূল বিষয়বস্তু কি বুলি ভাবিব পাৰি?

.................................................................................................................

.................................................................................................................

.................................................................................................................

### ২.৪.৫ মাধৱ কন্দলি

প্ৰাক্-শংকৰী যুগৰ সৰ্বশ্ৰেষ্ঠ কবিগৰাকী হ'ল মাধৱ কন্দলি। তেওঁ বৰাহী ৰজা মহামানিক্যৰ পৃষ্ঠপোষকতাত সাহিত্য চৰ্চা কৰিছিল। ৰজা মহামানিক্যৰ ৰাজ্য আৰু ৰাজত্বকাল সম্পৰ্কে সঠিক ঐতিহাসিক সমল নাথাকিলেও পাৰিপাৰ্শ্বিক বিৱৰণৰ পৰা তেওঁ যে চতুৰ্দশ শতিকাৰ ৰজা আছিল বুলি সিদ্ধান্ত কৰিব পাৰি।

মাধৱ কন্দলিৰ সাহিত্যকৃতি হ'ল 'সপ্তকাণ্ড ৰামায়ণ'। উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণৰ ভিতৰত এই ৰামায়ণখনে প্ৰাচীনতম। কন্দলিয়ে মূল বাল্মিকী ৰামায়ণৰ কাহিনী ভাগ লৈ সংযোজন বিয়োজন ঘটাই এই কাব্যখনি ৰচনা কৰিছে। কবিয়ে নিজে কাব্যখনত ৰামায়ণৰ সাতটা কাণ্ড ৰচনা কৰা বুলি উল্লেখ কৰিছে— "সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবিন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধতে"। কিন্তু কন্দলি ৰামায়ণৰ পাঁচটা কাণ্ডহে পোৱা গৈছে, আদিকাণ্ড আৰু উত্তৰাকাণ্ড পাবলৈ নাই। পৰৱৰ্তী সময়ত মাধৱদেৱে আদিকাণ্ড আৰু শংকৰদেৱে উত্তৰাকাণ্ড ৰচনা কৰি সংযোগ কৰে। মাধৱ কন্দলিৰ ভণিতা থকা 'দেৱজিৎ' নামৰ আন এখনি কাব্যগ্ৰন্থ পোৱা যায়। কিন্তু কাব্যখনৰ ভাষা, অলংকাৰ, ছন্দ প্ৰয়োগ আদিয়ে এই কাব্যখন মাধৱ কন্দলিৰ ৰচনা বুলি সন্দেহ হয়।

'ৰামায়ণ'খন অসমীয়া সাহিত্যৰ এখনি অনুপম গ্ৰন্থ। এই কাব্যগ্ৰন্থখনৰ মাজেৰে কন্দলিয়ে অসমীয়া ভাষাক এক মৰ্যাদা সম্পন্ন সাহিত্যিক ভাষা হিচাপে প্ৰতিষ্ঠা কৰিছে। অসমীয়া ভাষাৰে যে সকলো ভাৱ, চিন্তা, চিত্ৰ, পৰিবেশ বৰ্ণনা কৰিব পাৰি তাক কাব্যখনৰ মাজেৰে কন্দলিয়ে প্ৰমাণ কৰি দেখুৱাইছে। কন্দলিৰ অনুবাদ ৰীতি আছিল 'লম্ভা পৰিহৰি সাৰোদ্ধতে।' কিন্তু সেইবুলি প্ৰয়োজনীয় ঘটনা বা বিৱৰণ সংক্ষিপ্ত কৰি তেওঁ কাব্যখনৰ সৌন্দৰ্য হানি কৰা নাই। আখ্যান, ঘটনা, পৰম্পৰা আৰু পৰিবেশৰ সৌন্দৰ্য আৰু স্বকীয়তা বজাই ৰাখিবলৈ যিখিনি বৰ্ণনাৰ দৰকাৰ তাক তেওঁ কৰিছে। মূল কাব্যৰ ভাৱানুবাদ কৰি দৰকাৰ অনুযায়ী নিজা সংযোজন ঘটাই তেওঁ কাব্যখন এখন উৎকৃষ্ট গ্ৰন্থ হিচাপে প্ৰতিষ্ঠা কৰিছে।

পৰিবেশ বা অৱস্থা চিত্ৰণত, নৈসৰ্গিক শোভা বৰ্ণনাত, বীৰ হাস্য কৰুণাদি ৰস সৃষ্টিত কন্দলিয়ে যথেষ্ট দক্ষতা প্ৰকাশ কৰিছে। চতুৰ্দশ শতিকাৰ অসমীয়া সমাজৰ চিত্ৰ তেওঁৰ এই কাব্যখনত সুন্দৰ ৰূপত চিত্ৰিত হোৱা দেখিবলৈ পোৱা যায়। বিভিন্ন অলংকাৰ প্ৰয়োগৰ যোগেদি কবিয়ে এই চিত্ৰসমূহ সুন্দৰ ৰূপত দাঙি ধৰিছে। একো একোটা পৰিস্থিতি বুজাবলৈ তেওঁ এটাৰ পিছত এটাকৈ ধাৰাবাহিক উপমা, ৰূপক বা উৎপ্ৰেক্ষাদি অলংকাৰ প্ৰয়োগ কৰা দেখা যায়।

কন্দলিৰ 'ৰামায়ণ' ৰচনাৰ আন এটা বিশেষ বৈশিষ্ট্য হ'ল তেওঁৰ শব্দচয়ন আৰু শব্দ প্রয়োগ। সংস্কৃত বা তৎসম শব্দৰ লগতে তদ্ভৱ, অর্ধতৎসম আৰু দেশী শব্দৰ প্রয়োগেৰে তেওঁ এই শক্তিশালী সৌষ্ঠৱপূর্ণ ৰচনা সৃষ্টি কৰিছিল।

কন্দলিৰ 'ৰামায়ণ'ৰ ভাষাৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল বিশেষণৰ সুপ্রয়োগ। এই বিশেষণৰ প্রয়োগে তেওঁৰ যে শব্দৰ ওপৰত যথেষ্ট প্রতিপত্তি আছিল তাকে প্রমাণ কৰে।

কন্দলিৰ 'ৰামায়ণ'ৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ঘৰুৱা উপমা আৰু চিত্ৰৰ প্রয়োগ। ইয়াৰ প্রয়োগৰ দ্বাৰা এটি বর্ণনাক তেওঁ জীৱন্ত কৰি তুলিছিল। যেনে—

(ক) খৰলগা ধান যেন বৰিষণ জলে
(খ) বিচিবান বুইলো যেন উখৰা ভূমিত
(গ) অলৰ পানীৰ মাছ দদৰা দদৰি
(ঘ) নিশ্বাস ফোকাৰে যেনে ঠঠাৰি ভাটি
(ঙ) ৰোজাৰ ওপৰে যেন শাক পটন্তৰ
(চ) তপত খোলাত মাছ কৰে যেন মত
(ছ) লংকাপুৰিখন কাঁস পৰি জিম গৈল, ইত্যাদি।

(মাধৱ কন্দলিৰ 'ৰামায়ণ' সম্পর্কে এই খণ্ডৰে পঞ্চম বিভাগটিত বিস্তৃতভাৱে আলোচনা আগবঢ়োৱা হৈছে। এয়েহে ইয়াত বহলভাৱে আলোচনা কৰা হোৱা নাই।)

**আত্মমূল্যায়ন প্রশ্ন**

(১) প্রাক্-শংকৰী যুগৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলিক কিয় শ্রেষ্ঠ বুলি কোৱা হয়?

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৫ সাৰাংশ (Summing Up)

প্রাক্-শংকৰী যুগৰ পাঁচোজন কবিয়ে সমসাময়িক ৰজাসকলৰ অনুপ্রেৰণাত সাহিত্য চর্চা কৰিছিল। হেম সৰস্বতী, কবিৰত্ন সৰস্বতী আৰু হৰিবৰ বিপ্রই কমতাপুৰৰ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। ৰুদ্র কন্দলিয়ে গোড়েশ্বৰ তাম্রধ্বজৰ অনুপ্রেৰণাত সাহিত্য চর্চা কৰিছিল। আনহাতে, মাধৱ কন্দলিয়ে বৰাহী ৰজা মহামানিক্যৰ অনুপ্রেৰণাত ৰামায়ণখনি ৰচনা কৰিছিল। এই কবিসকলৰ হাততে বিশুদ্ধ অসমীয়া সাহিত্যৰ শুভাৰম্ভ ঘটে। অসমীয়া ভাষা পূর্ণাংগ সাহিত্যিক ভাষা হিচাপে প্রতিষ্ঠিত হয়। সেই সময়ৰ মাধৱ কন্দলিৰ হাততে ৰামায়ণ ৰূপত অসমীয়া সাহিত্যৰ সর্বতোকালৰ শ্রেষ্ঠ গ্রন্থখন ৰচিত হয়। ছন্দ, অলংকাৰ, লোক-ভাষা, প্রবচন, তৎসম, অর্ধতৎসম, তদ্ভৱ আদি শব্দৰ প্রয়োগেৰে কবিসকলে অসমীয়া ভাষাক সকলো ভাৱৰ বাহক হিচাপে প্রতিষ্ঠিত কৰিছে।

## ২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। ৰাজপৃষ্ঠপোষকতা মানে কি? ৰাজপৃষ্ঠপোষকতাই প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিস্তাৰত কিদৰে প্ৰভাৱ পেলাইছে আলোচনা কৰক।

২। সাহিত্য চৰ্চাই কেনেদৰে ভাষাৰ বিকাশত প্ৰভাৱ পেলাই আলোচনা কৰক।

৩। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনৰ বিষয়ে এটি টোকা লিখক।

৪। কমতাপুৰৰ ৰাজপৃষ্ঠপোষকতা লাভ কৰা কবিসকলৰ সাহিত্য কৰ্মৰ বিষয়ে আলোচনা কৰক।

৫। হৰিবৰ বিপ্ৰৰ কাব্যৰ বৈশিষ্ট্য সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

৬। কি কি বৈশিষ্ট্যৰ বাবে মাধৱ কন্দলিক প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি বুলি কোৱা হয়?

## ২.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ গোস্বামী ঃ অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ, মণিমানিক প্ৰকাশ, ২০১৮।

বিশ্বেশ্বৰ হাজৰিকা (সম্পা) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (১ম খণ্ড), আবিলাক, ২০১৬।

মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, ২০১৯।

সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, ২০১৮।


* * *

## তৃতীয় বিভাগ
# অসমীয়া ভাষাত পুৰাণ-মহাকাব্যৰ পুনর্সৃষ্টি

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ অসমীয়া ভাষাত পুৰাণৰ পুনর্সৃষ্টি
 ৩.৩.১ অনুবাদমূলক
 ৩.৩.২ কাব্য
 ৩.৩.৩ নাট
 ৩.৩.৪ গীত আৰু নাম-প্ৰসংগ সম্বন্ধীয় গ্ৰন্থ
 ৩.৩.৫ লোক-সাহিত্য, প্ৰবচন, খণ্ডবাক্য আৰু মন্ত্ৰপুথি
৩.৪ অসমীয়া ভাষাত মহাকাব্যৰ পুনর্সৃষ্টি
 ৩.৪.১ অসমীয়া ভাষাত 'ৰামায়ণ'ৰ পুনর্সৃষ্টি
 ৩.৪.২ অসমীয়া ভাষাত 'মহাভাৰত'ৰ পুনর্সৃষ্টি
৩.৫ সাৰাংশ (Summing Up)
৩.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

## ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণত ৰাজবংশৰ ভূমিকাৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিৰ আলোচ্য বিষয় হ'ল অসমীয়া ভাষাত পুৰাণ, মহাকাব্যৰ পুনৰ-সৃষ্টি।

সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মৌখিক সাহিত্যৰ প্ৰচলন আছিল। পৰৱৰ্তী সময়তহে লিখিত সাহিত্যৰ পৰম্পৰা আৰম্ভ হয়। অসমীয়া সাহিত্যও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। আৰম্ভণি সময়ৰ অসমীয়া লিখিত সাহিত্যৰ বিষয়বস্তু আছিল মূলতঃ ধৰ্মীয়। সংস্কৃতৰ বিভিন্ন ধৰ্ম বিষয়ক পুৰাণ, মহাকাব্য আদিৰ বিষবস্তুক লৈ সাহিত্যৰ সৃষ্টি হৈছিল। সেয়েহে এই সময়ছোৱাৰ সাহিত্যৰাজিক পুৰাণ, মহাকাব্যৰ পুনৰ সৃষ্টি বুলি ক'ব পাৰি। এই বিভাগটিত পুৰাণ, মহাকাব্যৰ আধাৰত সৃষ্টি হোৱা বিভিন্ন শ্ৰেণীৰ অসমীয়া সাহিত্যৰ এটি পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া ভাষাত পুৰাণৰ পুনসৃষ্টিৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব,
- পুৰাণৰ পুনসৃষ্টি প্ৰসংগত অসমীয়া সাহিত্যত বিভিন্ন শিতানত সৃষ্টি হোৱা সাহিত্যিক ধাৰা বিলাকৰ লগত পৰিচিত হ'ব পাৰিব,

- ৰামায়ণ মহাভাৰতৰ বিষয়বস্তুক লৈ ৰচিত অসমীয়া সাহিত্যৰাজিৰ বিষয়ে জানিব পাৰিব।

**৩.৩ অসমীয়া ভাষাত পুৰাণৰ পুনৰ্সৃষ্টি**

ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ দৰে অসমতো পুৰাণ বা পুৰাণকেন্দ্ৰিক সাহিত্য অতি জনপ্ৰিয়, সমাদৃত। প্ৰাক্-শংকৰী যুগৰে পৰা অসমীয়া সাহিত্যত পুৰাণৰ অনুবাদৰ ধাৰা প্ৰৱাহিত হৈ বৰ্তমানলৈকে চলি আছে। অসমীয়া পুৰাণ সাহিত্যৰ ধাৰা প্ৰধানত দুটা। প্ৰথমটো হ'ল— পুৰাণৰ অনুবাদৰ ধাৰা আৰু দ্বিতীয়টো হ'ল— কাব্য, খণ্ডকাব্যৰ ৰূপ লৈ উঠা পুৰাণৰ অভিযোজিত ৰচনাৰ ধাৰা। ইয়াৰে দ্বিতীয় ধাৰাটোৰ ভিতৰত কাব্য, নাট, গীত, নাম-প্ৰসংগৰ উপযোগী ৰচনা, ইত্যাদি উল্লেখযোগ্য। আলোচনাৰ সুবিধাৰ্থে অসমীয়া ভাষাত পুৰাণৰ পুনৰ্সৃষ্টি কেইটামান ভাগত ভগাই ল'ব পাৰি। যথা— (১) অনুবাদমূলক, (২) কাব্য, (৩) নাট, (৪) গীত আৰু নাম-প্ৰসংগ সম্বন্ধীয়, (৫) লোকসাহিত্য, প্ৰবচন খণ্ডবাক্য আৰু মন্ত্ৰপুথি।

**৩.৩.১ অনুবাদমূলক**

অসমীয়া ভাষাত বৰ্তমানলৈকে 'ভাগৱত পুৰাণ', 'বিষ্ণুপুৰাণ', 'পদ্মপুৰাণ', 'ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ', 'মাৰ্কণ্ডেয় পুৰাণ', 'বৃহন্নাৰদীয় পুৰাণ', 'ধৰ্মপুৰাণ', 'কল্কিপুৰাণ' আৰু 'হৰিবংশ'ৰ অনুবাদ পোৱা গৈছে। এই পুৰাণসমূহৰ বেছিভাগৰেই অনুবাদ অসম্পূৰ্ণ। পুৰাণসমূহৰ অনুবাদকসকলৰ এটা ঘাই বৈশিষ্ট্য হৈছে যে, তেওঁলোকে মূলৰ আৱশ্যকীয় কথাবোৰ অনুবাদ কৰি জটিল বা আৱশ্যকবোধ নোহোৱা কথাবোৰ এৰাই চলিছিল। যুদ্ধ বিগ্ৰহ, প্ৰাকৃতিক দৃশ্য, ভগৱানৰ ৰূপ, বৈষ্ণৱ ধৰ্মৰ মহিমা প্ৰচাৰৰ কথা বাহুল্যকৈ বৰ্ণনা কৰাটো অনুদিত পুৰাণসমূহৰ বৈশিষ্ট্য।

**ভাগৱত পুৰাণ ঃ** ওঠৰখন প্ৰধান পুৰাণৰ ভিতৰত 'ভাগৱত পুৰাণে'ই অসমত প্ৰধানভাৱে প্ৰচলিত আৰু এইখন পুৰাণৰ সমলৰ ভিত্তিত সৃষ্ট পুৰণি সাহিত্যত পৰিমাণো সৰ্বাধিক। তদুপৰি 'ভাগৱত'ৰ মূল তত্ত্বৰ আধাৰটো অসমত 'এক শৰণ নামধৰ্ম'ৰ প্ৰচলনত হৈছিল। অতীজৰে পৰা 'ভাগৱত'ৰ তত্ত্ব আৰু কথাবস্তুৰে অসমীয়া সমাজ জীৱনত ব্যাপকভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'ভাগৱত'ৰ বাৰটা স্কন্ধৰ ভিতৰত প্ৰথম, দ্বিতীয়, একাদশ আৰু দ্বাদশ স্কন্ধৰ সম্পূৰ্ণ অনুবাদ কৰে। তৃতীয় স্কন্ধ গোপালচৰণ দ্বিজে, চতুৰ্থ স্কন্ধ জয়ৰামে, কলাপচন্দ্ৰ দ্বিজে, বিষ্ণু ভাৰতীয়ে আৰু গোপাল দ্বিজে; পঞ্চম স্কন্ধ অনিৰুদ্ধদেৱে, ষষ্ঠ স্কন্ধ শংকৰদেৱ আৰু অনন্ত কন্দলীয়ে, সপ্তম স্কন্ধ কেশৱচৰণে (কেশৱ কায়স্থই), অষ্টম স্কন্ধ শংকৰদেৱ, গোপালচৰণ, কেশৱচৰণ আৰু কমললোচনে, নৱম স্কন্ধ কেশৱচৰণে আৰু দশম স্কন্ধত আদিছোৱা শংকৰদেৱে, মধ্য আৰু শেষছোৱা অনন্ত কন্দলীয়ে অনুবাদ কৰে। অসমীয়া ভাষাত 'ভাগৱত' অনুবাদৰ যি প্ৰেৰণা, তাৰ

মূল উৎস আছিল ভগৱন্ত ভক্তিৰ ধাৰণা। 'ভাগৱত'ৰ অনুবাদত মূলৰ তথ্যপূৰ্ণ আলোচনাৰ লগতে সৰস কবিত্বপূৰ্ণ বৰ্ণনাৰ সমাৱেশ ঘটা দেখা যায়। উল্লেখযোগ্য কাব্য অনুবাদৰ লগতে যোড়শ শতিকাত ভট্টদেৱে অসমীয়া গদ্যভাষাত ভাগৱতৰ অনুবাদ কৰে আৰু অসমীয়া গদ্য-সাহিত্যৰ ভেঁটি প্ৰতিষ্ঠিত কৰে।

**বিষ্ণুপুৰাণ** ঃ 'ভাগৱত পুৰাণ'ৰ পাছতে অসমীয়া ভাষালৈ অনুবাদ হোৱা উল্লেখযোগ্য পুৰাণখন হ'ল 'বিষ্ণুপুৰাণ'। খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ আদি ভাগত ভাগৱত মিশ্ৰই এই বিষ্ণুপুৰাণখন অসমীয়ালৈ অনুবাদ কৰে। অনুবাদক মিশ্ৰ দামোদৰদেৱৰ শিষ্য আছিল বুলি জনা যায়। এই গ্ৰন্থখনিৰ সম্পূৰ্ণ অনুবাদ উদ্ধাৰ হোৱা নাই। পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থত গ্ৰন্থখনিৰ অংশবিশেষ পোৱা যায়। এই বৈষ্ণৱ পুৰাণখনৰ অনুবাদৰ ক্ষেত্ৰত আৰু দুজন কবিৰ নাম পোৱা যায়। তেওঁলোক হ'ল— কালিদাস আৰু পৰশুৰাম দ্বিজ। ইয়াৰে কালিদাসৰ পৰিচয় তথা তেওঁৰ সময়ৰ বিষয়ে নিশ্চিতকৈ জনা নাযায়। কালিদাসে বিষ্ণুপুৰাণৰ অন্তৰ্গত 'যম-গীতা' খণ্ড অনুবাদ কৰিছে। উল্লেখযোগ্য যে 'যম-গীতা' খণ্ডৰ ভাষা কামৰূপী। সম্পূৰ্ণ 'বিষ্ণুপুৰাণ'খন অনুবাদ কৰে পৰশুৰাম দ্বিজ নামৰ এজন কবিয়ে। এওঁ ১৮৩৬ খ্ৰীষ্টাব্দত চন্দ্ৰসেন নামৰ এজন ব্যাসৰ অনুপ্ৰেৰণাত 'বিষ্ণুপুৰাণ'খন অনুবাদ কৰিছিল বুলি জনা যায়। কাব্যিক দৃষ্টিকোণেৰে বিচাৰ কৰিলে পুৰাণখনৰ অনুবাদ ৰীতিৰ আসোঁৱাহ ধৰা পৰে যদিও অসমীয়া ভাষাত ৰচিত এইখনেই হৈছে একেজন কবিৰ হাতত ৰূপ পোৱা এখন মহাপুৰাণৰ সামগ্ৰিক অনুবাদ গ্ৰন্থ।

**ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ ঃ** আহোম যুগৰ শেষৰফালে কেইবাজনো কবিয়ে 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ'ৰ পদ অনুবাদ কৰে। 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ' আপেক্ষিকভাৱে এখন অৰ্বাচীন শাস্ত্ৰ। খ্ৰীষ্টীয় একাদশ-দ্বাদশ শতিকামানত এই গ্ৰন্থ ৰচনা কৰা হয় বুলি পণ্ডিতসকলে অভিমত প্ৰকাশ কৰিছে। অসমীয়া ভাষাত ৰচনা কৰা 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ' ৰাজপৃষ্ঠপোষকতাত ৰচিত কাব্য। কবিৰাজ চক্ৰৱৰ্তী, বলৰাম দ্বিজ, দুৰ্গেশ্বৰ দ্বিজ, ৰতিকান্ত দ্বিজ, নন্দেশ্বৰ দ্বিজ আৰু খৰ্গেশ্বৰ দ্বিজ— এই কেইগৰাকী কবিয়ে 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ'ৰ অসমীয়া ভাঙনি কৰিছে। আহোম ৰজা শিৱসিংহ আৰু ৰাণী প্ৰমথেশ্বৰীৰ আজ্ঞাত কবিৰাজ চক্ৰৱৰ্তীয়ে পোনপ্ৰথমবাৰৰ বাবে 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ'ৰ অনুবাদ কৰে। অৱশ্যে কবিৰাজ চক্ৰৱৰ্তীয়ে পুৰাণখনৰ সম্পূৰ্ণ অনুবাদ কৰা নাই, কেৱল 'কৃষ্ণজন্ম খণ্ড'হে অনুবাদ কৰিছে। কৃষ্ণজন্ম খণ্ডটিৰ অনুবাদত কবিৰাজ চক্ৰৱৰ্তীয়ে মূলৰ কোনো কথা বাদ দিয়া নাই। এই অনুবাদ একপ্ৰকাৰৰ মূলৰ অবিকল অনুবাদ। কিন্তু এনে হ'লেও কবিৰ অনুবাদ কৰ্মত কাব্যিক সৌন্দৰ্য হ্ৰাস পোৱা নাই। ৰাধা-কৃষ্ণৰ প্ৰেমৰ চিত্ৰ আৰু ৰাসলীলাৰ বৰ্ণনাৰ মাজত কবিৰ কামোদ্দীপক প্ৰেম-চিত্ৰৰ ৰূপায়ণ শক্তি বিশেষভাৱে পৰিলক্ষিত হয়। 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ' অসমীয়ালৈ অনুবাদ কৰা কবি বলৰাম দ্বিজ খ্ৰীষ্টীয় অষ্টাদশ শতিকাৰ শেষ

ভাগৰ লোক আছিল। এওঁ পুৰাণখনৰ কৃষ্ণজন্ম খণ্ডটিহে অনুবাদ কৰিছে। বলৰাম দ্বিজৰ অনুবাদত মূল পুৰাণৰ ৮৩ অধ্যায়ৰ পৰা ১১০ অধ্যায়ৰ ভিতৰত থকা কথাবস্তুৱে স্থান পাইছে। আন এগৰাকী কবি দুৰ্গেশ্বৰ দ্বিজে ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ দ্বিতীয় খণ্ডটি অনুবাদ কৰিছে। এওঁৰ ৰচনা কাব্যিক গুণেৰে ভৰপুৰ। আহোম ৰজা ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালকে অৰ্থাৎ ১৭৫১ৰ পৰা ১৭৬৯ খ্ৰীষ্টাব্দলৈ দুৰ্গেশ্বৰ দ্বিজৰ সময় বুলি ধৰা হৈছে।

পৰৱৰ্তীকালত দৰঙৰ ৰজা হৰ নাৰায়ণৰ আজ্ঞাত ৰতিকান্ত দ্বিজ, নন্দেশ্বৰ দ্বিজ, নৰোত্তম দ্বিজ আৰু খৰ্গেশ্বৰ দ্বিজ— এই চাৰিগৰাকী ব্যক্তিয়ে 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ'ৰ সম্পূৰ্ণ পদানুবাদ কৰে। এইক্ষেত্ৰত ৰতিকান্ত দ্বিজৰ অৱদান সৰ্বাধিক। তেওঁ অকলেই 'ব্ৰহ্মখণ্ড', 'গণপতি খণ্ড', 'প্ৰকৃতি খণ্ড' আৰু 'শ্ৰীকৃষ্ণ জন্মখণ্ড'ৰ কিছু অংশ অনুবাদ কৰে। আন তিনিজন কবিয়ে 'শ্ৰীকৃষ্ণ জন্ম খণ্ড'ৰ বাকী অংশহে অনুবাদ কৰিছে।

**মাৰ্কণ্ডেয় পুৰাণ ঃ** মাৰ্কণ্ডেয় নামৰ ঋষি এগৰাকীৰ নামত প্ৰচলিত 'মাৰ্কণ্ডেয় পুৰাণ' অষ্টাদশ পুৰাণৰ অন্তৰ্গত এখন প্ৰাচীন গ্ৰন্থ। এই পুৰাণত চণ্ডীদেৱীৰ মাহাত্ম্য ঘোষিত হৈছে। পীতাম্বৰ কবিয়ে এই পুৰাণৰ অংশবিশেষ 'মাৰ্কণ্ডেয় চণ্ডী' নামেৰে অনুবাদ কৰিছে। অষ্টাদশ শতিকাৰ শেষভাগত ৰুচিনাথ কন্দলীয়ে 'শ্ৰীশ্ৰীচণ্ডী' ৰচনা কৰে। 'শ্ৰীশ্ৰীচণ্ডী' অনুবাদৰ প্ৰসংগত কবি কন্দলীয়ে 'মাৰ্কণ্ডেয় পুৰাণ'ৰ অন্তৰ্গত 'চণ্ডী আখ্যান' বা 'দেৱী মাহাত্ম্য'ৰ ওপৰত নিৰ্ভৰ কৰিছে যদিও চণ্ডী কথাবৃত্তৰ পৰিপূৰ্ণতাৰ বাবে 'বামন পুৰাণ', 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ' আৰু 'কালিকা পুৰাণ'ৰ সমল সংযোগ কৰিছে। 'মাৰ্কণ্ডেয় পুৰাণ'ৰ অনুবাদকৰূপে নাম পোৱা আন দুগৰাকী কবি হ'ল— ৰঙ্গনাথ দ্বিজ আৰু মধুসূদন মিশ্ৰ।

**স্কন্দ পুৰাণ ঃ** 'স্কন্দ পুৰাণ' এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ। ইয়াত ৮১,৮০০ শ্লোক আছে। পুৰাণখন ভালেমান সংহিতাত বিভক্ত। প্ৰতিটো সংহিতাৰেই আকৌ কেইবাটিকৈ খণ্ড আছে। অসমীয়া সাহিত্যত আহোম যুগলৈকে এই 'স্কন্দ পুৰাণ'খনৰ কোনো কথাৰেই অনুবাদ হোৱা দেখা নাযায়। বোধহয় অসমত এইখন পুৰাণৰ সমাদৰ বেছিকৈ নাছিল। ৰত্নাকৰ মিশ্ৰ নামৰ এগৰাকী কবিৰ 'ব্ৰহ্মগীতা' নামৰ ৰচনাভাগ 'স্কন্দ পুৰাণ'ৰ অনুবাদ। এই অনুবাদটি 'স্কন্দ পুৰাণ'ৰ সূত-সংহিতাৰ অন্তৰ্গত কথাবস্তুৰ আলমত সম্পন্ন হৈছে।

**বৃহন্নাৰদীয় পুৰাণ ঃ** 'বৃহন্নাৰদীয় পুৰাণ' অষ্টাদশ উপপুৰাণৰ অন্যতম। এইখন বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক পুৰাণ। ভূবনেশ্বৰ বাচস্পতি নামৰ এজন কবিয়ে 'বৃহন্নাৰদীয় পুৰাণ'খনৰ সম্পূৰ্ণ অনুবাদ কৰে। কবি বাচস্পতি কছাৰী ৰজা সুৰদৰ্পনাৰায়ণ আৰু তেওঁৰ মাক চন্দ্ৰপ্ৰভাৰ আদেশ অনুসৰি এই পুৰাণখনি অনুবাদ কৰে। কবিয়ে তেওঁৰ গ্ৰন্থখনক 'নাৰদীয় কথামৃত' বুলি কৈছে যদিও ই 'বৃহন্নাৰদীয় পুৰাণ'ৰে অনুবাদ। এই পুৰাণখনৰ মাজেদি বিষ্ণুভক্তি প্ৰচাৰৰ চেষ্টা লক্ষ্য কৰা যায়। পুৰাণখনৰ ৰচনাৰ সময় ১৭০৮ ৰপৰা ১৭২১ খ্ৰীষ্টাব্দৰ মাজৰ সময়ছোৱা বুলি ধৰা হয়।

**ধৰ্মপুৰাণ ঃ** 'ধৰ্মপুৰাণ' উপপুৰাণসমূহৰ অন্তৰ্গত অন্যতম শাস্ত্ৰ। কবিচন্দ্ৰ দ্বিজ আৰু পৰশুৰাম দ্বিজ নামৰ দুজন কবিয়ে সুকীয়া সুকীয়াকৈ 'ধৰ্মপুৰাণ' পুথিখনি অনুবাদ কৰিছে।

**কল্কিপুৰাণ ঃ** 'কল্কিপুৰাণ' এখন উপপুৰাণ। এই পুৰাণত কোৱা হৈছে যে, কলিযুগৰ অন্তত বিষ্ণুৱে কল্কি অৱতাৰ ধাৰণ কৰিব আৰু বগা ঘোঁৰাত উঠি এফালৰ পৰা ম্লেছবোৰ কাটি মাৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিব। অসমীয়া ভাষাত 'কল্কি-পুৰাণ' অনুবাদকাৰীৰূপে প্ৰথমেই ৰুচিনাথ কন্দলিৰ নাম ল'ব লাগিব। এওঁৰ পূৰ্বে কোনো অসমীয়া কবিয়েই 'কল্কিপুৰাণ' অনুবাদ কৰিবলৈ প্ৰয়াস কৰা নাছিল। এইগৰাকী কবিৰ পৰৱৰ্তীকালত (খ্ৰীঃ ঊনবিংশ শতিকাৰ আদিভাগত) ঘনশ্যাম খাৰঘৰীয়া ফুকনে 'কল্কিপুৰাণ'ৰ আংশিক অনুবাদ কৰে।

**হৰিবংশ ঃ** 'হৰিবংশ' মহাভাৰতৰ উপৰঞ্চি অংশ বুলি বিশ্বাস কৰা হয়। কিন্তু পুৰাণখনৰ অন্তৰ্গত লক্ষণসমূহৰ ভিত্তিত এইখনক পুৰাণ বুলিহে অভিহিত কৰা হৈছে। এই পুৰাণৰ তিনিটা পৰ্ব— (১) হৰিবংশ পৰ্ব, (২) বিষ্ণু পৰ্ব আৰু (৩) ভৱিষ্যৎ পৰ্ব। হৰিবংশত চন্দ্ৰ-সূৰ্য আদি বিভিন্ন বংশ, কৃষ্ণৰ জীৱন-কাহিনী আৰু বিভিন্ন অৱতাৰ আদিৰ কথা সন্নিৱিষ্ট হৈছে। এইখন পুৰাণ খ্ৰীঃপূঃ চতুৰ্থ শতিকাৰ পৰা খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ ভিতৰত ৰচিত। অসমীয়া ভাষাত 'হৰিবংশ'ৰ পূৰ্ণাংগ অনুবাদ হোৱা নাই। 'হৰিবংশ'ৰ কাহিনীক লৈ বৈষ্ণৱ কবিসকলে বিভিন্ন কাব্য, পদ আদি ৰচনা কৰিছে। আহোম ৰজা ৰাজেশ্বৰ সিংহৰ দিনত কবিশেখৰ বিদ্যাচন্দ্ৰ ভট্টাচাৰ্যই হৰিবংশৰ বিষ্ণুপৰ্ব ৰচনা কৰিছে। এই ৰচনাত ৰাধাকৃষ্ণৰ বেলি বিলাসৰ চিত্ৰ বিস্তাৰিতভাৱে ৰূপায়িত হৈছে। ভবানন্দ নামেৰে আন এগৰাকী কবিয়ে ৰচনা কৰা 'হৰিবংশ' নামৰ গ্ৰন্থ এখনিও আছে। এই গ্ৰন্থত ৰাধা চৰিত্ৰৰ প্ৰাধান্য লক্ষ্য কৰা যায়।

### ৩.৩.২ কাব্য

প্ৰাক্-শংকৰী যুগৰে পৰা অসমীয়া ভাষাত বিভিন্ন পুৰাণৰ অনুবাদ কাৰ্যৰ লগতে পুৰাণৰ কাহিনীক লৈ বিবিধ কাব্য ৰচনাৰ ধাৰাও প্ৰৱাহিত হৈ আহিছে। এই শ্ৰেণীৰ কাব্যত পুৰাণৰ ক্ৰমানুগত ঘটনাপ্ৰৱাহ তুলি ধৰা আৰু কবিৰ ধৰ্মীয় আদৰ্শ প্ৰদৰ্শনত চেষ্টা সততে লক্ষ্য কৰা যায়। ইয়াৰ বিপৰীতে কলাত্মকভাৱে কাহিনী সৃষ্টিৰ চেষ্টা, চৰিত্ৰাংকনত মৌলিকতা আদি দিশবোৰত বেছিভাগ ক্ষেত্ৰতে গুৰুত্ব আৰোপ কৰা দেখা নাযায়। সেয়েহে পুৰাণৰ কাহিনী সম্বলিত এনে বহু ৰচনাক কাব্যসদৃশ ৰচনা বা খণ্ড-কাব্য বা উপাখ্যান বুলিও অভিহিত কৰিব পাৰি।

উল্লেখযোগ্য যে, অসমীয়া কাব্য সাহিত্যৰ আৰম্ভণি কালতে, প্ৰাক্-শংকৰী যুগৰ কবি হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখন 'বামন পুৰাণ' চাই ৰচনা কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান' আৰু 'ৰুক্মিণীহৰণ' কাব্যৰ বিষয়বস্তুও বিভিন্ন পুৰাণৰ

পৰা লোৱা হৈছে। এই সম্পৰ্কে ড° মহেশ্বৰ নেওগে লিখিছে— “হৰিশ্চন্দ্ৰৰ কথা মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত এটি ক্ষুদ্ৰ উপাখ্যান। শংকৰদেৱে তাকেই গোটেইখিনি পুৰাণৰ সাৰ বুলি গ্ৰহণ কৰি ‘কঠিনক ডৰে কথাৰ আশয়ে’ক প্ৰসংগ অনুসৰি কাব্যৰস সঞ্চাৰ কৰি উপাখ্যানটি সজাই তুলিছে— ‘বৈষ্ণৱৰ কৃপাৰ মহত্ত্ব’ দেখুৱাবৰ কাৰণে। ‘ৰুক্মিণীহৰণ কাব্য’ৰ মূল কাহিনীটি ‘হৰিবংশৰ’ পৰা লোৱা হৈছে; তাতে ভাগৱতৰ কথাৰো মিহলি দিয়া হৈছে।” ‘হৰিবংশ’ আৰু ‘ভাগৱত পুৰাণ’ৰ পৰা প্ৰধানভাৱে বিষয়বস্তু লৈ ৰচনা কৰা উল্লেখযোগ্য অন্যান্য কাব্যকেইখন হ’ল— পীতাম্বৰৰ ‘উষা-পৰিণয়’, মাধৱদেৱৰ ‘ৰাজসূয়-কাব্য’ আৰু অনন্ত কন্দলীৰ ‘কুমাৰ-হৰণ’ কাব্য। কলাপচন্দ্ৰ দ্বিজৰ ‘ৰাধা চৰিত’ ‘ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ’ আধাৰিত কাব্য। অৱশ্যে ইয়াত ৰাধাৰ পৰকীয়া প্ৰেমৰ পৰিৱৰ্তে কৃষ্ণভক্তিয়েহে প্ৰাধান্য পাইছে। বিষ্ণু ভাৰতী বিৰচিত ‘ধ্ৰুৱ চৰিত্ৰ’ ভাগৱতৰ আখ্যানৰ ক্ৰমিক অনুবাদ। এই কাৰ্যত পূৰ্বকবি, বিশেষকৈ শংকৰদেৱৰ বৰ্ণনাৰ অনুকৰণ স্পষ্টভাৱে দেখা যায়। দ্বিজ বিশ্বেশ্বৰে ‘স্কন্দ পুৰাণ’ৰ কাহিনীৰ আলমত ‘শ্ৰীশ্ৰীসত্যনাৰায়ণদেৱৰ পাঁচালি’ ৰচনা কৰিছে। ‘ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ’ৰ অনুবাদক, আহোম যুগৰ শ্ৰেষ্ঠ কবি কবিৰাজ চক্ৰৱৰ্তীয়ে তিনিখন কাব্য ৰচনা কৰিছে। কাব্যকেইখন হ’ল— ‘শঙ্খচূড় বধ’, ‘শকুন্তলা কাব্য’ আৰু ‘গীত-গোবিন্দ’। ইয়াৰে শঙ্খচূড় বধ আখ্যানটো ‘ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ’ৰ প্ৰকৃতি খণ্ডৰ (১৩-২১ অধ্যায়ৰ) অন্তৰ্গত। তুলসীৰ পূৰ্বজন্মৰ কথা, মানৱীৰূপে তুলসীৰ জন্ম, শঙ্খচূড়ৰ লগত বিবাহ, শঙ্খচূড়ৰ ৰূপ লৈ নাৰায়ণৰ দ্বাৰা তুলসীৰ সতীত্ব নাশ, মহাদেৱৰ লগত শঙ্খচূড়ৰ যুদ্ধ আৰু শঙ্খচূড়ৰ মৃত্যু— পুৰাণৰ অন্তৰ্গত এই ঘটনাবোৰ অসমীয়া কবিয়ে ‘শঙ্খচূড় বধ’ত কাব্যৰূপ দিবলৈ প্ৰয়াস কৰিছে। ‘শকুন্তলা কাব্য’খন কবিৰাজ চক্ৰৱৰ্তীৰ কাব্যিক প্ৰতিভাৰ বিশেষ কৃতি। কাব্যখনৰ আৰম্ভণিতে কবিয়ে মহাভাৰতৰ পৰা আখ্যানভাগ লোৱা বুলি কৈছে যদিও তেওঁৰ কাব্যত কালিদাসৰ ‘অভিজ্ঞান শকুন্তলা’ নাটকৰহে অধিক প্ৰভাৱ লক্ষ্য কৰা যায়। অৱশ্যে এই কাব্যৰ মাজত কবিৰ মৌলিকতাও ৰক্ষিত হৈছে।

এই কাব্যৰাজিৰ উপৰি অসমীয়া ভাষাত এনে কিছুসংখ্যক কাব্য ৰচিত হৈছে যিবোৰৰ কাহিনী কোনো অজ্ঞাত পুৰাণৰ পৰা লোৱা হৈছে অথবা কাব্যৰ কাহিনীৰ লগত মূল সংস্কৃত পুৰাণ কেইখনৰ কোনো পোনপটীয়া সম্পৰ্ক নাই। এনে কাব্যৰ ভিতৰত ৰাম সৰস্বতীৰ ‘ব্যাসাশ্ৰম’ উল্লেখনীয়। এই কাব্যৰ কাহিনী কেইবাখনো পুৰাণ আৰু সংহিতাৰ পৰা লোৱা বুলি কোৱা হৈছে। তদুপৰি, সাগৰখড়ি দৈৱজ্ঞই ‘কূৰ্মবলী বধ’ কাব্যত কাহিনী ‘কুমুদপুৰাণ’ নামৰ এখন অজ্ঞাত পুৰাণৰ পৰা লোৱা বুলি কাব্যত উল্লেখ কৰিছে। কোচ ৰজা ৰঘুদেৱৰ পুত্ৰ মধুনাৰায়ণ ৰাজকুমাৰে ‘অগ্নিপুৰাণ’ নামৰ এখন কাব্য ৰচনা কৰা বুলি ড° সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখ কৰিছে। কাব্যখনৰ নাম ‘অগ্নিপুৰাণ’ হ’লেও ইয়াৰ অন্তৰ্গত কথাবস্তু কিন্তু অগ্নিপুৰাণত পাবলৈ নাই। ‘কালিকাপুৰাণ’ নামৰ এখন সৰু কাব্য কোনো অজ্ঞাত কবিয়ে ৰচনা কৰিছে। এই কাব্যত হৰগৌৰীৰ বিবাহ সম্পৰ্কীয় ঘটনাই প্ৰধান স্থান পাইছে।

### ৩.৩.৩ নাট

কাব্যৰ লেখীয়াকৈ পুৰাণৰ কাহিনীৰ আলমত অনেক নাটকো ৰচিত হৈছে। অসমীয়া নাট্য সাহিত্যৰ জনক শ্ৰীমন্ত শংকৰদেৱৰ 'পত্নীপ্ৰসাদ', 'কালিয়া দমন', 'কেলিগোপাল', 'ৰুক্মিণী হৰণ' আৰু 'পাৰিজাত হৰণ'— এই পাঁচোখন নাট পুৰাণৰ কাহিনীৰ আলমতে ৰচিত। কেউখন নাটকৰ বিষয়বস্তু লোৱা হৈছে— 'হৰিবংশ', 'বিষ্ণুপুৰাণ' আৰু প্ৰধানভাৱে 'ভাগৱত'ৰ পৰা। 'ভাগৱত'ৰ দশম স্কন্ধৰ ত্ৰয়োবিংশ অধ্যায়ৰ ভেঁটিত 'পত্নীপ্ৰসাদ' নাটৰ কথাবস্তু ৰচিত হৈছে। 'ভাগৱত'ৰ দশম স্কন্ধৰ যোড়শ-সপ্তদশ অধ্যায়ৰ বিৱৰণৰ ভেঁটিত 'কালিয়দমন' নাট ৰচনা কৰিছে। ভাগৱতৰ দশম স্কন্ধৰ উনত্ৰিংশ অধ্যায়ৰ পৰা ত্ৰয়ঃত্ৰিংশ (২৯-৩৩)— এই পাঁচ অধ্যায়ৰ বিৱৰণৰ ওপৰত ভেঁটি কৰি গীতিনাট্যৰ আকাৰত 'কেলিগোপাল' ৰচনা কৰিছে। 'পাৰিজাত হৰণ' নাটৰ মূল কাহিনী 'ভাগৱত পুৰাণ', 'হৰিবংশ' আৰু 'বিষ্ণুপুৰাণ'ত পোৱা যায়। শ্ৰীমন্ত শংকৰদেৱে 'ভাগৱত' আৰু 'হৰিবংশৰ' কথাবস্তু লগ লগাই 'পাৰিজাত হৰণ' ৰচিছে। 'ৰুক্মিণী হৰণ' নাটৰ কথাবস্তু 'ভাগৱত' পুৰাণৰ পৰা সংগ্ৰহ কৰিছে, 'হৰিবংশৰ' প্ৰভাৱ ইয়াত নাই। শ্ৰীমন্ত শংকৰদেৱৰ পিছৰজনা নাট্যকাৰ হ'ল মাধৱদেৱ। মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন' আৰু 'ভোজন বিহাৰ' নাটৰ মূল ভাগৱতৰ দশম স্কন্ধৰ পৰাই লোৱা হৈছে। উল্লেখযোগ্য যে, শংকৰদেৱ আৰু মাধৱদেৱ প্ৰণীত নাটৰ প্ৰধান ভাষা হৈছে ব্ৰজাৱলী।

মাধৱদেৱৰ পাছৰ উল্লেখযোগ্য নাট্যকাৰগৰাকী হ'ল ভবানীপুৰীয়া গোপাল আতা বা গোপালদেৱ। এওঁ তিনিখন নাটক ৰচনা কৰিছে— 'জন্মযাত্ৰা', 'নন্দোৎসৱ' আৰু 'উদ্ধৱযান'। তিনিওখন নাটকৰ কাহিনী 'ভাগৱত পুৰাণ'ৰ পৰা লোৱা হৈছে আৰু নাটক কেইখনত শংকৰদেৱৰ 'দশম'ৰ প্ৰভাৱ লক্ষ্যণীয়। ভাগৱতৰ দশম স্কন্ধৰ পৰা কাহিনী চয়ন কৰি ৰচনা কৰা 'কংসবধ' নামৰ নাটখন ৰচনা কৰিছে ৰামচৰণ ঠাকুৰে। ভূষণ দ্বিজে ৰচনা কৰা 'অজামিল উপাখ্যান' নাটকখনৰো কাহিনী ভাগৱতৰ ষষ্ঠ স্কন্ধৰ পৰা লোৱা হৈছে। একেদৰে দৈত্যাৰি ঠাকুৰ ৰচিত 'নৃসিংহ-যাত্ৰা' আৰু 'স্যমন্ত হৰণ' নাট দুখনৰ কাহিনী ক্ৰমে ভাগৱতৰ ৭ম স্কন্ধ আৰু দশম স্কন্ধৰ পৰা লোৱা হৈছে। এই নাটসমূহৰ উপৰি শংকৰোত্তৰ কালত পুৰাণৰ কাহিনীৰ আলমত ভালেসংখ্যক নাট ৰচনা হৈছে। এই নাটবোৰৰ কাহিনী পোনপটীয়াভাৱে সংস্কৃত পুৰাণৰ পৰা নলৈ নাট্যকাৰসকলে পুৰাণৰ অসমীয়া অনুবাদ অথবা পুৰাণৰ আধাৰত ৰচিত অন্যান্য গ্ৰন্থৰ পৰা (বিশেষকৈ শংকৰদেৱ বিৰচিত গ্ৰন্থৰাজিৰ পৰা) চয়ন কৰিছে।

### ৩.৩.৪ গীত আৰু নামপ্ৰসংগ সম্বন্ধীয় গ্ৰন্থ

শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত বহু বৰগীতৰ বিষয়বস্তু পুৰাণৰ পৰা লোৱা হৈছে। বিশেষকৈ শিশুকৃষ্ণ বিষয়ক বৰগীতবোৰৰ বৰ্ণনা ভাগৱত পুৰাণৰ বৰ্ণনাৰ অনুকূলে হৈছে। বৰগীতৰ উপৰি বহুকেইগৰাকী কবিৰ (যেনে— গোপাল আতা, শ্ৰীৰাম আতা, পৰমানন্দ আদি) গীতৰ কথাবস্তু পুৰাণ আশ্ৰিত।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'কীৰ্তন-ঘোষা' অসমীয়া সাহিত্যৰ প্ৰধান নাম-প্ৰসংগ সম্বন্ধীয় গ্ৰন্থ। এই 'কীৰ্তন-ঘোষা'খনো পুৰাণৰ কাহিনীৰ আলমত ৰচা উৎকৃষ্ট গ্ৰন্থ। মাধৱদেৱৰ 'নামঘোষা'ৰো বহু পদ বিভিন্ন পুৰাণৰ পৰা সংগ্ৰহ কৰি অসমীয়া ভাষালৈ ভাঙনি কৰা হৈছে। এইক্ষেত্ৰত মাধৱদেৱৰ কৃতিত্ব এয়াই যে পুৰাণৰ পদ হোৱা সত্বেও সিবোৰ কেৱল অনুবাদ নহৈ ৰচকৰ প্ৰতিভাগুণে মৌলিক ৰচনা যেন লাগে। গোপাল মিশ্ৰৰ 'ঘোষাৰত্ন' গ্ৰন্থও বিবিধ পুৰাণৰ কাহিনীৰ আলমত ৰচা গ্ৰন্থ। শংকৰদেৱৰ 'গুণমালা', বিষ্ণুভাৰতীৰ 'ভাগৱত ৰত্ন' আৰু ভাগৱত আচাৰ্যৰ 'ভাগৱত কথাসূত্ৰ' আদি পুথিও 'ভাগৱত'ৰ কথাৰেই পুণৰ্সৃষ্টি।

### ৩.৩.৫ লোক-সাহিত্য, প্ৰবচন, খণ্ডবাক্য আৰু মন্ত্ৰপুথি

অসমীয়া লোক-সাহিত্যৰ মাজতো পুৰাণৰ বিষয়বস্তুৱে স্থান পাইছে। অসমীয়া বিয়াগীতত পৌৰাণিক চৰিত্ৰ কৃষ্ণ-ৰুক্মিণী, উষা-অনিৰুদ্ধ আৰু হৰ-গৌৰীৰ প্ৰণয় আৰু পৰিণয়ৰ আখ্যান পোৱা যায়। বিহুগীত, বিশেষকৈ হুঁচৰিৰ মাজতো 'ভাগৱত পুৰাণ'ৰ অনুৰঙ্গ লক্ষ্য কৰা যায়। ৰাধা-কৃষ্ণৰ প্ৰেম বিষয়ক ভালেমান লোকগীতৰ মূল পুৰাণ সাহিত্য বুলি অনুমান কৰিব পাৰি।

অসমীয়া ভাষাত বিভিন্ন পুৰাণৰ কাহিনী আৰু চৰিত্ৰক কেন্দ্ৰ কৰি ভালেসংখ্যক প্ৰবচন আৰু খণ্ডবাক্য ৰচিত হোৱা দেখা যায়। যথা—

(ক) ঈশ্বৰৰ হ'লে লীলা, মানুহৰ হ'লে ধৰি বান্ধি কিলা।
(খ) হৰ-গৌৰী বসতি হওক
(গ) ইন্দ্ৰৰ সভাত ফেঁচাৰ কুৰুলি
(ঘ) দৈত্য কুলত প্ৰহ্লাদ
(ঙ) শিশুপাল খেদা
(চ) ইন্দ্ৰৰ অমৰাৱতী, ইত্যাদি।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া সাহিত্যত পুৰাণৰ পুনৰ্সৃষ্টি প্ৰসংগত কোনখন পুৰাণে অগ্ৰাধিকাৰ পাইছিল? কেনেদৰে?

..............................................................................................
..............................................................................................
..............................................................................................

পুৰণি অসমীয়া মন্ত্ৰ পুথিসমূহতো পুৰাণৰ প্ৰভাৱ লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে— 'পক্ষীৰাজ' মন্ত্ৰত ব্ৰহ্মা, মহাদেৱ, বসুমতীৰ কথা সন্নিৱিষ্ট হৈছে। একেদৰে 'সুদৰ্শন মন্ত্ৰ'ত নৰকাসুৰ বধৰ পৌৰাণিক কাহিনী বৰ্ণিত হৈছে।

## ৩.৪ অসমীয়া ভাষাত মহাকাব্যৰ পুনৰ্সৃষ্টি ঃ

ভাৰতবৰ্ষৰ সমাজ-সংস্কৃতিত 'ৰামায়ণ' আৰু 'মহাভাৰত'— এই দুই মহাকাব্যৰ প্ৰভাৱ অনস্বীকাৰ্য। সমগ্ৰ ভাৰতীয় সাহিত্যৰ ক্ষেত্ৰতো এই দুই মহাকাব্যৰ স্থান অতি উচ্চ। অতীজৰেপৰা 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ কাহিনীয়ে ভাৰতবৰ্ষৰ মানুহৰ কাব্য ৰসৰ আস্বাদন দিয়াৰ লগতে ভাৰতীয় মনৰ সংস্কাৰ সাধনতো সহায় কৰি আহিছে। ভাৰতবৰ্ষৰ সকলোবোৰ প্ৰদেশত প্ৰধান প্ৰাদেশিক ধাৰাবোৰৰ মাজত 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ আদৰ আৰু প্ৰচলন অতি ব্যাপক। অসমো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়; বৰং ভাৰতীয় প্ৰাদেশিক আৰ্য ভাষাবোৰৰ ভিতৰতে অসমীয়াত এই দুই মহাকাব্যৰ প্ৰথম অনুবাদ হৈছে। মধ্যযুগৰ নৱবৈষ্ণৱ ধৰ্ম্ম আন্দোলনত 'ৰামায়ণ' আৰু 'মহাভাৰত' —এই দুই গ্ৰন্থই বিশেষ সহায় কৰিছে। এই প্ৰসঙ্গত ড° বাণীকান্ত কাকতিয়ে লিখিছে— "অসম, কামৰূপ, বেহাৰত নৱবৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰোঁতা শ্ৰীমন্ত শঙ্কৰদেৱৰ বহু আগতে মাধৱ কন্দলীয়ে 'ৰামায়ণ' কাব্য প্ৰচাৰ কৰে। বৈষ্ণৱ যুগত 'ৰামায়ণ'ত ভাগৱত কথা মিশ্ৰিত কৰি কবিসকলে ৰামায়ণকো কৃষ্ণভক্তি শাখাৰ ভিতৰুৱা কৰি তুলিছে।" তলত অসমীয়া ভাষাত 'ৰামায়ণ' আৰু 'মহাভাৰত'— এই দুই মহাকাব্যৰ পুনৰ্সৃষ্টি সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল।

### ৩.৪.১ অসমীয়া ভাষাত 'ৰামায়ণ'ৰ পুনৰ্সৃষ্টি

আদিকাব্য 'ৰামায়ণ'ৰ কাহিনী আৰু বিশেষকৈ ৰামৰ আদৰ্শমূলক চৰিত্ৰই অসমীয়া মানুহৰ মন এনেকৈ আকৃষ্ট কৰিছিল যে, কবিসকলে গদ্য আৰু পদ্য উভয়তে এই মহাকাব্যৰ ভিন ভিন আৰ্হিৰ ভিন ভিন সংস্কৰণ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি গৈছে। মূল বাল্মীকি প্ৰণীত 'ৰামায়ণ' অসমীয়ালৈ অনুবাদ হোৱাৰ উপৰি মূলৰ অনুকৰণত ৰচিত অধ্যাত্মৰামায়ণৰ এটি কাণ্ডও অসমীয়া ভাষাত পদ্যত অনুবাদ কৰা হৈছে। তুলসীদাসৰ 'ৰামচৰিত মানস'ৰ দুটা কাণ্ড অসমীয়া পদ্যত অনুবাদ কৰা হৈছে। মূল ৰামায়ণত নথকা, কিন্তু কালক্ৰমত 'ৰামায়ণ'ৰ কাহিনীৰূপেই স্বীকৃত হোৱা কেতবোৰ ৰামায়ণী কথাও অসমীয়া কবিৰ হাতত ভিন ভিন ৰূপে প্ৰকাশ পাইছে।

অসমীয়া ভাষাত বাল্মীকিৰ 'ৰামায়ণ'ৰ পুনৰ্সৃষ্টি বিভিন্ন ৰূপেৰে হৈছে। অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে তেখেতৰ 'অসমীয়া ৰামায়ণ সাহিত্য' গ্ৰন্থত অসমীয়া ভাষাত লেখা ৰামায়ণৰ প্ৰধান চাৰি প্ৰকাৰৰ ৰীতিৰ কথা উল্লেখ কৰিছে— ১। পদ ৰামায়ণ, ২। কথা ৰামায়ণ, ৩। গীতি ৰামায়ণ আৰু ৪। কীৰ্ত্তনীয়া ৰামায়ণ। এই চাৰি প্ৰকাৰৰ ৰামায়ণৰ বাহিৰেও ৰামায়ণৰ অন্তৰ্ভুক্ত আখ্যানত অৱলম্বনত অসমীয়া ভাষাত নাট আৰু কাব্যও ৰচনা হৈছে। তদুপৰি, অসমীয়া লোক-সাহিত্য, বিশেষকৈ বিয়া গীত, গৰখীয়া নাম, মন্ত্ৰপুথি, প্ৰবাদ প্ৰচলন ইত্যাদিতো ৰামায়ণী কথাই ৰূপ পাইছে।

**পদ-ৰামায়ণঃ**

অসমীয়া ভাষাত ৰচিত পদ-ৰামায়ণ কবিসকল হ'ল— মাধৱ কন্দলী, অনন্ত কন্দলী, শংকৰদেৱ আৰু মাধৱদেৱ। ইয়াৰে মাধৱ কন্দলী হ'ল প্ৰাক্-শঙ্কৰী যুগৰ শ্ৰেষ্ঠ

কবি। তেওঁ প্ৰাচীন অসমৰ পূব মধ্যাঞ্চলৰ অধিপতি বৰাহী ৰজা মহামাণিক্যৰ ৰাজকবি আছিল। মাধৱ কন্দলীয়ে খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত বৰাহী ৰজা মহামাণিক্যৰ অনুপ্ৰেৰণা লাভ কৰি বাল্মীকিৰ সাতকাণ্ড 'ৰামায়ণ' অনুবাদ কৰে বুলি জনা যায়। অৱশ্যে সাতকাণ্ড 'ৰামায়ণ' ৰচনা কৰে বুলি জনসমাজত প্ৰচলিত হ'লেও আৰু কবিয়ে নিজেও 'সপ্তকাণ্ড 'ৰামায়ণ' পদবন্ধে নিবিন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধৃতে'' বুলি উল্লেখ কৰিলেও কন্দলী ৰচিত 'আদি' আৰু 'উত্তৰাকাণ্ড' পাবলৈ নাই। মাজৰ পাঁচটি কাণ্ডহে জনসমাজত প্ৰচলিত হৈ আহিছে।

মাধৱ কন্দলীৰ ৰামায়ণৰ বৈশিষ্ট্য সম্পৰ্কে ড° সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখযোগ্য মন্তব্য আগবঢ়াইছে— ''উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণেই প্ৰাচীনতম। মাধৱ কন্দলীৰ ৰামায়ণ ৰচনাৰ প্ৰায় এশ ডেৰশ বছৰৰ পিছৰহে হিন্দী, বঙালী, উৰীয়া আদি ভাষালৈ ৰামায়ণ অনূদিত হয়; কিন্তু ইমান প্ৰাচীন হ'লেও মাধৱ কন্দলীৰ ভাষা আৰু ৰচনাশৈলীত ভাৱ প্ৰকাশৰ অক্ষমতা বা দুৰ্বলতা দেখা নাপাওঁ, বৰং তেওঁৰ সবল আৰু সতেজ ভাষাত আৰু ৰচনাভঙ্গীত পূৰ্ণবিকশিত সাহিত্যিক ঠাঁচ এটাৰ নিদৰ্শন পাওঁ। তেওঁৰ নিটোল সাহিত্যিক ঠাঁচে এটি ধাৰাবাহিক সাহিত্য পৰম্পৰাৰ স্পষ্ট আভাস দিয়ে।''

মাধৱ কন্দলীয়ে তেওঁৰ 'ৰামায়ণ'ত তুলসীদাস বা কৃত্তিবাসৰ দৰে বাল্মীকি-'ৰামায়ণ'ত নথকা কথা, অন্য পুৰাণ উপপুৰাণৰ পৰা আনি তেওঁৰ 'ৰামায়ণ'ত স্থান দিয়া নাই। বাল্মীকিৰ বৰ্ণনাকে অগাপিছা কৰিছে— নাইবা ঠাই বিশেষে বঢ়া টুটাও কৰিছে। 'লম্ভা পৰিহৰি-সাৰোদ্ধৃতে'— এয়াই হৈছে তেওঁৰ অনুবাদৰ মূল-নীতি। কবিয়ে 'ৰামায়ণখন'ক লৌকিক কাব্য বুলি অভিহিত কৰিছে। তেওঁ কৈছে— ''দৈৱবাণী নুহি ইটো লৌকিকহে কথা।'' কবিয়ে জনসাধাৰণৰ ৰুচি অনুযায়ী কাব্যিক সৌন্দৰ্য্য ৰক্ষা কৰি 'ৰামায়ণ' ৰচনাত প্ৰবৃত্ত হৈছিল। সেয়ে বৈষ্ণৱ কবিৰ দৰে ধৰ্ম্মতত্ত্বৰ প্ৰাধান্য তেওঁৰ ৰামায়ণত লব্যা কৰা নাযায়। কন্দলীৰ 'ৰামায়ণ'ত ভক্তিধৰ্মৰ যিখিনি কথা পোৱা যায় সেয়া বৈষ্ণৱ কবিয়ে পৰৱৰ্তী কালত সুমুৱাই দিয়া বুলি পণ্ডিতসকলে অনুমান কৰে।

''কবিসৱ নিবন্ধয় লোক ব্যৱহাৰে। কতো নিজা কতো লম্ভা কথা অনুসাৰে''— মাধৱ কন্দলীৰ 'ৰামায়ণ'ত এই উক্তিৰ সাৰ্থক প্ৰয়োগ লক্ষ্য কৰা যায়। কন্দলীৰ 'ৰামায়ণ' যদিও 'সৰ্বজন বোধে' ৰচিত হৈছিল, ই মহামাণিক্যৰ অনুৰোধ মৰ্মে আৰু তেওঁৰ তৃপ্তিৰ বাবেই ৰচিত হৈছিল। ৰচনাৰ পাছত ৰজা মহামাণিক্যক সেয়া শুনোৱাও হৈছিল— ''মাধৱে ভনন্ত মহামাণিক্যে শুনন্তি।'' কিন্তু এজনৰ বাবে ৰচিত হ'লেও এই পুনৰ্সৃষ্টিত লোক ব্যৱহাৰৰ এনে সফল প্ৰয়োগ ঘটিল যাৰ দ্বাৰা পৰৱৰ্তী কালত ই এটা জাতিৰ তৃপ্তিদায়ক সাহিত্যৰূপে পৰিগণিত হ'ল। জনগণৰ ৰুচিসন্মত হোৱা বাবেই জনগণে কন্দলীৰ 'ৰামায়ণ' আদৰি লৈছিল আৰু এই কথা লক্ষ্য কৰিয়েই বোধহয় পৰৱৰ্তী কালত শঙ্কৰদেৱ আৰু মাধৱদেৱে নিজাকৈ ৰচনা নকৰি কন্দলীৰ 'ৰামায়ণ'ৰ প্ৰচলনত গুৰুত্ব দিছিল।

মাধৱ কন্দলীৰ 'ৰামায়ণ'ত মূল বাল্মীকি 'ৰামায়ণ'ৰ অপৰিহাৰ্য শ্লোকবোৰৰ প্ৰায়সংখ্যকে স্থান পাইছে। কন্দলীয়ে ঠাই বিশেষে মৌলিক কথাও সংযোগ কৰিছে।

লোক মনোৰঞ্জনৰ বাবে বাল্মীকিৰ কথাতে ভেজা দি, কন্দলীয়ে তেওঁৰ ৰামায়ণত অসমৰ মাত-কথা আৰু স্থানীয় পৰিৱেশৰ লগত খাপ খুৱাই দুই-এটি ৰসাল কথা ন-কৈ সংযোজন কৰিছে। কেতিয়াবা কন্দলীৰ কেতবোৰ মৌলিক বৰ্ণনা ৰুচি বিগৰ্হিত গ্ৰাম্য দোষযুক্ত যেন লাগে। যেনে— মাতৃতুল্য ধাত্ৰী কুঁজীয়ে গুপ্তভাৱে ভৰতৰ পটেশ্বৰী হ'বলৈ অনুচিত হাবিয়াস কৰা কথাটো মূলত নাই। ভৰতৰ মাতৃ কৈকেয়ীতকৈয়ো বয়স্থা আৰু মাতৃতুল্য ধাত্ৰী কুঁজীৰ মনত এনে মনোভাৱ আৰোপ কৰা কথাটো হাস্যৰস সৃষ্টি কৰিবলৈকে সংযোগ কৰিছে বুলি ধৰিব পাৰি। অৱশ্যে কবিয়ে সংযোগ কৰা সকলো বৰ্ণনাই লৌকিক দোষযুক্ত নহয়। পৰিবেশ বা অৱস্থা চিত্ৰণত, প্ৰাকৃতিক দৃশ্য বৰ্ণনাত, বীৰ-হাস্য-কৰুণাদি ৰস সৃষ্টিত নিপুণতা দেখুৱাব পাছে। তদুপৰি বিভিন্ন সুললিত ছন্দৰ যথোপযুক্ত ব্যৱহাৰ, বিচিত্ৰ কাব্যালঙ্কাৰৰ সমাৱেশেও কন্দলীৰ ৰামায়ণক অনন্য সুন্দৰ ৰূপ দিছে। তৎকালীন অসমীয়া সমাজখনৰ পৰা গ্ৰহণ কৰা বিভিন্ন খণ্ড বাক্য, জতুৱাঠাঁচ, যোজনা-পটন্তৰ আদিয়ে ৰমায়ণখনিৰ কাব্যসৌন্দৰ্য্য সোণত যেন সুৱগা চৰাইছে।

মুঠতে মাধৱ কন্দলীয়ে বাল্মীকি 'ৰামায়ণ'ৰ প্ৰতিটো সৰ্গ আৰু প্ৰতিটো শ্লোকৰ আক্ষৰিত অনুবাদ নকৰি সমগ্ৰ বাল্মীকি 'ৰামায়ণ' মথি তাৰ সাৰ সংগ্ৰহ কৰি সংক্ষেপে অসমীয়া ভাষাত 'ৰামায়ণ'ৰ পুনৰ্সৃষ্টি কৰিছে। এনে কৰিবলৈ যাওঁতে অসমীয়া কবিয়ে গ্ৰহণ-বৰ্জন, সংকোচন-সংবৰ্দ্ধন আৰু জন মনোৰঞ্জনৰ দিশটোলৈ লক্ষ্য কৰি প্ৰয়োজন বিশেষে পুনৰ সংযোজন ৰীতি গ্ৰহণ কৰি কন্দলীয়ে তেওঁৰ 'ৰামায়ণ'খনি মৌলিক কাব্যৰ লেখীয়াকৈ পুনৰ্সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

ওপৰত উল্লেখ কৰি অহা হৈছে যে, বাল্মীকীৰ সপ্তকাণ্ড 'ৰামায়ণ'ৰ আৰ্হিতে মাধৱ কন্দলিয়ে নিজেও 'ৰামায়ণ'ৰ সাতোটা কাণ্ড ৰচনা কৰা বুলি লংকাকাণ্ডৰ শেষত উল্লেখ কৰিছে যদিও বৰ্তমানলৈকে কন্দলীৰ নামত মাজৰ পাঁচোটা কাণ্ডহে পোৱা গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ সময়তো কন্দলী 'ৰামায়ণ'ৰ আদি আৰু 'উত্তৰাকাণ্ড' নাছিল। সেয়ে শ্ৰীমন্ত শঙ্কৰদেৱে মাধৱদেৱক 'আদিকাণ্ড' ৰচনা কৰিবলৈ দি নিজে 'উত্তৰাকাণ্ড' ৰচনা কৰে আৰু কন্দলীৰ 'ৰামায়ণ'ৰ আগে-পিছে সংযোজন কৰি 'ৰামায়ণ'খন সম্পূৰ্ণ কৰে। এই দুই কাণ্ড চমু অনুবাদ। দুয়োটা কাণ্ডতে কবিৰ বৰ্ণনাৰ সৰসতা আৰু কাব্যিক সৌন্দৰ্য বিদ্যমান। নৱ-বৈষ্ণৱ ধৰ্মৰ তত্ত্বকথাৰ সংযোগ এই কাণ্ডৰ অনুবাদৰ অন্যতম প্ৰধান বৈশিষ্ট্য।

অসমীয়া সাহিত্যত 'ৰামায়ণ' মহাকাব্যৰ পুনৰ্সৃষ্টিৰ ক্ষেত্ৰত আন এগৰাকী উল্লেখযোগ্য কবি হ'ল অনন্ত কন্দলী। মাধৱ কন্দলীয়ে 'ৰামায়ণ' ৰচনা কৰাৰ প্ৰায় ডেৰশ বছৰৰ পাছত অনন্ত কন্দলীয়ে 'ৰামায়ণ' অনুবাদ কৰে। ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে লিখিছে যে— মাধৱ কন্দলীৰ ৰামায়ণৰ কথা আৰু বৰ্ণনাকে কিছু পৰিৱৰ্তন কৰি বিশেষকৈ ভক্তিৰ প্ৰাধান্য স্থাপন কৰি অনন্ত কন্দলীয়ে 'ৰামায়ণ' ৰচনা কৰিছিল। অনন্ত কন্দলীৰ 'ৰামায়ণ' মাধৱ কন্দলীৰ ৰামায়ণৰ 'বৈষ্ণৱ সংস্কৰণ' বুলিব পাৰি। কবি অনন্ত কন্দলীয়ে ভাগৱতৰ বাহিৰে অন্য বস্তুৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰা নাছিল। তেওঁ ৰচনা কৰা 'ৰামায়ণ'খনতো ভাগৱতৰ কথা সন্নিৱিষ্ট কৰিছিল বুলি ধৰিব পাৰি— "ৰামায়ণ কথা পদ বিৰচিলা

ভাগৱত মিশ্র কৰি,
হৰি কথা বিনে দাৰুণ কলিত
তৰিবে কেহো নপাৰি।" (৯১৭, অযোধ্যাকাণ্ড)

মাধৱ কন্দলী, শঙ্কৰদেৱ, মাধৱদেৱ, অনন্তকন্দলীৰ উপৰি আন কেইগৰাকীমান কবিয়ে 'ৰামায়ণ'ৰ কাণ্ড অসমীয়ালৈ ভাঙনি কৰিছে। তাৰে ভিতৰত ৰঘুৰাম দ্বিজ আৰু লক্ষ্মীৰাম দ্বিজৰ 'অযোধ্যাকাণ্ড', শ্ৰীনাথ দ্বিজ, ৰঘুনাথ দ্বিজ আৰু দেৱীনন্দনৰ 'কিৰিকন্ধ্যাকাণ্ড' আৰু ৰুদ্ৰৰাম শৰ্মাৰ 'অৰণ্যকাণ্ড' উল্লেখযোগ্য।

**গীতি-ৰামায়ণঃ**

অসমীয়া ভাষাত 'ৰামায়ণ'ৰ পুনৰ্সৃষ্টি সম্পৰ্কে আলোচনা কৰিবলৈ গ'লে দুৰ্গাদাস বা দুৰ্গাবৰ কায়স্থই ৰচনা কৰা 'গীতি-ৰামায়ণ'খনৰ নাম বিশেষভাৱে ল'ব লাগিব। কাৰণ এই 'ৰামায়ণ' গীতৰ আকাৰত পুনৰ্সৃষ্টি কৰা হৈছে। গীতবোৰত আৰ্যসংগীতৰ সুৰ বান্ধি দুৰ্গাবৰ কায়স্থই 'ৰামায়ণ' মহাকাব্যৰ লেখন-ৰীতিৰ পৰা আঁতৰি আহিছে। গীতৰ মাধ্যমেৰে ৰচিত বাবেই এই 'ৰামায়ণ', 'গীতি-ৰামায়ণ' নামেৰে জনাজাত। অৱশ্যে 'ৰামায়ণ'খনত গীতৰ উপৰি পদো আছে। গীতত যিবোৰ কথা প্ৰকাশ নহয় তেনে কথা পদেৰে পূৰণ কৰা হৈছে। ভিন ভিন ভাৱৰ গীতত ভিন ভিন সুৰ বন্ধা হৈছে। 'গীতি-ৰামায়ণ'ত ব্যৱহাৰ কৰা সুৰসমূহ এনে ধৰণৰ— ৰাগ-১) বেলোৱাৰ, ২) বড়াৰি, ৩) গুঞ্জৰি, ৪) ধনশ্ৰী, ৫) ৰামগিৰি, ৬) অহিৰ, ৭) পটমহৰি, ৮) ভাটিয়ালি, ৯) বসন্ত, ১০) সুহাই বা সুয়াই, ১১) মঞ্জৰি, ১২) চালেণি, ১৩) শ্ৰীগান্ধাৰ, ১৪) মালচি, ১৫) মেঘমণ্ডল, ১৬) দেৱমোহন, ১৭) শ্ৰীগন্ধকালী, ১৮) মাৰোৱাৰ, ১৯) দেৱজিনি, ২০) আকাশ মণ্ডলি।

দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ক বাল্মীকিৰ 'ৰামায়ণ'ৰ অনুবাদ বুলি ক'ব নোৱাৰি। অপ্ৰমাদী কবি মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ জনপ্ৰিয় সংস্কৰণহে। দুৰ্গাবৰে 'ৰামায়ণ'ৰ মূল কথাবস্তুৰ সূত্ৰ ধৰি বিশেষ বিশেষ ঘটনাক চমু চমুকৈ গীত আৰু পদত ৰচিছে। কবিৰ একো একোটি গীত একোটি কণ্ড কাব্যলৈ পৰিণত হৈছে। কিষ্কিন্ধা, সুন্দৰাকাণ্ড আৰু লংকাকাণ্ডৰ পদসমূহৰ বেছিভাগ মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ পৰা আহৰণ কৰিছে। কিন্তু নিৰ্বাচন, উদ্ভাৱনা, ৰচনা নৈপুণ্যত কবিতে নিজৰ শিল্পীসত্বাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। মাধৱ কন্দলীৰ দ্বাৰা প্ৰভাৱিত হ'লেও দুৰ্গাবৰে কন্দলীৰ 'ৰামায়ণ'ত নথকা আনকি মূল 'ৰামায়ণ'তো নথকা, কিছু কথাও- 'গীতি ৰামায়ণ'ত স্থান দিছে। উদাহৰণস্বৰূপে— "সীতাৰ দ্বাৰা ফল্গু নদীৰ বালিত দশৰথক পিণ্ডদান, দণ্ডকাৰণ্যত মায়া অযোধ্যা সৃজনা, ৰাম-সীতাৰ পাশা খেলা, সীতাক মন্দোদৰীৰ কন্যাৰূপে বৰ্ণনা কৰা, বনবাসত কষ্ট সহিব নোৱাৰি স্বেচ্ছাই আঁতৰি যোৱা বুলি ৰামে সীতাক সন্দেহ কৰা, মায়ামৃগ অন্বেষণ কৰিবলৈ যোৱাৰ আগতে কুটীৰৰ আগত ৰামে তিনিডাল ৰেখা টানি ৰেখাবন্ধন দি যোৱা, চাকৈ চকোৱাই ৰামক পৰিহাস কৰা"— এনে কিছু বৰ্ণনা মাধৱ কন্দলী বা বাল্মীকিৰ 'ৰামায়ণ'ত নাই। দুৰ্গাবৰ কবিয়ে এনে কথা কোনোবা পুৰাণৰ পৰা সংগ্ৰহ কৰিছে নাইবা জনবিশ্বাসৰ

আধাৰত তেওঁৰ 'ৰামায়ণ'ত স্থান দিছে। 'গীতি-ৰামায়ণ' ৰচনাৰ ক্ষেত্ৰত দুৰ্গাবৰ কায়স্থই জনসমাজৰ মনস্তত্বৰ প্ৰতি মনোযোগ দিছিল। সেই কাৰণেই ড° বাণীকান্ত কাকতীয়ে দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ক বাল্মীকি 'ৰামায়ণ'ৰ গাঁৱলীয়া সংস্কৰণ বুলিছে। উল্লেখযোগ্য যে, 'গীতি-ৰামায়ণ'ত ৰাম আৰু সীতাৰ ব্যৱহাৰ আৰু ভাবধাৰা সম্পূৰ্ণ মানৱীয় পথত তুলি ধৰা হৈছে। তাত আলৌকিকতাৰ স্থান দিয়া হোৱা নাই। ৰাম-সীতাৰ ভাব আৰু উক্তিত লৌকিক প্ৰেম বিচ্ছেদৰ প্ৰতিচ্ছবিৰ প্ৰকাশ ঘটিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে— "ৰামক কবিয়ে গদাধৰ, শাৰঙ্গপান্তি নাৰায়ণ আদি বিভূষণ দি ঈশ্বৰ বুলি কৈছে যদিওঁ তেওঁৰ ভাব-চিন্তা আৰু ব্যৱহাৰত ঈশ্বৰৰ আৰোপ কৰা নাই।"

'গীতি-ৰামায়ণ'ৰ ৰচনাৰ সঠিক কাল নিৰূপণ কৰিব পৰা হোৱা নাই। ৰচক দুৰ্গাবৰ কায়স্থ কোচ ৰজা বিশ্বসিংহৰ দিনৰ লোক। বিশ্বসিংহৰ ৰজত্ব কাল- ১৫১৫ খ্ৰীষ্টাব্দৰ পৰা ১৫৪০ খ্ৰীষ্টাব্দলৈকে। 'গীতি-ৰামায়ণ'ৰ ৰচনাভঙ্গীৰ পৰা কবিৰ এই কাব্যখনি পূৰঠ বয়সৰ ৰচনা বুলি ধৰিব পাৰি। সেয়ে এই কাব্য ৰজা বিশ্বসিংহৰ ৰাজত্বৰ শেষৰ কালৰ ৰচনা বুলি ধৰিব পাৰি। দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ৰ উপৰি শঙ্কৰদেৱ-মাধৱদেৱ বিৰচিত বৰগীততো 'ৰামায়ণ'ৰ বিষয়বস্তুয়ে স্থান পাইছে। 'ৰামায়ণ'ত বিষয়বস্তু আধাৰিত বৰগীত কেইটাকো 'ৰামায়ণ'ৰ বিষয়বস্তুৰ পুনৰ্নিৰ্মাণ বুলিব পাৰি। শ্ৰীমন্ত শঙ্কৰদেৱৰ 'শুন শন ৰে বৈৰী প্ৰমাণা, নিশাচৰ নাশ নিদানা' শীৰ্ষক বৰগীতটিত ৰামচন্দ্ৰৰ সৈন্য সমৰৰ বাবে লংকালৈ বুলি যাত্ৰা কৰাৰ কথা ৰূপায়িত হৈছে। সেইদৰে মাধৱদেৱৰ 'জয় জয় ৰাম, ৰাঘৱ ৰঘুতুল পংকজ'- গীতটিত ৰামে ৰাৱন বধ কৰি অযোধ্যালৈ আহি সীতা-মিলনৰ মহোৎসৱ পতাৰ কথা আছে।

'ৰামায়ণ' কথাৰ পুনৰ্সৃষ্টিৰে ৰচিত অসমীয়া লোকগীতৰ ভিতৰত 'ৰাম-বাৰমাহী' আৰু 'সীতা বাৰমাহী' গীতৰ নাম ল'ব লাগিব। এই বাৰমাহী গীতত ৰাম-সীতাৰ বিৰহ-বিননি অতি কৰুণভাৱে ৰূপায়িত হৈছে। অসমীয়া বিয়াগীত, গৰখীয়া গীত, আদিতো ৰামায়ণী কথাই স্থান পাইছে। 'মইও বনে যাওঁ স্বামী হে'- শীৰ্ষক ৰামায়ণী কথাভিত্তিক গীতো অসমীয়া জনসমাজত অতি জনপ্ৰিয় গীত ৰূপে প্ৰচলিত হৈ আহিছে। উল্লেখ যে ৰামায়ণি কথাবস্তুক লৈ ৰচনা কৰা এনে গীতৰ প্ৰায়খিনিৰে ৰচকৰ নাম জনা নাযায়।

**নাটকঃ**

অসমীয়া সাহিত্যত ৰামায়ণৰ পুনৰ্সৃষ্টি নাটকৰ মাধ্যমেৰেও হৈছে। অসমীয়া ভাষাত প্ৰথমগৰাকী নাট্যকাৰ শঙ্কৰদেৱে ৰামায়ণৰ 'আদিকাণ্ড'ৰ আলম লৈ 'ৰামবিজয়' বা 'সীতাৰ সয়ম্বৰ' নামৰ এখন অংকীয়া নাট ৰচনা কৰিছে। নাটখনত নাট্যকাৰে মূল বাল্মীকি 'ৰমায়ণ'ত নথকা কিছু কথা সন্নিৱিষ্ট কৰিছে। আনহাতে মূলৰ কেতবোৰ কথা নিজাকৈ সজাই লৈছে। সম্ভৱতঃ লোক মনোৰঞ্জনৰ প্ৰয়োজনত এনে কৰা হৈছে। সংযোজিত কথাখিনি নাট্য কাহিনীৰ সৈতে প্ৰাসংগিকতা ৰক্ষা কৰি সন্নিৱিষ্ট কৰিছে। 'ৰামবিজয়' ৰামচন্দ্ৰকেন্দ্ৰিক নাটক। বাকীবোৰ চৰিত্ৰ নিষ্প্ৰভ। ৰামচন্দ্ৰক এগৰাকী ক্ষত্ৰিয় বীৰ হিচাপে অংকন কৰা হৈছে আৰু লগতে তেওঁ যে ত্ৰিভুবনৰ অধিপতি ভগৱন্তৰ অৱতাৰী ৰূপ সেই কথাও তুলি ধৰা হৈছে। নাটখনত বীৰ ৰসৰ প্ৰাধান্য দেখা যায়।

মাধৱদেৱে ‘ৰামযাত্ৰা’ নামৰ নাট ৰচনা কৰি অভিনয় কৰিছিল বুলি চৰিত পুথিত উল্লেখ আছে। নাটখন উদ্ধাৰ হোৱা নাই। শঙ্কৰদেৱ মাধৱদেৱৰ দৰে অনন্ত কন্দলীয়েও ‘সীতাৰ পাতাল প্ৰৱেশ’ নামৰ নাট ৰচনা কৰিছে। এইখনো ‘ৰামায়ণ’ৰ কাহিনীৰ নাট্যৰূপ বা পুনৰ্সৃষ্টি। আনহাতে ৰুচিদেৱৰ ‘শতস্কন্ধ-ৰাৱণ বধ’ আৰু গোপালৰ ‘সীতাহৰণ’ নাটো ৰামায়ণৰ কাহিনীৰ আলমতে ৰচনা কৰা নাট। এনে নাটকবোৰত নাট্যকাৰৰ মৌলিকত্ব দেখা নাযায়। পূৰ্বৱৰ্তী নাট্যকাৰৰ আৰ্হিলৈয়ে নাটবোৰ ৰচনা হৈছে।

**কীৰ্ত্তনীয়া ৰামায়ণঃ**

শ্ৰীমন্ত শঙ্কৰদেৱৰ ‘কীৰ্ত্তন’ৰ ঘোষা-পদৰ আৰ্হিত অনন্ত ঠাকুৰ আতাই সংক্ষিপ্তভাৱে ৰামায়ণ ৰচনা কৰে। এওঁৰ ৰামায়ণৰ নাম ‘শ্ৰীৰাম কীৰ্ত্তন’। এইখন ৰামায়ণ ‘কীৰ্ত্তনীয়া ৰামায়ণ’ বুলি পৰিচিত। উল্লেখ্য যে, কলাপচন্দ্ৰ দ্বিজ নামৰ এজন পণ্ডিতে ৰামায়ণৰ সাৰ সংগ্ৰহ কৰি এখন সংস্কৃত ৰামায়ণ ৰচনা কৰিছিল। অনন্ত ঠাকুৰ আতাই এই ৰামায়ণখনকে শঙ্কৰদেৱৰ কীৰ্তনৰ আৰ্হিত অসমীয়ালৈ ভাঙনি কৰিছে। কবিয়ে লিখিছে-

সাত কাণ্ড ৰামায়ণ বাল্মীকিৰ কৃত।
তাৰ সাৰ উদ্ধৰিলা কৰিয়া বিতৃত।।
ৰামায়ণ চন্দ্ৰিকা হৈলন্ত তাৰ নাম।
কলাপ যে দ্বিজ চন্দ্ৰমহন্ত উপাম।।
কীৰ্ত্তনৰ ছন্দে বিৰচিলোঁ পদ সাৰ।
শ্ৰীৰাম কীৰ্তন নাম বুজিবা ইহাৰ।।

এই ‘ৰামায়ণ’ত শঙ্কৰদেৱ মাধৱদেৱৰ দৰে ৰাম কথাৰ মাজত কৃষ্ণ ভাৱৰ উদয় এক লক্ষ্য কৰিবলগীয়া বিষয়। ‘শ্ৰীৰাম কীৰ্ত্তন’ ১৫৭৪ শকৰ ৰচনা।

**ৰামায়ণৰ কথাৰূপঃ**

ৰামায়ণক কথা বা গদ্যৰূপত পোনপ্ৰথমে লিখি উলিওৱাৰ বাবে অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত ৰঘুনাথ মহন্তৰ নাম সদায় জিলিকি থাকিব। মহন্ত গোলাঘট অঞ্চলৰ দৈয়াং সত্ৰৰ অধিকাৰ আছিল। সোতৰ শতিকাৰ মাজ ভাগত তেওঁ ৰামায়ণ ৰচনা কৰিছিল। কথাত ৰচনা কৰা বাবে তেওঁৰ ৰামায়ণখনক ‘কথা-ৰামায়ণ’ বোলা হৈছে। ভট্টদেৱৰ প্ৰায় এশ বছৰৰ পাছত এই গ্ৰন্থ লিখা হৈছে। ইয়াত ৰামায়ণৰ আখ্যানভাগ চমুকৈ বৰ্ণোৱা হৈছে আৰু অধ্যায়বোৰৰ শেষত বাল্মীকি ‘ৰামায়ণ’ৰ উল্লেখ আছে। উল্লেখযোগ্য যে ৰঘুনাথ মহন্ত শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুগামী আছিল আৰু তেৰাৰ দৰেই ৰঘুনাথেও নিজৰ ৰামায়ণত ৰামক বিষ্ণুৰ অৱতাৰ আৰু কৃষ্ণৰে অভেদস্বৰূপে দেখুৱাইছে। বৈষ্ণৱ কবিৰ ভক্তিভাৱৰ গভীৰতা, সংক্ষিপ্তকৰণৰ কুশলতা আৰু ভাষাৰ প্ৰাঞ্জলতা গ্ৰন্থখনিক এক অনুপম পুনৰ্সৃষ্টিৰ মৰ্যাদা প্ৰদান কৰিছে। গদ্যত ৰচনা কৰা এই ৰামায়ণৰ আন এক সুকীয়া মৰ্যাদাও আছে। কাৰণ ৰঘুনাথ মহন্তৰ ‘কথা ৰামায়ণ’ কেৱল অসমীয়া ভাষাৰে নহয়, আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰতে এইখনেই সৰ্বপ্ৰথম গদ্যত ৰচিত ৰামায়ণ। ৰঘুনাথ মহন্তৰ এই

ৰামায়ণ পুনর্সৃষ্টিত কাহিনী কথনৰ এক সুকীয়া বৈশিষ্ট্য হৈছে। যথা— “ৰঘুনাথে তেওঁৰ ৰামায়ণকথাৰ বক্তাৰূপে নাৰদক আৰু শ্ৰোতাৰূপে বাল্মীকিক সমস্ত গ্ৰন্থতে জড়িত কৰিছে। বাল্মীকীয় ৰামায়ণত নাৰদে সংক্ষিপ্ত ৰূপৰহে বাল্মীকিক ৰাম কথা কৈছিল। সেই কাহিনীৰ ভিত্তিত বাল্মীকিয়ে নিজেহে মহাকাব্যখনি ৰচনা কৰিছিল।” কথা-ৰামায়ণৰ বিষয়বস্তু ৰঘুনাথ মহন্তই পূৰ্বকবি মাধৱ কন্দলীৰ ৰামায়ণৰ পৰা আহৰণ কৰিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে—“মাধৱ কন্দলীৰ বৰ্ণনাকে বহুত ক্ষেত্ৰত ৰঘুনাথে কেৱল গদ্যৰূপ দিছে। মহাপুৰুষ শঙ্কৰদেৱৰ ‘ৰাম-বিজয়’ নাটৰো অংশ বিশেষত প্ৰভাৱ পৰিছে।” ‘কথা ৰামায়ণ’ৰ গদ্য ভট্টদেৱৰ গদ্যৰ কাষ চপা কিন্তু ভট্টদেৱৰ ভাষাতকৈ ইয়াৰ ভাষা বেছি সৰল। ‘কথা ৰামায়ণ’ৰ ভাষাত অংকীয়া নাটৰ ব্ৰজাৱলী ভাষাৰো লক্ষ্য কৰা যায়।

**ৰামায়ণৰ কাব্যৰূপঃ**

বাল্মীকি ৰামায়ণৰ আলময়ত অসমীয়া ভাষাত কিছুসংখ্যক কাব্য ৰচনা কৰা হৈছিল। এনে কাব্যক ৰামায়ণী কাব্য বোলা হৈছে। এনে কাব্যৰ কিছুমান কাহিনী মূলৰ লগত সাদৃশ্যযুক্ত আৰু কিছুমান কাল্পনিক।

অসমীয়া ভাষাত ৰামায়ণক কাব্য হিচাপে পুনৰ্সৃষ্টি কৰাৰ ক্ষেত্ৰত প্ৰথমে নাম ল’ব লাগিব কবি হৰিবৰ বিপ্ৰৰ। বিপ্ৰ প্ৰাক্-শংকৰী যুগৰ কবি। এওঁৰ ‘লৱ-কুশৰ-যুদ্ধ’ নামৰ কাব্যত বাল্মীকিৰ আশ্ৰমত থকা লৱকুশৰ লগত শ্ৰীৰামচন্দ্ৰ যুদ্ধ কেনেদৰে হ’বলৈ পালে সেই বৰ্ণনা পোৱা যায়। কবিয়ে এই কাব্য অসমীয়া পাঠকৰ উপযোগীকৈ ৰচনা কৰিছে। সুবিধা অনুযায়ী কাব্যত অসমীয়া জনজীৱনৰ চিত্ৰ সংযোজন কৰিছে। উদাহৰণস্বৰূপে লৱ-কুশৰ যুদ্ধ কাব্যত ৰামৰ পুংসৱন ক্ৰিয়াৰ বিৱৰণ আছে। এয়া অসমত প্ৰচলিত পুংসৱন ক্ৰিয়াৰ প্ৰতিচ্ছবি মাথোন। এনে কথা বা বৰ্ণনা মূলত নাই।

ৰঘুনাথ মহন্তৰ ৰচিত ‘অদ্ভুত ৰামায়ণ’ আৰু ‘শত্ৰুঞ্জয়’ কাব্য ‘ৰামায়ণ’ মহাকাব্যতে পুনৰ্সৃষ্টি। বাল্মীকিৰ নামত প্ৰচলিত ২৭ টা সৰ্গ সম্বলিত এখন ৰামায়ণক ‘অদ্ভুত-ৰামায়ণ’ বোলা হয়। কিন্তু সেইখন সংস্কৃত ‘অদ্ভুত-ৰামায়ণ’ৰ আখ্যানৰ লগত ৰঘুনাথ মহন্তৰ ‘অদ্ভুত-ৰামায়ণ’ৰ কোনো মিল নাই। ৰঘুনাথ মহন্তৰ ‘অদ্ভুত-ৰামায়ণ’ত সীতাই পাতাল প্ৰৱেশ কৰাৰ পিছত লৱ-কুশৰ পৰা বিচ্ছেদ হোৱা দুখ সহিব নোৱাৰি বাসুকিনাগক মৰ্ত্যলোকলৈ পঠাই লৱ-কুশক পাতাললৈ লৈ যোৱাৰ আৰু হনুমানৰ দ্বাৰা পাতালৰ পৰা তেওঁলোকক উদ্ধাৰৰ অদ্ভুত বৰ্ণনা সন্নিৱিষ্ট কৰিছে। এনে বৰ্ণনা মূল ‘ৰামায়ণ’ত পোৱা নাযায়। ‘শত্ৰুঞ্জয়’ কাব্যত বানৰ নৃপতি বালীৰ বীৰত্ব আৰু দিগ্বিজয়ৰ কথা আছে। প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰক বালীৰ সহযোগীৰূপে দেখুওৱা হৈছে। এয়া বাল্মীকি ‘ৰামায়ণ’ৰ পুনসৃষ্টি মাথোন।

অসমীয়া ভাষাত ৰচিত অন্যান্য ৰামায়ণী কাব্যসমূহৰ ভিতৰত গংগাৰাম দাসৰ ‘সীতাৰ বনবাস’ আৰু ‘পাতাল কাণ্ড’, অনন্ত কন্দলীৰ ‘মহীৰাৱণ বধ’ ধনঞ্জয়ৰ ‘গণক চৰিত্ৰ’ বা ‘মন্দোদৰীৰ মণিহৰণ’, কৃত্তিবাস পণ্ডিতৰ ‘অংগদ ৰায়বৰ’, ভৱদেৱ বিপ্ৰৰ ‘নাগাক্ষযুদ্ধ’ ‘ৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞ’, আৰু ৰাম সৰস্বতীৰ ভণিতা থকা ‘লক্ষ্মণৰ

শক্তিশেল' উল্লেখযোগ্য। ইয়াৰ উপৰি আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহ আৰু ৰামমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ পৃষ্ঠপোষকতাত অষ্টাদশ শতিকাত শ্ৰীকান্ত সূৰ্যবিপ্ৰই 'ৰামচৰিত মানস'ৰ লংকাকাণ্ড আৰু উত্তৰাকাণ্ড দুটা পদ্যত অসমীয়ালৈ ভাঙনি কৰিছিল। এই ভাঙনিত কেতিয়াবা নিজাকৈও একোটা উপকাহিনী মূল কাহিনীত সন্নিৱিষ্ট কৰা হৈছে।

আধুনিক কালতো ৰামায়ণী কথাৰ আলমত অসমীয়া ভাষাত ৰচনা কৰা হৈছে। ১৯৪৯ চনত তীৰ্থনাথ গোস্বামীয়ে পুৰণি অসমীয়াত 'ৰাম-বনবাস আৰু 'সীতাহৰণ' নামৰ কাব্য ৰচিছে। দুৰ্গাপ্ৰসাদ দেৱশৰ্মাই 'লৱকুশৰ জন্মোপাখ্যান' ৰচিছে। সেইদৰে ভোলানাথ দাসে অমিত্ৰাক্ষৰ ছন্দত 'সীতাহৰণ কাব্য' ৰচনা কৰিছে। এইবোৰ মূল ৰামায়ণৰ আখ্যানৰ সহায়ত ৰচা অসমীয়া কাব্যৰ উদাহৰণ।

উল্লেখ্য যে, অসমীয়া ভাষাত ৰামায়ণৰ পুনৰ্সৃষ্টিৰ উদাহৰণ মৌখিক সাহিত্যৰ পৰাও তুলি ধৰিব পাৰিব। উদাহৰণস্বৰূপে, অসমীয়া বিয়ানাম আৰু গৰখীয়া গীতত ৰাম-সীতাৰ কাহিনীৰ প্ৰসঙ্গ পোৱা যায়। যথা "অ' মন তগৰ। আজি সুদা হ'ল জনকৰ নগৰ।"-(বিয়ানাম)।

"ধনু ভাঙি ৰামচন্তে সীতাক লৈয়া যায়।
পৰশুৰামে যুদ্ধ কৰে বাটত লগে পায়।। (বিয়ানাম)

গীতৰ উপৰি ফকৰাযোজনা, প্ৰবাদ বাক্যতো ৰাম-কাহিনীৰ প্ৰসঙ্গ ভৰি আছে। যেনে— 'ৰাম নৌহওঁতেই ৰামায়ণ', 'অতিদৰ্পে হত লংকা', 'ঘৰ শত্ৰু বিভীষণ', ইত্যাদি।

এইদৰে দেখা যায় যে, অসমীয়া ভাষাত ৰামায়ণী কথাই সাহিত্যৰ বিভিন্ন ৰূপৰ মাজেৰে অতীজৰে পৰা স্থান পাই আহিছে। এয়া মূল বাল্মীকি ৰামায়ণৰ হুবহু প্ৰকাশ নহয়। অসমীয়া কবি-সাহিত্যিকৰ পুণৰ্সৃষ্টিহে।

### ৩.৪.২ অসমীয়া ভাষাত 'মহাভাৰত'ৰ পুনৰ্সৃষ্টি ঃ

ভাৰতবৰ্ষৰ মহান কাব্য, মহাকাব্য 'মহাভাৰত' পঞ্চমবেদ তথা ইতিহাস হিচাপে সমাদৃত। 'মহাভাৰত'ত ভাৰতবৰ্ষৰ ধৰ্মনীতি, ৰাজনীতি, দৰ্শন, সমাজনীতি, ইতিহাস চিন্তা আদি বিষয় সন্নিৱিষ্ট হৈছে। ভাৰতীয় জাতিৰ সভ্যতা, সংস্কৃতি, চিন্তাধাৰা প্ৰতিফলিত হৈছে। 'মহাভাৰত'ৰ বিষয়বস্তু ব্যাপ্তি আৰু বৈচিত্ৰ্যৰ সমাহাৰৰ কাৰণেই বোধ হয় অসমীয়াত এটি প্ৰৱচনৰ সৃষ্টি হৈছে। সেয়া হ'ল— 'যি নাই মহাভাৰতে সি নাই ভাৰতে'। অৰ্থাৎ 'ভাৰতত যি আছে মহাভাৰততো সি আছে, ভাৰতত যি নাই, মহাভাৰততো সি নাই।' পৰৱৰ্তী কালৰ সংস্কৃত, বিভিন্ন প্ৰাকৃত প্ৰমুখ্যে সকলো প্ৰান্তীয় ভাষাৰ কবি-সাহিত্যিকৰ সৰহভাগ সাহিত্যকৃতিৰ উৎস হ'ল- 'মহাভাৰত'। 'মহাভাৰত' ভাৰতবৰ্ষৰ প্ৰায় আটাইবোৰ প্ৰধান ভাষালৈ অনুবাদিত হৈছে আৰু ভাৰতীয় মহাজীৱনৰ প্ৰেৰণাস্থলী ৰূপে পৰিগণিত হৈ আহিছে।

অসমীয়া ভাষাত 'ৰামায়ণ' অনুবাদৰ লেখীয়াকৈ 'মহাভাৰত' অনুবাদ বা পুনৰ্সৃষ্টিৰ পৰম্পৰাও প্ৰাক্-শঙ্কৰী যুগতেই আৰম্ভ হৈছিল। তেতিয়াৰে পৰা বৰ্তমানলৈকে 'মহাভাৰত'ৰ বিভিন্ন কাহিনীৰ আধাৰত নানা শ্ৰেণীৰ গ্ৰন্থও ৰচিত হৈ আহিছে। অসমীয়া

ভাষাত 'মহাভাৰত'ৰ ৰচক বা অনুবাদক হিচাপে প্ৰথমেই আমি নাম ল'ব পাৰোঁ কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী আৰু 'জৈমিনী মহাভাৰত'ৰ অশ্বমেধ পৰ্বৰ অনুবাদক হিচাপে হৰিবৰ বিপ্ৰৰ নাম। কবিৰত্ন সৰস্বতীয়ে 'মহাভাৰত'ৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধ আৰু ৰুদ্ৰ কন্দলীয়ে সাত্যকি প্ৰৱেশ ঘটনাংশ পুনৰ্নিমাণ কৰিছিল। আনহাতে, হৰিবৰ বিপ্ৰই জৈমিনীয় অশ্বমেধ পৰ্বৰ পৰা 'বভ্ৰুবাহনৰ যুদ্ধ' ৰচিছিল। ইয়াৰ পাছতে ৰাম স্বৰস্বতীয়ে 'মহাভাৰত'ৰ বিস্তৰ অংশ অনুবাদ কৰি 'মহাভাৰতৰ কবি' নামেৰে খ্যাতি অৰ্জন কৰে। ৰাম সৰস্বতীৰ পাছত আমি মহাভাৰতৰ পুনৰ্সৃষ্টিৰ লগত জড়িত অসমীয়া সাহিত্যিকসকলৰ ভিতৰত প্ৰধানকৈ গোপীনাথ পাঠক, কংসাৰি কবি, বিদ্যা পঞ্চানন, কবি শেখৰ, দ্বিজ কবিৰাজ, দ্বিজ ৰাম, দামোদৰ দ্বিজ, শিষ্ট ভট্টাচাৰ্য, অনিৰুদ্ধ দাস, ৰাম মিশ্ৰ, দামোদৰ দাস, লক্ষ্মীনাথ দ্বিজ, শ্ৰীনাথ দ্বিজ, দ্বিজ ৰামানন্দ, দ্বিজ মহেশ্বৰ, গংগা দাস সেন, সুবুদ্ধি ৰায়, ভবানী দাস, শুভনাথ দ্বিজ, কবীন্দ্ৰ পাত্ৰ, ৰামানন্দ, জয়দেৱ, ৰুদ্ৰদেৱ হৰেন্দ্ৰ নাৰায়ণ, ব্ৰজ সুন্দৰ, বলৰাম দ্বিজ আদি সকলৰ নাম ল'ব পাৰোঁ।

ৰচনাৰ ৰূপ অনুসৰি অসমীয়া ভাষাত পুনৰ্সৃষ্টি মহাভাৰতীয় সাহিত্যক কেইটামান ভাগত ভগাব পাৰি। যেনে ঃ ১। অনুবাদমূলক বা পদ মহাভাৰত, ২। কাব্য, ৩। দাৰ্শনিক তত্ত্বমূলক, ৪। লোকগীতি বিষয়ক, আৰু ৫। অন্যান্য।

**অনুবাদমূলক বা পদ-মহাভাৰত ঃ**

অসমীয়া ভাষালৈ 'মহাভাৰ'ত অনুবাদ কৰোঁতাসকলৰ ভিতৰত প্ৰধান অনুবাদক গৰাকী হ'ল ৰাম সৰস্বতী। এওঁ কোঁচ ৰজাৰ সভাকবি আছিল আৰু 'মহাভাৰত'ৰ পৰ্বসমূহৰ অনুবাদ কৰাৰ লগতে মূল 'মহাভাৰত'ত থকা আখ্যানৰ অসমীয়া ৰূপান্তৰ কৰিছিল। 'মহাভাৰত'ৰ পদ ৰচনাত ৰাম সৰস্বতীক আন কবিয়েও সহায় কৰিছিল। সহায় কৰোঁতা কবিসকলৰ ভিতৰত সংসাৰি কবি, বিদ্যাপঞ্চানন আৰু পুতেক গোপীনাথ পাঠক বিশেষভাৱে উল্লেখযোগ্য। ৰাম সৰস্বতীকৃত মহাভাৰতীয় ৰচনাৰাজি হ'ল- ১। আদি পৰ্ব, ২। সভাপৰ্ব (এই পৰ্বত অংশবিশেষ পুতেক গোপীনাথ পাঠকৰ দ্বাৰা ৰচিত), ৩। বন-পৰ্ব, ৪। বিৰাট পৰ্বত কীচক বধ পৰ্যন্ত, ৫। উদ্যোগ পৰ্ব, ৬। ভীষ্ম পৰ্বৰ বেছিভাগ অংশ, ৭। চোণ পৰ্ব (পুতেক গোপীনাথ পাঠকৰ সহযোগত), ৮। কৰ্ণ পৰ্ব, ৯। গদা-পৰ্ব আৰু ১০। শান্তি পৰ্বৰ সাবিত্ৰী আখ্যান। এয়া অসমীয়া কবি ৰাম সৰস্বতীৰ মহাভাৰতীয় পৰ্ব সমূহৰ অসমীয়া ভাষালৈ ৰূপান্তৰ বা পুনৰ্সৃষ্টি। উল্লেখ্য যে, ৰাম সৰস্বতীৰ মহাভাৰতৰ ৰচনাৰাজি মূলৰ হুবহু অনুবাদ নহয়। "কবিয়ে স্থান-কাল আৰু পাত্ৰৰ উপযোগী কৰি বঢ়া-টুটা কৰিছে আৰু কঠিনতা আঁতৰ কৰি সহজ সৰল ৰূপ দিছে।" ৰাম ৰস্বতীয়ে 'মহাভাৰত'ৰ প্ৰত্যেক পৰ্বতে সকলোবোৰ অধ্যায় অনুবাদ কৰা নাই। তদুপৰি যিখিনি অধ্যায় অনুবাদ কৰিছে সিও পূৰ্ণাঙ্গ অনুবাদ নহয়। সেয়ে তেওঁৰ অনুবাদক সাৰানুবাদ বোলা হৈছে। কবি বৈষ্ণৱ আদৰ্শৰ অনুগামী আছিল আৰু সেয়ে তেওঁৰ মহাভাৰতীয় ৰচনাত বৈষ্ণৱ আদৰ্শ অব্যাহত ৰাখি শৈৱ, শাক্ত, গাণপত্য আদি বিভিন্ন সাম্প্ৰদায়িক ধৰ্মতত্ত্ব, আচাৰ আৰু দৰ্শনৰ বিৱৰণ তেওঁ সন্নিৱিষ্ট কৰা নাই। ৰাম সৰস্বতীয়ে তেওঁৰ ৰচনাত 'মহাভাৰত'ৰ

চৰিত্ৰৰো পুনৰ্নিৰ্মাণ বা নৰূপত কেতিয়াবা সজাব লৈছে। এই প্ৰসঙ্গত সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্য উল্লেখযোগ্য "জনসাধাৰণক উদ্দেশ্য কৰি ৰচনা কৰা কাৰণেই ৰাম সৰস্বতীয়ে চৰিত্ৰবোৰৰ সহজাতবৃত্তি আৰু অনুভূতিপ্ৰকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, সেই কাৰণে কেতিয়াবা কেতিয়াবা চৰিত্ৰবোৰত মূলৰ আদৰ্শাত্মক স্তৰৰ পৰা নমাই আনিব লগাত পৰিছে। ক্ৰোধ, ঈৰ্ষা, প্ৰতিশোধ পৰায়ণ, ভাতৃপ্ৰেম, পুত্ৰস্নেহ, বীৰত্ব, পেটুকতা, ভয় আদি মানৰ সাধাৰণ সহজাত প্ৰবৃত্তিবোৰৰ পৰিস্ফূৰণ দেখুৱাবলৈ কবিয়ে চেষ্টা কৰিছে।

ৰাম সৰস্বতীৰ লগতে যি সকল কবি সাহিত্যিকে শংকৰী আৰু শঙ্কৰোত্তৰ যুগত 'মহাভাৰত'ত বিভিন্ন পৰ্ব আৰু খণ্ড অসমীয়ালৈ ভাঙনি কৰিছিল তেওঁলোকৰ নাম 'মহাভাৰত'ৰ পৰ্ব অনুসৰি তলত দিয়া ধৰণে দেখুৱাব পাৰি—

১। আদি পৰ্ব ঃ আদি পৰ্বৰ প্ৰসিদ্ধ অনুবাদক গৰাকী হ'ল অনিৰুদ্ধ অৰ্থাৎ ৰাম সৰস্বতী। খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ মাজভাগত কোচবেহাৰৰ প্ৰাণনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতাত শ্ৰীনাথ দ্বিজেও এই পৰ্বটি অনুবাদ কৰিছে।

২। সভাপৰ্ব ঃ মহাভাৰতৰ দ্বিতীয়টি পৰ্ব হ'ল সভাপৰ্ব। এই পৰ্বৰ একাংশ অনিৰুদ্ধ আৰু তেওঁৰ পুত্ৰ গোপীনাথ পাঠকে অসমীয়া ভাষালৈ ভাঙনি কৰিছে।

৩। বনপৰ্ব ঃ বনপৰ্বৰ বিভিন্ন খণ্ডসমূহ হ'ল- আদি বনপৰ্ব, পুষ্পহৰণ বনপৰ্ব, ঘোষ-বনপৰ্ব আৰু বিজয় পৰ্ব। আটাইখিনি ৰাম সৰস্বতীয়ে অসমীয়া ভাষাত ৰচনা কৰিছে।

৪। বিৰাট পৰ্ব ঃ ৰাম সৰস্বতীৰ উপৰি বিৰাট পৰ্ব ৰচনা কৰা আন তিনিগৰাকী কবিৰ নাম পোৱা গৈছে। তেওঁলোক হ'ল কংসাৰি কবি, শ্ৰীমন্ত গাভৰুখা আৰু পীতাম্বৰ। অৱশ্যে এই তিনিওটা নাম এগৰাকী ব্যক্তিৰো হ'ব পাৰে।

৫। উদ্যোগ পৰ্ব ঃ এই পৰ্বৰ প্ৰধান ৰচক হ'ল ৰাম সৰস্বতী। আহোম ৰজা শিৱসিংহ আৰু ৰাণী অম্বিকা দেৱীৰ অনুৰোধ মৰ্মে দ্বিজ ৰামানন্দয়ে উদ্যোগবৰ্গ ৰচনা কৰিছিল।

৬। ভীষ্মপৰ্ব ঃ এই পৰ্বৰ ৰচক কেইগৰাকী হ'ল— ৰাম সৰস্বতী, বিদ্যাপঞ্চানন, ৰাম মিশ্ৰ আৰু দ্বিজৰাম। ইয়াৰে বিদ্যাপঞ্চাননে 'অম্বা-চৰিত্ৰ' আৰু 'কৰ্ণপৰ্ব'ও ৰচনা কৰে।

৭। দ্ৰোণপৰ্ব ঃ এই পৰ্বৰ বিভিন্ন অংশ ভাঙনি কৰে গোপীনাথ, ৰামস্বৰস্বতী, দামোদৰ দাস আৰু শ্ৰীনাথ দ্বিজে।

৮। কৰ্ণপৰ্ব ঃ এই পৰ্ব অনুবাদ কৰে ৰাম সৰস্বতী আৰু বিদ্যাপঞ্চাননে।

৯। শল্যপৰ্ব ঃ শল্যপৰ্ব অনুবাদ কৰে দামোদৰ দ্বিজ আৰু দামোদৰ দাসে।

১০। গদাপৰ্ব ঃ এই পৰ্বৰ ৰচক ৰাম সৰস্বতী। উল্লেখ্য যে, মহাভাৰতৰ সৌপ্তিক পৰ্বৰ কাহিনীভাগ ৰাম সৰস্বতীয়ে গদাপৰ্বতে বৰ্ণনা কৰি গৈছে।

১১। ঐষিক পৰ্ব ঃ ঐষিক পৰ্ব বিংশ শতিকাৰ ৰচনা। ইয়াৰ অনুবাদক কালিদাস খাটনিয়াৰ কামৰূপৰ লোক। এই পৰ্বত অৰ্জুনৰ দ্বাৰা অশ্বত্থমাৰ শিৰোচ্ছেদ আৰু পৰীক্ষিতৰ পুনৰ্জন্মৰ কাহিনী বৰ্ণিত হৈছে।

১২। স্ত্ৰীপৰ্ব ঃ দৰং জিলাৰ ধৰ্মেশ্বৰ মহন্তই বিংশ শতিকাত ৰচনা কৰে।

১৩। শান্তিপৰ্ব ঃ কামৰূপৰ লক্ষ্মীনাথ দ্বিজে অনুবাদ কৰে।

১৪। অশ্বমেধপৰ্ব ঃ এই পৰ্বৰ ৰচক তিনিজন— গংগাসেন দাস, ভবানী দাস আৰু সুবুদ্ধি ৰায়।

১৫। আশ্ৰমিকপৰ্ব ঃ এই পৰ্বৰ ৰচক কালিদাস খাটনিয়াৰ।

১৬। মুষল পৰ্ব ঃ এই মুষল পৰ্ব পৃথুৰাম দ্বিজে ৰজা কমলেশ্বৰ সিংহৰ মন্ত্ৰী প্ৰতাপ বল্লভৰ অনুৰোধত ৰচনা কৰে।

১৭। মহাপ্ৰস্থানিক পৰ্ব ঃ এই পৰ্ব পৃথুৰাম দ্বিজে ৰচনা কৰিছে।

১৮। স্বৰ্গাৰোহন পৰ্ব ঃ এই পৰ্বৰ ৰচক দুজন হ'ল— গোপীনাথ পাঠক আৰু পৃথুৰাম দ্বিজ।

উক্ত পৰ্বসমূহৰ উপৰি 'হৰিবংশ'কো যদি মহাভাৰতৰ এটা পৰিপূৰক খণ্ড বুলি ধৰা হয় তেন্তে 'হৰিবংশ'ৰ পদ ৰচয়িতা সকলৰ নামো উল্লেখ কৰিব পাৰি। হৰিবংশৰ পদ অসমীয়ালৈ অনুবাদ কৰাসকলৰ ভিতৰত গোপালচৰণ দ্বিজ, বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য আৰু ভবানন্দ দাসৰ নাম ল'ব পাৰি। উল্লেখ্য যে, পুৰণি অসমীয়া সাহিত্যৰ হৰিবংশৰ প্ৰভাৱ এটি লক্ষ্য কৰিবলগীয়া বিষয় হৈ আহিছে। শঙ্কৰদেৱৰ ৰচনাতো এই পুথিৰ প্ৰভাৱ আছে।

**মহাভাৰতীয় কাব্য ঃ**

অসমীয়া ভাষাত 'মহাভাৰত'ৰ বিভিন্ন কাহিনী আৰু চৰিত্ৰক লৈ নানাবিধ কাব্য ৰচিত হৈছে। মহাভাৰতীয় কাব্য ৰচনাৰ পৰম্পৰা প্ৰাক্‌শঙ্কৰী যুগৰ পৰাই আৰম্ভ হৈছে। প্ৰাক্‌শঙ্কৰী যুগৰ কবি হৰিবৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ', কবিৰত্ন সৰস্বতীৰ 'জয়দ্ৰথ বধ', ৰুদ্ৰ কন্দলীৰ 'সাত্যকী প্ৰৱেশ' আৰু মাধৱ কন্দলীৰ নামত প্ৰচলিত 'দেৱজিৎ' কাব্য মহাভাৰতৰ কাহিনী আধাৰিত ৰচনা। অসমীয়া সাহিত্যত মহাভাৰতৰ কাহিনী আৰু বিভিন্ন পুৰাণৰকাহিনী সংমিশ্ৰিত কৰিও কাব্য ৰচিত হৈছে। উদাহৰণস্বৰূপে মাধৱদেৱ আৰু ৰাম সৰস্বতীয়ে এনে সংমিশ্ৰিত কাব্য ৰচনা কৰিছে। মাধৱদেৱে তেওঁৰ 'ৰাজসূয় কাব্য'ৰ কাহিনী মহাভাৰতৰ উপৰি 'ভাগৱত'ৰ দশম স্কন্ধ, হৰিবংশ আৰু পদ্মপুৰাণৰ উত্তৰাখণ্ড আৰু মাঘৰ 'শিশুপাল বধ' কাব্যৰ পৰা লৈছে। সেইদৰে ৰাম সৰস্বতী প্ৰণীত বধকাব্যৰ সৰহভাগেই 'মহাভাৰত'ৰ লগতে 'যামল সংহিতা', 'শিৱ হস্য হংসকাকী' আদি গ্ৰন্থৰ পৰা লোৱা হৈছে। এয়াও মহাভাৰতীয় সাহিত্যৰে পুনৰ্সৃষ্টিৰ অন্যৰূপ মাত্ৰ।

ৰাম সৰস্বতীয়ে মহাভাৰতৰ কথাবস্তুৰ আধাৰত 'পাঞ্চালীৰ বিবাহ', 'ব্যাখাশ্ৰম', 'সাবিত্ৰী উপাখ্যান', 'তীৰ্থযাত্ৰা', 'ব্যঞ্জনপৰ্ব' আদি কাব্য ৰচনা কৰে। ইয়াৰে 'পাঞ্চালী বিবাহ' 'মহাভাৰত'ৰ আদি পৰ্বৰ কথাবস্তু আধাৰিত কাব্য। শান্তনুনন্দন ভীষ্মৰ বীৰত্ব আৰু

মহত্ব বৰ্ণিত হৈছে। এই কাব্য মহাভাৰতৰ উপৰি 'যামল সংহিতা', 'অষ্টাদশ পুৰাণ'ৰ সমল আধাৰিত গ্ৰন্থ। আনহাতে 'সাবিত্ৰী উপাখ্যান' 'মহাভাৰত'ৰ শান্তি পৰ্বৰ কথাবস্তুৰ পুনৰ্সৃষ্টি। শঙ্কৰী আৰু শঙ্কৰোত্তৰ যুগতো মহাভাৰতীয় কাব্য ৰচনাৰ ধাৰা অব্যহত থাকে। বিদ্যাপঞ্চাননে মহাভাৰতৰ ভীষ্মপৰ্বৰ কাহিনীৰ আধাৰত 'অস্বাচৰিত' ৰচনা কৰে। শ্ৰীনাথ দ্বিজে 'দৌপদী স্বয়ম্বৰ' ৰচে। মহাভাৰতৰ সভাপৰ্বৰ কাহিনীৰ আধাৰত শিষ্ট ভট্টাচাৰ্যই 'শিশুপাল বধ' কাব্য ৰচনা কৰে। এইখন কাব্যৰ হাস্যৰসৰ প্ৰাধান্যতা লক্ষ্য কৰা যায়। কিন্তু বৈষ্ণৱ কাব্যৰ গাম্ভীৰ্য আৰু সৌন্দৰ্য বিঘ্নিত হৈছে। বিষ্ণুৰাম দ্বিজৰ 'দাতাকৰ্ণ' শুভনাথ দ্বিজৰ 'ধৰ্মসংবাদ', নাৰায়ণ দাসৰ 'অৰ্জুন সংবাদ' আদিও মহাভাৰতৰ কাহিনীৰ আধাৰত ৰচিত অসমীয়া কাব্য। আহোম ৰজা ৰুদ্ৰসিংহ, শিৱসিংহৰ সভাকবি কবিৰত্ন চক্ৰৱৰ্তীৰ 'শকুন্তলা কাব্য'ও মহাভাৰতৰ কাহিনী আধাৰিত কাব্য। শঙ্কৰোত্তৰ যুগৰ এগৰাকী বিশিষ্ট কবি দামোদৰ দ্বিজেও মহাভাৰতৰ শল্যপৰ্বৰ আধাৰত অসমীয়া 'শল্যপৰ্ব' কাব্য ৰচনা কৰিছিল। পদ আৰু দুলড়ী ছন্দত ৰচিত গ্ৰন্থখনত কবিৰ বৰ্ণনা দক্ষতাৰ পৰিচয় পোৱা যায়। 'শল্যপৰ্ব' কাব্যখন ঘৰুৱা প্ৰবচন-পটন্তৰেৰেও সমৃদ্ধ কাব্য।

মনকৰিবলগীয়া কথা যে, মহাভাৰতীয় অসমীয়া কাব্যতে সংস্কৃত আলংকাৰিকসকলে নিৰ্ণয় কৰা মহাকাব্যৰ আটাইবোৰ লক্ষণ ৰক্ষিত হোৱা নাই। সৰ্গ বিভাগো কৰা দেখা নাযায়। কাব্যসমূহক প্ৰধানকৈ উদ্দেশ্যধৰ্মী ৰচনা বুলি ক'ব পাৰি। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি কাব্যৰাজি ৰচনা কৰিছিল বুলি ধৰিব পাৰি। কাব্য ৰচনাৰ ক্ষেত্ৰত লোকৰঞ্জন আৰু জনপ্ৰিয়তালৈ লক্ষ্য ৰখা হৈছিল।

**তত্ত্ববিষয়ক গ্ৰন্থ ঃ**

মহাভাৰতৰ ভীষ্মপৰ্বৰ অন্তৰ্গত 'গীতা' এখন সুকীয়া তত্ত্ববিষয়ক গ্ৰন্থ। এই গ্ৰন্থৰ পুনৰ্সৃষ্টিৰ ক্ষেত্ৰত প্ৰথমে নাম ল'ব লাগিব বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱৰ। ভট্টদেৱে ষোড়শ শতিকাতে 'গীতা' অসমীয়া গদ্যলৈ অনুবাদ কৰে। ভট্টদেৱ বিৰচিত গীতাখন 'কথাগীতা' বা 'গীতা-কথা' বুলি পৰিচিত। 'কথাগীতা' অনুবাদ কৰোঁতে ভট্টদেৱে শংকৰী, ভাস্কৰী, শ্ৰীধৰী আদি টীকাৰ সহায় লৈছে। ই অসমীয়া গদ্য সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন।

উল্লেখ্য যে, ৰামসৰস্বতীয়ে মহাভাতৰ ভীষ্মপৰ্বত সাতাৰন্নটা পদৰ মাজতে গীতাৰ কথাখিনি যুগুতাইছে। অসমীয়া ভাষাত গীতা ৰচনা কৰা আন এগৰাকী কবি হ'ল গোবিন্দ মিশ্ৰ। এওঁ শ্ৰীধৰস্বামীৰ টীকাৰ সহায়ত 'গীতা'খনৰ শ্লোক ভাঙিছে। গোবিন্দ মিশ্ৰৰ গীত 'পদ্য-গীতা' বুলি জনাজাত। সপ্তদশ শতিকাত ভাগৱত মিশ্ৰই 'গীতা'ৰ সাৰ অংশ ভাঙি 'গীতাসাৰ' ৰচনা কৰে। পৰৱৰ্তী কালতো গীতা অসমীয়ালৈ অনুবাদ কৰা হৈছে। বিশেষকৈ আধুনিক কালত গীতাপুথি বহুকেইগৰাকী পণ্ডিতে অসমীয়া ভাষালৈ অনুবাদ কৰিছে। তাৰে ভিতৰত পদ্মনাথ গোহাঞি বৰুৱা, গৌৰীকান্ত তালুকদাৰ, ৰজনীকান্ত গোস্বামী, মহেন্দ্ৰ বৰা আদি উল্লেখযোগ্য।

**মহাভাৰতৰ নাট্যৰূপ ঃ**

অসমীয়া ভাষাত 'মহাভাৰত'ৰ কাহিনীৰ আলমত অসংখ্য নাট ৰচিত হৈছে। ইবোৰৰ বেছিসংখ্যকেই ভাওনাত পৰিৱেশনৰ অৰ্থে ৰচনা কৰা নাট। নাটবোৰ অংকীয়া নাটৰ আৰ্হিত ৰচনা কৰা আৰু বৈষ্ণৱ যুগৰ নাটৰ গতানুগতিক ৰূপ এটি ইবোৰত প্ৰতিফলিত হৈ আহিছে। এনে নাটকৰ ভিতৰত 'দুৰ্বাস-ভোজন', 'ভীষ্ম নিৰ্বান', 'সিন্ধুযাত্ৰা', 'কুলাচল বধ', 'অভিমন্যু বধ', 'জয়দ্ৰথ বধ' আদি প্ৰধান। আধুনিক কালতো 'মহাভাৰত'ৰ কাহিনীৰ আধাৰত নাট ৰচনা হৈছে। বিংশ শতিকাত ৰচিত (১৯৩৯ চনত) গণেশ গগৈৰ 'শকুনিৰ প্ৰতিশোধ' এইক্ষেত্ৰত উল্লেখযোগ্য নাটক। এইখন নাটকৰ নাট্যকাৰৰ বলিষ্ঠ সংলাপ আৰু চৰিত্ৰ-সৃষ্টিৰ মৌলিক প্ৰচেষ্টা আছে। 'মহাভাৰত'ৰ কাহিনীৰ আলমত ৰচনা কৰা অন্যান্য আধুনিক নাটকৰ ভিতৰত দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'গুৰুদক্ষিণা', 'বৃষকেতু', 'শকুন্তলা', দুৰ্গেশ্বৰ শৰ্মাৰ 'পাৰ্থ-পৰাজয়', ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ 'শ্ৰীবৎস চিন্তা', দণ্ডিনাথ কলিতাৰ 'কীচকবধ', মিত্ৰদেৱ মহন্তৰ 'প্ৰচ্ছন্ন পাণ্ড', বিনন্দ বৰুৱাৰ 'পাৰ্থ-সাৰথি', ধনেশ্বৰ শৰ্মাৰ 'নলদময়ন্তী', অতুল চন্দ্ৰ হাজৰিকাৰ 'কুৰুক্ষেত্ৰ' আদি উল্লেখযোগ্য নাট।

**লোকসাহিত্যত মহাভাৰত ঃ**

অসমীয়া লোকগীত, মন্ত্ৰসাহিত্য, ফকৰাযোজনা, প্ৰৱচন ইত্যাদিতো 'মহাভাৰত'ৰ আখ্যান, চৰিত্ৰ বা বিবিধ অনুৰঙ্গই ঠাই পাইছে। 'মহাভাৰত'ৰ কৃষ্ণ অৰ্জুনৰ প্ৰসঙ্গ অসমীয়া গীত মাতত সিঁচৰতি হৈ আছে। বিয়ানামত কৃষ্ণ-ৰুক্মিণী, অৰ্জুন সুভদ্ৰাৰ প্ৰসঙ্গ আছে। বাৰমাহী গীততো 'মহাভাৰত'ৰ কাহিনীয়ে স্থান পাইছে। 'দ্ৰৌপদীৰ বিলাপ গীত'ত দুঃশাসনে দ্ৰৌপদীক ৰাজসভালৈ নি অপমান কৰাৰ কথা আছে। 'অভিমন্যুৰ গীত'ত বেহুৰ মাজৰ পৰা ওলাব নোৱৰা অভিমন্যুৰ দুৰ্দশা আৰু বীৰত্বৰ মৰ্মস্পৰ্শী বৰ্ণনা আছে। গীতমাতৰ উপৰি অসমীয়া প্ৰবচন, যোজনা, খণ্ডবাক্য আদিও মহাভাৰতীয় সমলৰ আধাৰত ৰচিত হৈছে। যেনে— 'কৌৰৱৰ লোণ খায় পাণ্ডৱৰ গুণ গায়', 'ধনেহে ধৰ্মৰ মূল জানা ধনঞ্জয়। ধন নহ'লে একো কাম নিসিজয়।' 'কি মহাভাৰতখন অশুদ্ধ হ'ল' 'ভীষ্ম-প্ৰতিজ্ঞা', 'ধনঞ্জয় ঢোল', 'দাতাকৰ্ণ', 'ভীষ্ম-প্ৰতিভা', 'ধনঞ্জয় ঢোল', 'দাতাকৰ্ণ', 'ভীষ্মৰ গদা', ইত্যাদি।

**আত্মমূল্যায়ণ প্ৰশ্ন**

মহাকাব্য দুখনৰ বিষয়বস্তুক লৈ অসমীয়া ভাষাত সাহিত্যৰ পুনৰ্সৃষ্টি হোৱা মূল কাৰণ কি বুলি ভাৱিব পাৰি? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

## ৩.৫ সাৰাংশ (Summing Up)

বিশুদ্ধ অসমীয়া ভাষাৰ সাহিত্যৰ শুভাৰম্ভ হৈছিল পুৰাণ, মহাকাব্যৰ বিষয়বস্তুক লৈ। সেই সময়ছোৱাৰ প্ৰায়খিনি সাহিত্যই আছিল অনুবাদমূলক। কেতবোৰ ৰচনা প্ৰত্যক্ষ অনুবাদ হৈছিল আৰু আন কেতবোৰ বিষয়বস্তুৰ ভাবানুবাদ হৈ অন্য সাহিত্যিক ৰূপৰ সৃষ্টি হৈছিল। যথাঃ পুৰাণৰ বিষয়বস্তু লৈয়ে নাট, কাব্য, গীত-মাত আদি সৃষ্টি হৈছিল। সেয়েহে সেই সময়ছোৱাৰ পুৰাণ আশ্ৰিত সাহিত্যৰাজিক অনুবাদমূলক, কাব্য, নাট, গীত, নাম-প্ৰসঙ্গ সম্বন্ধীয়, লোক-সাহিত্য, মন্ত্ৰপুথি আদি বিভিন্ন ৰূপত ভাগ কৰিব পাৰি। তদুপৰি আধুনিক অসমীয়া সাহিত্যতো পুৰাণৰ বিষয়বস্তুলৈ সাহিত্যৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। একেদৰে মহাকাব্য বিশেষকৈ 'ৰামায়ণ, মহাভাৰত'ৰ বিষয়বস্তুক লৈয়ো তাহানিৰ সময়ৰে পৰা বৰ্তমান সময়লৈকে সাহিত্যৰ সৃষ্টি হৈ আহিছে।

## ৩.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। ৰামায়ণৰ কি কি দিশক লৈ অসমীয়া সাহিত্যত পুনৰ্সৃষ্টি হৈছে? আলোচনা কৰক।

২। অসমীয়া সাহিত্যৰ কি কি ৰূপত মহাভাৰতৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়? উদাহৰণসহ ব্যাখ্যা কৰক।

৩। অসমীয়া সাহিত্যত পুৰাণৰ পুনৰ সৃষ্টি মানে কি? বহলাই আলোচনা কৰক।

৪। অসমীয়া সাহিত্যৰ কি কি শিতানত পুৰাণৰ বিষয়বস্তু লৈ সাহিত্যৰ সৃষ্টি হৈছে?

৫। কি কি পুৰাণৰ বিষয়বস্তুৱে অসমীয়া সাহিত্যত প্ৰভাৱ পেলাইছে? বিচাৰ কৰক।

## ৩.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী

ড° সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা

বিশ্বেশ্বৰ হাজৰিকা (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী

Dr. Banikanta Kakati : *Assamese; Its formation and Development*


* * *

চতুৰ্থ বিভাগ

# হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ সামাজিক পটভূমি
৪.৪ হেম সৰস্বতীৰ পৰিচয়
৪.৫ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যৰ কাহিনীভাগ
৪.৬ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যৰ মূল উৎস
৪.৭ বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক কাব্য হিচাপে 'প্ৰহ্লাদ চৰিত্ৰ'
৪.৮ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ ভাষা
৪.৯ হেম সৰস্বতীৰ কাব্যৰ বিশেষত্ব
৪.১০ সাৰাংশ (Summing Up)
৪.১১ আৰ্হিপ্ৰশ্ন (Sample Questions)
৪.১২ প্ৰসঙ্গগ্ৰন্থ (References/Suggested Readings)

## ৪.১ ভূমিকা (Introduction)

পূৰ্ব্বৰ্তী বিভাগত অসমীয়া ভাষাত পুৰাণ-মহাকাব্যৰ পুনৰ্সৃষ্টি বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগত হেমসৰস্বতীৰ 'প্ৰ!াদ চৰিত্ৰ'ৰ বিষয়ে আলোচনা কৰা হ'ব।

পণ্ডিতসকলে অসমীয়া ভাষাৰ বিকাশৰ সময়ত খ্ৰীঃ দশম-দ্বাদশ বুলি ঠাৱৰ কৰিছে। এই সময়ছোৱাৰ ভিতৰত ৰচিত হোৱা অসমীয়া ভাষাৰ লিখিত নিদৰ্শন হ'ল 'চৰ্যাপদ'। চৰ্যাপদক মগধীয় ভাষাগুচ্ছৰ উমৈহতীয়া সম্পদ বুলি বিবেচনা কৰা হয়। পৰৱৰ্তী সময়ত হেমসৰস্বতীয়ে 'প্ৰ!াদ চৰিত্ৰ' ৰচনা কৰে। এই গ্ৰন্থখনে হ'ল বিশুদ্ধ অসমীয়া ভাষাত লিখিত প্ৰথম গ্ৰন্থ। প্ৰকৃতাৰ্থত এই গ্ৰন্থখনৰ পৰাই অসমীয়া লিখিত সাহিত্যৰ পৰম্পৰা শুদ্ধৰূপত আৰম্ভ হয়। এই বিভাগটিত এই কাব্যগ্ৰন্থখনৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া সাহিত্যৰ প্ৰাক-শংকৰী যুগৰ সামাজিক পটভূমি বিচাৰ কৰিব পাৰিব,
- হেম সৰস্বতীৰ পৰিচয় লাভ কৰি তেওঁৰ কাব্যসমূহৰ বিষয়ে জানিব পাৰিব,

- হেম সৰস্বতীৰ ‘প্ৰহ্লাদ চৰিত্ৰ’ কাব্যৰ মূল উৎস আৰু কাহিনীভাগ বৰ্ণনা কৰিব পাৰিব,
- বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক কাব্য হিচাপে ‘প্ৰহ্লাদ চৰিত্ৰ’ কাব্যখন পৰ্যালোচনা কৰিব পাৰিব,
- ‘প্ৰহ্লাদ চৰিত্ৰ’ৰ ভাষা সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব,
- হেম সৰস্বতীৰ ৰচনাৰাজিৰ বিশেষত্ব সম্পৰ্কে ফহিয়াই চাব পাৰিব।

## ৪.৩ সামাজিক পটভূমি

প্ৰাক-শংকৰী যুগৰ সময়ছোৱাতে অসমীয়া ভাষাই নিজ বৈশিষ্ট্য তথা বিশেষত্বৰে উজ্বলি উঠিবলৈ সক্ষম হৈছিল আৰু এই সময়তে বিভিন্ন উচ্চভাব সম্পন্ন সাহিত্যৰাজি সৃষ্টি হৈছিল। প্ৰাক্-শংকৰী যুগৰ লিখিত সাহিত্যৰ আগতেই অসমীয়া ভাষাৰ প্ৰথম নিদৰ্শন খ্ৰীষ্টীয় দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত চৰ্যাপদসমূহত দেখা যায়। চৰ্যাপদ ৰচনাৰ পৰৱৰ্তী সময়ছোৱাক পণ্ডিতসকলে প্ৰাক্-শংকৰী যুগ বুলি নিৰ্ধাৰণ কৰিছে। এই যুগৰ সময় সীমা ড° সত্যেন্দ্ৰনাথ শৰ্মাই ১৩০০ খ্ৰীষ্টাব্দৰ পৰা ১৪৯০ খ্ৰীষ্টাব্দলৈ নিৰ্ধাৰণ কৰিছে আৰু বেছিভাগ পণ্ডিত সমালোচকে এই কাল নিৰ্ধাৰণ মানি লৈছে। প্ৰাক্-শংকৰী যুগৰ আদিকবি হেম সৰস্বতীৰ উদ্ভৱৰ সময় ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশ শতিকাৰ আদিভাগ বুলি নিৰ্ধাৰণ কৰা হৈছে। চৰ্যাপদৰ সময়ৰ পৰা হেম সৰস্বতীৰ ‘প্ৰহ্লাদ চৰিত্ৰ’ কাব্য ৰচনালৈ অৰ্থাৎ খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ প্ৰায় দুশ বছৰৰ ভিতৰত ৰচিত কোনো লিখিত সাহিত্যৰ নিদৰ্শন বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই। প্ৰাক্-শংকৰী যুগৰ পঞ্চকবি বুলি খ্যাত হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী, হৰিবৰ বিপ্ৰ আৰু মাধৱ কন্দলীয়ে যি উৎকৃষ্ট সাহিত্যৰাজি সৃষ্টি কৰিলে, সেয়া ক্ৰমাগত সাহিত্য ৰচনাৰ ধাৰা বা পৰম্পৰা নাথাকিলে সম্ভৱপৰ নহয়। অৰ্থাৎ এই পঞ্চকবিৰ উচ্চ মানদণ্ডৰ সাহিত্যৰাজি সৃষ্টি হোৱাৰ আগতে ধাৰাবাহিকভাবে নিশ্চয় আৰু সাহিত্য ৰচনা হৈছিল যিবোৰ ৰচনা হয়তো কালৰ বুকুত লয় পালে অথবা সেইবোৰ এতিয়াও উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। মূলতঃ সংৰক্ষণৰ অভাৱ, প্ৰতিকুল জলবায়ু, নানা প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক অস্থিৰতা আদিৰ ফলত তেনে সাহিত্য নষ্ট হৈ যোৱাৰ সম্ভাৱনা আছে।

প্ৰাক্-শংকৰী যুগৰ পঞ্চকবিৰ ভিতৰত হেম সৰস্বতীক আদি কবি বুলি ধৰি লোৱা হয়। এই কবিকেইজনৰ ‘আটাইকেইজনেই খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ কবি ৰূপে প্ৰমাণিত,· তাৰ ভিতৰত হেম সৰস্বতীক অলপ অগ্ৰৱৰ্তী বুলি ধৰি লোৱাৰ অৱকাশ পোৱা যায়। ত্ৰয়োদশ শতিকাৰ একেবাৰে শেষত নহ'লেও চতুৰ্দশ শতিকাৰ প্ৰথমতেই তেওঁৰ “প্ৰহ্লাদ চৰিত্ৰ” কাব্য ৰচিত হৈছিল বুলি ক'ব পৰা যায়।’ (শৰ্মাদলৈ, হৰিনাথ, অসমীয়া-সাহিত্যৰ পূৰ্ণ-ইতিহাস, পৃষ্ঠা ৭৪-৭৫)।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ সামাজিক পটভূমি বাক্যাংশই কি সূচায় ? (৪০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ৪.৪ হেম সৰস্বতীৰ পৰিচয়

অসমীয়া সাহিত্যৰ আদি কবি ৰূপে পৰিচিত হেম সৰস্বতী হৈছে অসমীয়া ভাষা-সাহিত্যৰ প্ৰথম খনিকৰ যিয়ে 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰগৌৰী-সংবাদ' নামৰ দুখন কাব্য ৰচনা কৰি অসমীয়া সাহিত্য ৰচনাৰ দুৱাৰ মুকলি কৰে। এই দুয়োখন কাব্যতে তেওঁ আত্ম-পৰিচয় দাঙি ধৰিছে। 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যত তেওঁ আত্ম-পৰিচয় দিছে এইদৰে -

কমতা মণ্ডল দুৰ্ল্লভ নাৰায়ন
নৃপবৰ অনুপাম।
তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী
দেৱযানী কন্যা নাম।।
তাহান তনয় হেম সৰস্বতী
ধ্ৰুৱৰ অনুজ ভাই।
পদবন্ধে তেহো প্ৰচাৰ কৰিলা
বামন পুৰাণ চাই।।

উক্ত পদফাঁকিত হেম সৰস্বতীৰ জন্ম-পৰিচয় স্পষ্টকৈ প্ৰকাশ পোৱা নাই। ইয়াত হেম সৰস্বতী ৰুদ্ৰ সৰস্বতীৰ সন্তান নে দেৱযানীৰ সন্তান, এইটো স্পষ্ট নহয়। 'দেৱযানী যদি ৰুদ্ৰ সৰস্বতীৰ কন্যা তেন্তে হেম সৰস্বতী আৰু ধ্ৰুৱ তেওঁৰ (ৰুদ্ৰ সৰস্বতীৰ) নাতিহে।' (শৰ্মা, সত্যেন্দ্ৰনাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা ৫৬)। সেয়া যিয়েই নহওক, 'প্ৰহ্লাদ চৰিত্ৰ'ত দিয়া আত্ম-পৰিচয়ৰ পৰা জনা যায় যে কমতাপুৰ (কমতা মণ্ডল)ৰ ৰজা দুৰ্লভ নাৰায়ণৰ ৰাজত্বৰ সময়ছোৱাত ৰুদ্ৰ সৰস্বতী অথবা দেৱযানীৰ সন্তান আৰু ধ্ৰুৱৰ সৰু ভায়েক হেম সৰস্বতীয়ে 'বামন পুৰাণ'ৰ আধাৰত 'প্ৰহ্লাদ চৰিত্ৰ' কাব্য ৰচনা কৰে।

আকৌ, হেম সৰস্বতীয়ে 'হৰগৌৰী-সংবাদ' কাব্যত তেওঁ জন্ম-পৰিচয় দাঙি ধৰিছে এনেদৰে—

"ভূপ দুৰ্ল্লভ নাৰায়ন পাত্ৰ পসুপতি-সুত
সৰ্ব্বশাস্ত্ৰ পণ্ডিত সুজন।

তাহাৰ তনয় চাৰি ধনঞ্জয় আদি কৰি
ধ্রুৱ ভৈল কুলত প্ৰধান।
অপৰ হেমন্ত কবি হৰ-গৌৰী পদ সেৰি
হেম সৰস্বতী ভৈল নাম।
মতিত গম্ভীৰ গহীন সুথিৰ ধাৰ
কমতা ভুৱন নিজ গ্ৰাম।।

আকৌ, 'হৰগৌৰী-সংবাদ' কাব্যৰ আন এটা ভণিতাত হেম সৰস্বতীৰ পিতৃ-মাতৃৰ পৰিচয় পোৱা যায় এনেদৰে—

হৰগৌৰী সমঙ্গলে জয় জয় কতুহলে
কতুহলে ভকতি মুকুতি।
পসুপতি ৰম্ভাৱতি পিতা মাতা সঙ্গে স্থিতি
সুভভনে হেম সৰস্বতী।।

এই দুয়োখন কাব্যত থকা ভণিতাৰ পৰা বুজা যায় যে কবি হেম সৰস্বতীৰ পিতৃ-মাতৃৰ নাম ক্ৰমে ৰুদ্ৰ সৰস্বতী আৰু ৰম্ভাৱতী। অৱশ্যে দুয়োখন কাব্যৰ ভণিতাৰ পৰা হেম সৰস্বতীৰ মাতৃ দেৱযানী নে ৰম্ভাৱতী সেইটো খাটাংকৈ ক'ব নোৱাৰি। ৰুদ্ৰ সৰস্বতীৰ নামটো পসুপতি (পশুপতি)ৰ সমাৰ্থক বুলি ভাবিব পাৰি। ৰুদ্ৰ সৰস্বতীৰ চাৰিজন পুত্ৰ আছিল বুলি সিদ্ধান্ত কৰিব পৰা যায়। ধ্রুৱ আছিল তেওঁৰ জ্যেষ্ঠ পুত্ৰ। তেওঁৰ অনুজ ভাতৃ হেমন্তই পৰৱৰ্তী কালত স্বমহিমা আৰু পাণ্ডিত্যৰ বাবে হেম সৰস্বতী নামেৰে জনাজাত হ'ল। কবিৰ পৈতৃক ঘৰ আছিল কমতাপুৰত অৰ্থাৎ কমতামণ্ডলৰ ৰাজধানীত। 'সেই সময়ত কামৰূপ, গোৱালপাৰা, কোচবিহাৰ আৰু ৰংপুৰ জিলা 'কমতামণ্ডল'ৰ অৰ্থাৎ কমতা ৰাজ্যৰ ভিতৰত পৰিছিল। গতিকে কবিৰ জন্মভূমি এই চাৰি জিলাৰ কোনো এখনত আছিল' (শৰ্মা, হেমন্ত কুমাৰ, অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃষ্ঠা ৬২)।

হেম সৰস্বতী কমতামণ্ডলৰ অধিপতি দুৰ্লভ নাৰায়ণৰ ৰাজত্ব কালৰ সময়ছোৱাত পৃষ্ঠপোষকতা লাভ কৰি 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰগৌৰী-সংবাদ' নামৰ কাব্য দুখন ৰচনা কৰিছিল। কমতা মণ্ডলৰ ৰজা দুৰ্লভ নাৰায়ণৰ সময়ৰ লগত কবিৰ কাব্য ৰচনাৰ সময় নিৰ্ভৰ কৰিছে।

অৱশ্যে ৰজা দুৰ্লভ নাৰায়ণৰ ৰাজত্ব কাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত মত বিৰোধ আছে। পদ্মনাথ গোহাঞি বৰুৱা, ছাৰ এডোৱাৰ্ড গেইট, ড° বাণীকান্ত কাকতি, কালিৰাম মেধি, ড° সত্যেন্দ্ৰ নাথ শৰ্মা আদি পণ্ডিতসকলৰ মতে, দুৰ্লভ নাৰায়ণে ত্ৰয়োদশ শতিকাৰ শেষৰ পৰা চতুৰ্দশ শতিকাৰ প্ৰথম ভাগলৈ ৰাজত্ব কৰিছিল। আকৌ, কনকলাল বৰুৱা, দেৱানন্দ ভৰালিয়ে দুৰ্লভ নাৰায়ণক চতুৰ্দশ শতিকাৰ মাজভাগলৈ টানিব বিচাৰে। পদ্মনাথ গোহাঞি বৰুৱাৰ মতে, দুৰ্লভ নাৰায়ণ ১২৯৫ খ্ৰীঃ ৰ পৰা

১৩৩০ খ্ৰীঃ লৈ কমতাপুৰত ৰাজত্ব কৰিছিল- "নীলধবজ লোকান্তৰৰ পাছত তেওঁৰ পুতেক দুৰ্লভ নাৰায়ণ ১২৯৫ খ্ৰীঃ ত কমতাপুৰৰ ৰাজপাটত উঠে। ....... দুৰ্লভ নাৰায়ণৰ লোকান্তৰৰ পাছত তেওঁৰ পুতেক আৰু নাতিয়েকসকলে খ্ৰীঃ ১৩৩০ চনৰ পৰা ১৪২০ চনলৈ ৰাজত্ব কৰে" (অসম বুৰঞ্জী, অধ্যায় ৬)। ছাৰ এডোৱাৰ্ড গেইট চাহাবে 'A History of Assam' গ্ৰন্থত উল্লেখ কৰিছে- 'One of the legends of the Bhuya mentions Durlabh Narayana as a Raja of Kamata and, if it can be relied upon, he would seem to have ruled, at the end of the 13th Century.' অৰ্থাৎ কমতাত দুৰ্লভ নাৰায়ণ নামৰ ৰজা থকাটো যদি বিশ্বাসযোগ্য হয়, তেনেহ'লে তেওঁ তাত ৰাজত্ব কৰিছিল ১৩শ শতিকাৰ শেষভাগত। একেদৰে ড° বাণীকান্ত কাকতিয়ে ১৩শ শতিকাৰ শেষভাগত দুৰ্লভ নাৰায়ণে কমতাপুৰত ৰাজত্ব কৰিছিল বুলি মত পোষণ কৰিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই দুৰ্লভ নাৰায়ণ ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশৰ আদি ভাগৰ ভিতৰত উদ্ভৱ বুলি মতামত দিছে। আনহাতে, কনকলাল বৰুৱাৰ মতে দুৰ্লভ নাৰায়ণৰ ৰাজত্ব কাল আছিল ১৪শ শতিকাৰ দ্বিতীয়-চতুৰ্থাংশ- 'We can therefore, place Durlabha Narayan's reign about the second quarter of the fourteenth century.' পণ্ডিতসকলৰ মতসমূহ বিশ্লেষণ কৰি ক'ব পৰা যায় যে, দুৰ্লভ নাৰায়ণে কমতাপুৰত ত্ৰয়োদশ শতিকাৰ শেষ আৰু চতুৰ্দশ শতিকাৰ আদি ভাগত ৰাজত্ব কৰিছিল আৰু হেম সৰস্বতীয়ে তেওঁৰ ৰাজপৃষ্ঠপোষকতা লাভ কৰি এই সময়ছোৱাৰ ভিতৰতে কাব্য ৰচনা কৰিছিল।

### ৪.৫ প্ৰহ্লাদ চৰিত্ৰ কাব্যৰ কাহিনীভাগ

বৈকুণ্ঠৰ পতি নাৰায়ণৰ চৰণত শৰণ লৈ হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ'ৰ আখ্যানভাগৰ পাতনি মেলিছে। বিষ্ণুৰ সভাত দেৱতাগণে একত্ৰে দৈত্যৰাজ হিৰণ্যকশিপুক বধৰ নিমিত্তে প্ৰাৰ্থনা জনালে। দুৰাচাৰ হিৰণ্যকশিপুৰ অত্যাচাৰৰ পৰা বিষ্ণু ব্যতিৰেকে তেওঁলোকক কোনেও ৰক্ষা কৰিব নোৱাৰে। তেতিয়া বিষ্ণুৱে তেওঁলোকক প্ৰবোধ দিলে যে, তেওঁ শিৱৰ দ্বাৰা বৰপ্ৰাপ্ত হিৰণ্যকশিপুক বধ কৰিব।

বিষ্ণুভক্ত প্ৰহ্লাদে হিৰণ্যকশিপুৰ পুত্ৰৰূপে জন্ম পালে আৰু বিষ্ণুৰ আদেশত সৰস্বতীয়ে প্ৰহ্লাদৰ কণ্ঠত বসতি কৰিলে। তেতিয়াৰ পৰা প্ৰহ্লাদে অনবৰতে পিতৃৰ সন্মুখত হৰিক স্মৰণ কৰিব ধৰিলে। প্ৰহ্লাদৰ হৰিভক্তিয়ে ভাতৃবৈৰী হৰিৰ প্ৰতি হিৰণ্যকশিপুৰ বিদ্বেষ বঢ়াবলৈ ধৰিলে আৰু খঙৰ ভমকত প্ৰহ্লাদক গালি দিলে এনেদৰে—

"কোঠেৰ হৰিক সুমৰস দুৰাচাৰ।
আমাৰ বংশত তঞি ভৈলি কুলাঙ্গাৰ।।"

তথাপি প্ৰহ্লাদে হৰিৰ নাম স্মৰণ কৰিবলৈ এৰা নাছিল। তেতিয়া দৈত্যৰাজে দৈত্যগুৰু শুক্ৰাচাৰ্যক মতাই আনি প্ৰহ্লাদক অসুৰৰ বামানয় শাস্ত্ৰ পঢ়ুৱাবলৈ ক'লে।

বামানয় শাস্ত্ৰই প্ৰহ্লাদৰ বিষ্ণুভক্তিৰ গভীৰতা কমাব নোৱাৰিলে। শুক্ৰাচাৰ্য আৰু তেওঁৰ পুত্ৰ ষণ্ডামৰ্ক বামানয় শাস্ত্ৰ জ্ঞান প্ৰহ্লাদক দিয়াত ব্যৰ্থ হ'ল। প্ৰহ্লাদৰ অটল বিষ্ণুভক্তি, বামানয় শাস্ত্ৰ অধ্যয়নৰ প্ৰতি বিৰাগ, মুখত অকল হৰিনামৰ সঘন উচ্চাৰণে দৈত্যৰাজ হিৰণ্যকশিপুক বিচলিত কৰে আৰু কঠোৰ সিদ্ধান্ত ল'বলৈ বাধ্য কৰায়।

হিৰণ্যকশিপুৰ খঙে চুলিৰ আগ পোৱাত তেওঁ অহংকাৰত মত্ত হৈ ক'বলৈ ধৰিলে যে, তেৱেঁই স্বৰ্গ-মৰ্ত্ত্য-পাতালৰ অধিকাৰী; হৰি, হৰ, ব্ৰহ্মা, পুৰন্দৰ আদি দেৱগণ তেওঁৰ অধীন। গতিকে প্ৰহ্লাদে হৰিক স্মৰণ কৰা বাদ দি প্ৰাণ ৰক্ষা কৰিব লাগে—

"মোত খাটে হৰি হৰ ব্ৰহ্মা পুৰন্দৰ।
কোন দেৱ আচে আউৰ মোহৰ উপৰ।।
তিনিও ভুবনে দেখা মঞিঃ অধিকাৰি।
মোৰ পুত্ৰ হুয়া তঞিঃ সুমৰস হৰি।
দুৰাচাৰ পুত্ৰ তঞিঃ এভো হেন কৰি।
প্ৰানখানি ৰক্ষা কৰ হৰি নুসুমৰ।।"

প্ৰহ্লাদ বিষ্ণুভক্তিত গদ্ গদ্ হৈ আছিল। পিতৃৰ ধমকিয়ে তেওঁৰ বিষ্ণুভক্তি কমাওক চাৰি, বেছিহে হ'ল। তেতিয়া হিৰণ্যকশিপুৰ মনত অসুৰত্ব ভাব জাগি উঠিল আৰু নিজ পুত্ৰক মৃত্যুদণ্ড দিবলৈ বদ্ধপৰিকৰ হ'ল। হিৰণ্যকশিপুৱে প্ৰথমতে প্ৰহ্লাদক প্ৰকাণ্ড প্ৰকাণ্ড হাতীৰে গচকাই মৃত্যুদণ্ড দিব বিচাৰিছিল। প্ৰকাণ্ড হাতীৰ জাক দেখি প্ৰহ্লাদে মাধৱক স্মৰণ কৰাত তেওঁৰ শৰীৰত হৰিয়ে প্ৰৱেশ কৰি বজ্ৰসম কলেবৰ কৰিলে এনেদৰে—

"অন্তকালে প্ৰহ্লাদে সুমৰে ৰিখিকেশ।
তেতিক্ষণে হৰি তাৰ হিআত প্ৰবেস।।
মাধৱত পৰে কোন আছে সংসাৰত।
তাৰক্ষনে প্ৰবোসিলা তান সৰিৰত।।"

প্ৰকাণ্ড প্ৰকাণ্ড হাতীয়ে গচকি প্ৰহ্লাদৰ কিঞ্চিতো ক্ষতি কৰিব নোৱাৰাত হিৰণ্যকশিপু হতাশ হৈ পৰিছিল আৰু প্ৰহ্লাদে কিবা মন্ত্ৰ জানে বাবে হাতীয়ে বধ কৰিব নোৱাৰিলে বুলি ভাবিছিল। তাৰ পিছত তেওঁ প্ৰহ্লাদক বিষধৰ সৰ্পৰ জৰিয়তে মৃত্যুদণ্ড দিব বিচাৰিলে। আকাশ সদৃশ ফনা মেলি সাপে প্ৰহ্লাদক খুঁটিবলৈ আহিল যদিও বিষ্ণুৰ শক্তিৰ প্ৰভাৱত সাপৰ বিষদাঁত ভাগিল এনেদৰে—

"খুন্তিআন্তে দখন ভাগিলা সবাহাৰ।
দান্ত ভাঙ্গা সৰ্পৰ ফোফেনি মাত্ৰ সাৰ।।"

প্ৰহ্লাদৰ এনে বিষ্ণুভক্তিয়ে দৈত্যৰাজ হিৰণ্যকশিপুৰ মনত ভয় ওপজালে। সেয়ে তেওঁ মন্ত্ৰীবৰ্গক গৰম তেলত প্ৰহ্লাদক পেলাবলৈ নিৰ্দ্দেশ দিলে। ৰজাৰ আদেশ

শিৰোগত কৰি মন্ত্ৰীবৰ্গই **'জঙ্কা গোট আনি তাতে থৈলা তৈল ভোৰি।'** গৰম তেলত প্ৰথমে নাৰিকল পেলাই দিয়াত তৎক্ষণাত হেই নাৰিকল ফুটি যোৱা সকলোৱে দেখিলে। তেনে প্ৰচণ্ড গৰম তেলত প্ৰহ্লাদক পেলাই দিবলৈ ধৰোঁতে প্ৰহ্লাদে আসন্ন বিপদৰ পৰা ৰক্ষা পাবলৈ হৰিক স্মৰণ কৰিলে আৰু তৎক্ষণাত ভকত বৎসল হৰিয়ে তপত তেল জুৰ পেলাই পানীৰ দৰে শীতল কৰিলে —

'ৰক্ষা কৰা হে হৰি ভৈলো তজু দাস।
ভকত বৎসল প্ৰভু নকৰা নৈৰাস।।
জেবে হৰি সুমৰিলা ৰাজাৰ তনয়।
তপ্ত তৈল জুৰ ভৈলা জেন জলময়।।'

এনে অদ্ভুত কাৰ্য দেখি হিৰণ্যকশিপু খঙত অগ্নিশৰ্মা হ'ল আৰু দাঁত কামুৰি অন্য উপায়েৰে প্ৰহ্লাদক বধ কৰিবলৈ চেষ্টা কৰিলে। পৰৱৰ্তী সময়ত তেওঁ প্ৰহ্লাদক বিষ পানৰ দ্বাৰা, পানীত নিক্ষেপ কৰি, সুউচ্চ পৰ্বতৰ পৰা পেলাই, ঘিউ ঢলা জুইত নিক্ষেপ কৰি মৃত্যুদণ্ড দিব বিচাৰিছিল যদিও প্ৰহ্লাদৰ একান্ত বিষ্ণুভক্তিয়ে তেওঁক প্ৰতিবাৰতে, প্ৰতিক্ষণতে ৰক্ষা কৰি গৈছিল।

প্ৰহ্লাদক অবৰ্ণনীয় অত্যাচাৰ-উৎপীড়ন কৰি, বিভিন্ন প্ৰকাৰৰ শাস্তি প্ৰদান কৰিও তেওঁৰ হৃদয়ৰ পৰা বিষ্ণুভক্তি হ্ৰাস কৰিব নোৱাৰি পিতৃ হিৰণ্যকশিপুৱে কৌশলেৰে তেওঁৰ হৃদয়ৰ পৰা হৰিভক্তি নাশ কৰিব বিচাৰিছিল। হিৰণ্যকশিপুৱে তেওঁৰ ত্ৰিভুবন আবৰি থকা বিশাল ৰাজ্যভাৰ প্ৰহ্লাদৰ হাতত অৰ্পণ কৰিব বিচাৰি মাত্ৰ এটি চৰ্ত তেওঁৰ আগত ৰাখিছিল। সেই চৰ্ত অনুসৰি তেওঁ বিষ্ণুভক্তি ত্যাগ কৰি বিষ্ণুক গালি পাৰিব লাগে—

"মোৰ পুত্ৰ তোক দেঞো ৰাজ্যভাৰ,
মাধবোক পাৰা গালি।।"

পিতৃৰ মুখত এনে কথা শুনি হৰিভক্ত প্ৰহ্লাদে হৰিক পুনৰ স্মৰণ কৰিলে আৰু তেওঁ যে মাধৱক গালি পাৰিব নোৱাৰে, বিষ্ণুভক্তি এৰিব নোৱাৰে সেই কথা পিতৃৰ সন্মুখত অৱগত কৰিলে এনেদৰে—

"মাধৱেসে পিতা মাতা মাধৱেসে প্ৰান।
মাধৱোত পৰে কোন বন্ধু আছে আন।।"

কবি হেম সৰস্বতীয়ে প্ৰহ্লাদৰ মুখেৰে বিষ্ণুৰ গুণানুকীৰ্তন কৰাইছে আৰু বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰিছে। বিশ্ব ব্ৰহ্মাণ্ডৰ বিষ্ণুৱে প্ৰধান। তেনে সৰ্বশক্তিমান মাধৱক প্ৰহ্লাদে **'গালি মঞি পাৰু কেন কোৰি'** বুলি পিতৃক ওলোটাই বিবুধিত পেলাইছে। প্ৰহ্লাদৰ বাবে বিষ্ণুৱে পিতা-মাতা, বন্ধু, প্ৰাণ সকলো। তেওঁ বিশ্ব ব্ৰহ্মাণ্ডৰ জল, থল, গিৰি, বন, গজ, ভুজ আদি সকলোতে বিয়পি আছে। আনকি প্ৰহ্লাদে পিতৃ হিৰণ্যকশিপুক বিষ্ণু যে স্ফটিকৰ স্তম্ভতো বিৰাজমান তাকো প্ৰকাশ কৰিলে- **'ফোটিকৰ তম্ভে তুমি**

**দেখিও প্ৰত্যখ।'** তেতিয়া হিৰণ্যকশিপু অধিক ক্ৰোধান্বিত হ'ল আৰু মহা প্ৰকোপেৰে হাতৰ মুঠিৰে স্ফটিকৰ স্তম্ভত আঘাত কৰিলে। হেন সময়তে ভাঙি যোৱা স্ফটিকৰ স্তম্ভৰ পৰা বিষ্ণুৱে নৰসিংহ ৰূপেৰে অৱতাৰ গ্ৰহণ কৰাত নৰসিংহ আৰু হিৰণ্যকশিপুৰ মাজত যুদ্ধ অৱশ্যাম্ভাৱী হৈ পৰিল। কবি হেম সৰস্বতীয়ে দুয়োৰে মাজত হোৱা যুদ্ধৰ বৰ্ণনা অতি চমৎকাৰীভাবে দাঙি ধৰিছে—

"গিৰ্ গিৰ্ শৰদে লৰিলা ভূমি চাল।
ঘনে ঘনে কাম্পন্ত পৃথিৱী সাত তাল।।
চোবায়ে দখন অতি তেজয় আটাস।
সৰ্গ মৰ্ত পাতালত লাগিল তৰাস।।
থলে যেবে যুজে থল যাই ৰসাতল।
জলে যেবে যুজে জল শুখায় সকল।।
গিৰিত যুজয় গিৰি খণ্ড খণ্ড হয়।
দেবাসুৰে নৰে বোলে মিলিল প্ৰলয়।।"

নৰসিংহ-হিৰণ্যকশিপুৰ যুদ্ধই এটা সম্পূৰ্ণ দিনৰ ভাগ পাৰ কৰিলে আৰু যেতিয়া সন্ধ্যাকাল উপস্থিত হ'ল, তেতিয়াই সঠিক সময়ত দৈত্যৰাজক নৰসিংহই পানীপোতালৈ চোঁচোৰাই নি জল-থলত নহয় উৰুত বহুৱাই, অস্ত্ৰেৰে নহয় নখেৰে, ৰাতি-দিনত নহয় সন্ধ্যাক্ষণত বধ কৰিলে এনেদৰে—

"দুই হাতে ধৰি অসুৰক আলগাই।
জল থলত কিছু নোহে উৰুত বৈসাই।।
অস্ত্ৰে সস্ত্ৰে নকাটিলা নখে বিদাৰিলা।
ৰাতৃ দিনে নামাৰিয়া সন্ধ্যাত মাৰিলা।।"

পিতৃ হিৰণ্যকশিপুৰ মৃত্যুত পুত্ৰ প্ৰহ্লাদৰ শোক উথলি উঠিছে। পিতৃৰ মৃত্যুৱে তেওঁৰ মনলৈ মহা সন্তাপৰ ঢল নমাই আনিলে। প্ৰহ্লাদৰ বিলাপ আৰম্ভ হ'ল। তেতিয়া নাৰায়ণে প্ৰহ্লাদক দাৰ্শনিক বক্তব্যৰে বুজনি দি সান্ত্বনা দিয়াৰ চেষ্টা কৰিছে। ভগৱানৰ উদ্দেশ্য পুৰণ কৰাত প্ৰহ্লাদ নিমিত্ত মাত্ৰ। কিয়নো প্ৰহ্লাদৰ মাজত হৰি নিজে বিৰাজমান হৈছিল—

"আপুনাক আপুনি নিচিন কেনে তঞিঃ।
প্ৰহ্লাদ স্বৰূপে উপজিআ আচো মাঞিঃ।।"

শেষত, প্ৰহ্লাদে নাৰায়ণৰ কথাত পতিয়ন গৈছে আৰু পিতৃ-শোক পাহৰি নাৰায়ণক স্তুতি কৰিছে। তেওঁৰ দৰে অনাথক নাৰায়ণে চৰণত শৰণ দি অপাৰ সাগৰৰ পৰা উদ্ধাৰ কৰে যেন। ইয়াতে কাব্যৰ সামৰণি পৰিছে।

## ৪.৬ প্ৰহ্লাদ চৰিত্ৰ কাব্যৰ মূল উৎস

অসমীয়া সাহিত্যৰ আদিকবি ৰূপে পৰিচিত হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' মাত্ৰ এশ পদযুক্ত এখন নাতিদৈৰ্ঘ্য বৰ্ণনাত্মক কাব্য। ই অসমীয়া সাহিত্যৰ এখন আপুৰগীয়া সম্পদ তথা অসমীয়া সাহিত্যৰ প্ৰথম পদ-পুথি। কাব্যখনিত কবিয়ে দৈত্যৰাজ হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদৰ জৰিয়তে বিষ্ণুৰ মাহাত্ম্য তথা বৈষ্ণৱ ধৰ্মৰ পৰাকাষ্ঠা দেখুৱাবলৈ যত্ন কৰিছে। বিষ্ণুৱে নৰসিংহ ৰূপ লৈ হিৰণ্যকশিপুক বধ কৰা কাহিনীটো 'ভাগৱত-পুৰাণ' (৭/৫-৮) আৰু 'বিষ্ণুপুৰাণ'ত (১/১৭-২১) বৰ্ণনা কৰা আছে। পৰৱৰ্তী সময়ত মহাপুৰুষ শংকৰদেৱেও এই আখ্যানভাগ 'কীৰ্ত্তন ঘোষা'ত অন্তৰ্ভুক্ত কৰিছে।

হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ'ৰ আখ্যানভাগ 'বামন-পুৰাণ' চাই ৰচনা কৰা বুলি তেওঁ কাব্যৰ আৰম্ভনিতে ভণিতা পেলাইছে এনেদৰে—

'জয় নমো নাৰায়ন বৈকুণ্ঠৰ পোতি।
তোমাৰ চৰণে লৈলো সৰন সম্প্ৰোতি।।
বামন পুৰান ইতো প্ৰহ্লাদ চৰিত্ৰ।
হেম সৰোচতি বিৰোচিলা ইতো কৃত্য।।'

কবি হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যৰ মূল উৎস 'বামন-পুৰাণ' বুলি উল্লেখ কৰিছে যদিও বৰ্তমান প্ৰচলিত ছপা 'বামন-পুৰাণ'ত এই আখ্যানভাগ পোৱা নাযায়। হেম সৰস্বতীৰ সময়ত হয়তো 'বামন-পুৰাণ' নামৰ এখন মহাপুৰাণ আছিল; কিন্তু সেইখন কালৰ গতিত সম্পূৰ্ণ লয় পালে। বৰ্তমান প্ৰচলিত 'বামন-পুৰাণ' এখন উপপুৰাণহে মাত্ৰ।

১৯২৩ চনত ভাষাবিদ কালিৰাম মেধিয়ে হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' সম্পাদনা তথা প্ৰকাশ কৰি এই মহামূল্যৱান ৰত্নটি উদ্ধাৰ কৰে। আকৌ, পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া সাহিত্যৰ চানেকি' (প্ৰথম খণ্ড)ত 'প্ৰহ্লাদ চৰিত্ৰ'ৰ আখ্যানভাগ প্ৰকাশ কৰিছে।

আকৌ, 'পৰৱৰ্তী কালত ১৯৯৬ চনত অজয় কুমাৰ চক্ৰৱৰ্ত্তীয়ে 'প্ৰাচীন পুথি পুৰাণানুবাদ আৰু যোগকথনং' নামেৰে 'প্ৰহ্লাদ চৰিত্ৰ'ৰ লগতে 'হৰগৌৰী-সংবাদ' নামৰ গ্ৰন্থত থকা ছয়টা খণ্ড বা অধ্যায় একত্ৰ ছপা কৰি উলিয়ায়। (বৰুৱা, বন্তি, 'প্ৰাক্ শঙ্কৰ যুগৰ বৈষ্ণৱ সাহিত্যত অসম', পৃষ্ঠা ১১)। কালিৰাম মেধি, হেমচন্দ্ৰ গোস্বামী আৰু অজয় কুমাৰ চক্ৰৱৰ্ত্তীৰ দ্বাৰা সম্পাদিত এই আখ্যানভাগৰ পাঠ প্ৰায় একে।

## ৪.৭ বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক কাব্য হিচাপে প্ৰহ্লাদ চৰিত্ৰ

কালিৰাম মেধিয়ে হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যক 'প্ৰথম অসমীয়া বৈষ্ণৱ কাব্য' বুলি অভিহিত কৰিছে। কাব্যখনৰ কেবা ঠাইতো নাৰায়ণক মিনতি জনোৱা হৈছে তথা বিষ্ণুৰ শ্ৰেষ্ঠত্ব আৰু বিষ্ণুভক্তিৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। কবিয়ে কাব্যৰ আৰম্ভণিতেই বৈকুণ্ঠপতিৰ শ্ৰেষ্ঠত্ব মানি লৈ ভণিতা দিছে এনেদৰে—

'জয় নমো নাৰায়ন বৈকুণ্ঠৰ পোতি।
তোমাৰ চৰণে লৈলো সৰণ সম্প্ৰোতি।।"

আকৌ, কবিয়ে প্ৰহ্লাদৰ মুখেৰে মাধৱেই যে শ্ৰেষ্ঠ তাকো ব্যক্ত কৰাইছে। এয়া প্ৰকাশ কৰা কবিৰ অভিপ্ৰেত উদ্দেশ্য যেন লাগে—

'মাধৱেসে পিতা মাতা মাধৱেসে প্ৰান।
মাধৱোত পৰে কোন বন্ধু আছে আন।।'

প্ৰহ্লাদৰ মাধৱ সম্পৰ্কে পূৰ্ণ জ্ঞান থকাৰ পিছতো পিতৃ হিৰণ্যকশিপুৰ মৃত্যুৱে তেওঁক শোক-সাগৰত পেলাইছে। পিতৃৰ মৃত্যুত প্ৰহ্লাদৰ সন্নিত বাস্তৱ জগতলৈ ঘূৰি আহিছে। প্ৰহ্লাদৰ বাবেই পিতৃৰ প্ৰাণ বধ হ'ল বুলি ভাবি বিলাপ কৰিছিল। প্ৰাণ পিতৃৰ মৃত্যুৰ সলনি প্ৰহ্লাদে নিজৰ মৃত্যু হ'লেই ভাল আছিল বুলি ভাবিছে। পিতৃ অবিহনে তেওঁ দিনতে আন্ধাৰ দেখিছে। পিতৃৰ মৃত্যুত অনুতপ্ত হৈ প্ৰহ্লাদে বিলাপ জুৰিছিল এনেদৰে—

'পিতৃ সে পৰম গুৰু পিতৃ ইষ্টদেৱ।
পিতৃ বিনে সংসাৰত বন্ধু নাই কেৱ।।
জাহাৰ প্ৰহাদে মঞি দেখিলো সংসাৰ।
পিতৃ অবিহনে দেখো দিনতে আন্ধাৰ।।'

প্ৰহ্লাদৰ এনে শোক-বিহ্বল অৱস্থা দেখি নাৰায়ণে জ্ঞানগৰ্ভ দাৰ্শনিক উক্তিৰে প্ৰহ্লাদক প্ৰবোধ দিলে। এই সংসাৰত কোনো কাৰো সম্বন্ধীয় নহয়, ভগৱানৰ বাহিৰে আন কোনেওঁ কাকো বধ কৰিব নোৱাৰে। এডাল গছত নিশা পক্ষী বিলাক যেনেদৰে এক সংগত থাকে আৰু ৰাতিপুৱালেই সিঁহত দশোদিশে যায় তেনেদৰে সংসাৰত পিতা-পুত্ৰ, আত্মীয়-কুটুম্বৰ সম্বন্ধও সদৃশ, কোনো কাৰো আপোন-পৰ নহয়। এনেদৰে নাৰায়ণে প্ৰহ্লাদক সান্ত্বনা দিবলৈ কৈছে—

'নাকান্দা নাকান্দা বাপু নকৰা সন্তাপ।
কৈৰ ভাৰ্য্যাপুত্ৰ দেখা কৈৰ মাৰ বাপ।।
জেহেন বৃক্ষত পোখি থাকে এক সঙ্গে।
নিসা গোট বঞ্চে জেন মত ৰঙ্গে ধঙ্গে।।
ৰজনি প্ৰভাত ভৈলে দসো দিসে জাই।
পিতৃৰ পুত্ৰৰ জানা তেহ্নয় পৰাই।।
হেন জানি বাপ তঞি সোক পৰিহৰ।
শুনি চাহা বাপু তঞি সবে সমসৰ।।

আকৌ, কাব্যৰ শেষতো কবিয়ে বিষ্ণুৰ শ্ৰেষ্ঠত্ব দেখুৱাবলৈ প্ৰয়াস কৰিছে। পিতৃ হিৰণ্যকশিপুৰ বধৰ পিছত প্ৰহ্লাদ শোক গ্ৰস্ততাত ডুবি থাকোতে নাৰায়ণে যি

দাৰ্শনিক তথা সাৰগৰ্ভ বাণী প্ৰহ্লাদক শুনাইছে, সেই বাণী হৃদয়াঙ্গম কৰি প্ৰহ্লাদে বিষ্ণুৰ চৰণত শৰণ লৈছে এনেদৰে—

'নমো নাৰায়ন নিৰঞ্জন জদুপতি।
তোমাৰ চৰনে মোৰ নিমজোক মতি।।
ভকত বৎসল প্ৰভু কৰুনা সাগৰ।
মঞি অনাথক নাচাড়িবা দামুদৰ।।
অভয় চৰনে মঞি পৰিলো সৰন।
অপাৰ সাগৰে পাৰ কৰা নাৰায়ন।।"

এনেদৰে ভগৱানৰ ওচৰত প্ৰহ্লাদৰ আত্ম-সমৰ্পণে হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যত বৈষ্ণৱ আদৰ্শৰ প্ৰতিফলন ঘটা বুলি ভাবিব পাৰি। আচলতে এই কাব্যৰ আখ্যানভাগেই হৈছে বিষ্ণু মাহাত্ম্য প্ৰকাশক আৰু সেয়ে কবিয়ে কাব্যৰ মাজে মাজে হৰিৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰিবলৈ ভণিতা সংযোগ কৰিছে। হয়তো এনেবোৰ কাৰণতে 'প্ৰহ্লাদ চৰিত্ৰ' প্ৰথম অসমীয়া বৈষ্ণৱ গ্ৰন্থ বুলি কালিৰাম মেধি ডাঙৰীয়াই অভিমত দিছে।

### ৪.৮ প্ৰহ্লাদ চৰিত্ৰৰ ভাষা

চৰ্যাপদৰ পিছত অসমীয়া ভাষাৰ নিদৰ্শন ৰক্ষিত হৈছে হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' গ্ৰন্থত। হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'ৰ ভাষাই হৈছে বিশুদ্ধ অসমীয়া ভাষাৰ প্ৰথম নিদৰ্শন। তেওঁ কাব্যখনিৰ আখ্যানভাগ সহজ-সৰলকৈ বৰ্ণনা কৰিছে; ঘৰুৱা ভাষাৰ আড়ম্বৰ বৰ বিশেষ নাই। তাৰ বিপৰীতে তেওঁৰ ভাষাত প্ৰাচীনত্বৰ চিন পোৱা যায়। প্ৰহ্লাদ (প্ৰহ্লাদ), জোজন, মঞি, তন্তে, ধাঞি আদি শব্দত প্ৰাকৃতৰ প্ৰভাৱ মন কৰিবলগীয়া। তদুপৰি বুলন্ত, তাংক, ধংকামাৰি আদি উড়িয়া ভাষাৰ শব্দৰূপো 'প্ৰহ্লাদ চৰিত্ৰ'ত উপলব্ধ। আখৰ জোঁটনিত কামৰূপী উচ্চাৰণ লক্ষ্য কৰা যায়। তেনে কিছুমান শব্দ হ'ল- পোতি (পতি), কোৰি (কৰি), ধোৰি (ধৰি), কুন (কোন), দামুদৰ (দামোদৰ) আদি। আকৌ, 'প্ৰহ্লাদ চৰিত্ৰ'ত আৰবী ভাষাৰ শব্দ 'নফৰ'ৰ প্ৰয়োগ কাব্যখনৰ উল্লেখনীয় দিশ। 'নফৰ' শব্দটি হেম সৰস্বতীয়ে ব্যৱহাৰ কৰিছিল নে পৰৱৰ্তী কালত কোনো নকলকাৰে প্ৰয়োগ কৰিছিল জনা নাযায়।

'প্ৰহ্লাদ চৰিত্ৰ'ৰ ভাষাত কামৰূপী শব্দ ব্যৱহাৰ কৰাৰ লেখীয়াকৈ কবিয়ে কাব্যখনত তৎসম আৰু অৰ্ধতৎসম শব্দৰো প্ৰয়োগ কৰিছে। দৈত্য, দেৱগন, পুৰন্দৰ, হস্তি, নৰ, গগন, দান্ত, কৃত্য, তপ্ত, তনয়, ঘৃত আদি তৎসম শব্দ আৰু ভকত, ভকতি, দসন, অগনি, সুমৰি, ধিআন আদি অৰ্ধতৎসম শব্দ কাব্যখনত প্ৰয়োগ হৈছে। একেদৰে তদ্ভৱ শব্দৰো প্ৰয়োগ দেখা যায়। যেনে- থান, কান, মাৰন, কাঠ, তাপ, হাত আদি।

আকৌ, হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনত "কঠিন আৰু যুক্তাক্ষৰবোৰ কোমল কৰি ব্যৱহাৰ কৰিছে; 'ৰ'-ৰ ঠাইত 'ল'; 'স' 'শ'- ৰ ঠাইত স্থান বিশেষে 'খ';

‘ও’- কাৰৰ ঠাইত ‘উ’, কাৰৰ; ‘ৰ’- কাৰৰ ঠাইত ‘ল’- কাৰ; ‘অ’ ৰ ঠাইত ‘ও’- কাৰ; হ্ৰস্ব-দীৰ্ঘ আৰু দন্ত্য আৰু মূৰ্ধন্যৰ অভেদ ব্যৱহাৰ, ‘অ’- কাৰৰ ঠাইত ‘ও’- কাৰ, ‘ষ্ণ’ ৰ ঠাইত ‘ষ্ট’ সঘনে দেখা যায়।” (শৰ্মা, সত্যেন্দ্ৰনাথ, ‘অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত’, পৃষ্ঠা ৫৬)।

হেম সৰস্বতীৰ কাব্যত যুক্তাক্ষৰবোৰ সৰলীকৰণৰ দ্বাৰা কোমল কৰাৰ প্ৰৱণতা দেখা যায়। যেনে- অগিয়ান (অজ্ঞান), সৰোচতি (সৰস্বতী), পোতিকাৰ (প্ৰতিকাৰ) আদি। তদুপৰি আদি যুক্ত ব্যঞ্জনৰ পৰিৱৰ্তে একক ব্যঞ্জন ব্যৱহাৰ কৰা দেখা গৈছে। যেনে- তম্ভ (স্তম্ভ), ফটিক (স্ফটিক), তৰাস (ত্ৰাস), সুমৰি (স্মৰি) আদি।

সেইদৰে মূৰ্ধন্য ‘ণ’ ৰ পৰিৱৰ্তে কাব্যখনত দন্ত্য ‘ন’- ৰ প্ৰয়োগ অধিক পৰিমাণে হৈছে। যেনে- নাৰায়ন, পুৰান, কাৰন, প্ৰান, মৰন, বানি, সৰন, চৰনে আদি।

আকৌ, ‘প্ৰহ্লাদ চৰিত’ত ‘ই’ ধ্বনিৰ ঠাইত ‘ঞি’ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। তেনে শব্দ কিছুমান হ’ল- মঞি (মই), তঞি (তই), ঠাঞি (ঠাই), ধাঞি (ধাই) আদি। কেতিয়াবা একেটা শব্দকে দুইধৰণে লিপিবদ্ধ কৰা হৈছে। যেনে- হস্তি/হস্তী, চৰণে/চৰনে, কোৰি/কৰি, সুনি/শুনি আদি।

হেম সৰস্বতীৰ ‘প্ৰহ্লাদ চৰিত’ত শ, ষ, স- ৰ ঠাইত ‘স’- ৰ প্ৰয়োগ বেছি। যেনে- আদেসিলা (আদেশিলা), সিৰোগত (শিৰোগত), সিসু (শিশু), আকাসত (আকাশত) আদি। কেতিয়াবা ‘শ’ আৰু ‘ষ’- ধ্বনিৰ ঠাইত ‘খ’ বাৱহাৰ হোৱা দেখা গৈছে। যেনে - বংখত (বংশত), আদেখিলা (আদেশিলা), আদেখ (আদেশ), বিখ (বিষ), বিসেখোত (বিশেষত), দসোদিখ (দশোদিশ) আদি।

প্ৰহ্লাদ চৰিতত ‘অ’- কাৰৰ সলনি যথেষ্ট পৰিমাণে ‘ও’- কাৰ প্ৰয়োগ হৈছে। যেনে- পোতি (পতি), কোৰি (কৰি), বোধিবু (বধি), সম্ৰোতি (সম্প্ৰতি) আদি।

আকৌ, ‘প্ৰহ্লাদ চৰিত্ৰ’ত ‘ষ্ণ’ৰ ঠাইত ‘ষ্ট’ৰ সঘন প্ৰয়োগ দেখা যায়। যেনে - বিষ্টু (বিষ্ণু), বৈষ্টৱ (বৈষ্ণৱ) আদি। উল্লেখ্য যে, ‘প্ৰহ্লাদ চৰিত্ৰ’ত নঞাৰ্থক (Negative) বুজোৱা ‘ন’ ধ্বনি শব্দৰ প্ৰথম স্বৰৰ লগত সমীভূত নোহোৱাকৈ ব্যৱহাৰ হৈছে। তেনে শব্দ কিছুমান হ’ল - নজাই, নপাৰে, নপাৰি, নখাটে, নপাইলো আদি। আনহাতে কেতিয়াবা নঞাৰ্থক ‘ন’ ধ্বনি শব্দৰ প্ৰথম স্বৰৰ লগত সুন্দৰকৈ সমীভূত হৈছে। যেনে - নমৰিল, নালাগিল, নমৰে, নেদেখিলা, নেদেখিলো আদি।

হেম সৰস্বতীৰ ‘প্ৰহ্লাদ চৰিত্ৰ’ত বহুবচন বুজোৱা প্ৰত্যয় ‘গণ’ৰ সঘন প্ৰয়োগ হোৱা দেখা যায়। যেনে- দেৱগন, দূতগন, সৰ্পগন, হস্তিগন আদি। আকৌ, কাব্যখনিত নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয় - ‘খানি’, ‘গোট’ৰ প্ৰয়োগ হৈছে। যেনে- প্ৰানখানি, এহিখানি, জঙ্কাগোট, নাৰিকলগোট, পৰ্ব্বতগোট আদি।

‘প্ৰহ্লাদ চৰিত্ৰ’ কাব্যখনত বিভিন্ন প্ৰকাৰৰ ছন্দ আৰু বিবিধ অলংকাৰৰ প্ৰাচুৰ্য দেখা যায়। এই কাব্যখনতেই অসমীয়া ভাষাই এটি সুনিৰ্দ্দিষ্ট গঢ় ল’বলৈ আৰম্ভ কৰে আৰু ইয়াৰ জৰিয়তে কবিৰ কাব্য নৈপুণ্যও প্ৰকাশ পাইছে। কলাত্মক দৃষ্টিকোনৰ ফালৰ

পৰা বিশ্লেষণ কৰিলে ‘প্ৰহ্লাদ চৰিত্ৰ’ৰ কাব্যিক ৰূপায়ন উচ্চ-মানবিশিষ্ট নহ’লেও এই উপাদানসমূহে কাব্যখন আকৰ্ষণীয় কৰি তুলিছে। তদুপৰি ঘৰুৱা চিত্ৰকল্পই কাব্যখন পাঠকৰ ওচৰ চাপি যোৱাত সহায় কৰিছে- **‘দান্ত ভাঙ্গা সৰ্পৰ ফেম্ফনিহে সাৰ’, ‘হৰি-যাক ৰক্ষা কৰে মাৰে তাক কুণে’, ‘মোহোৰ বংখত উপজিল ধুমকেতু’** আদি।

ভাষাৰ ক্ষেত্ৰত কবি হেম সৰস্বতীয়ে ‘প্ৰহ্লাদ চৰিত্ৰ’তেই এটা সুসংহত ৰূপ দিবলৈ যত্ন কৰিছিল। ‘তদানীন্তন সাহিত্যত প্ৰচলিত সকলো ছন্দ কবিয়ে ব্যৱহাৰ কৰিছে। ছন্দৰ গতি গতানুগতিক হ’লেও পদ আৰু দুলড়ি ছন্দৰ সঘন প্ৰয়োগ দেখা যায়।’ (বৰুৱা, বন্তি, ‘প্ৰাক্ শঙ্কৰ যুগৰ বৈষ্ণৱ সাহিত্যত অসম’, পৃষ্ঠা ৪১)।

‘প্ৰহ্লাদ চৰিত্ৰ’ৰ ভাষা আৰু ৰচনাশৈলী উচ্চখাপৰ নহয় বুলি পণ্ডিতসকলে মত পোষণ কৰিছে যদিও কাব্যত ব্যৱহাৰ হোৱা উপমা, উৎপ্ৰেক্ষা, নিদৰ্শনা, অতিশয়োক্তি আদি অলংকাৰে কাব্যৰ মান বঢ়োৱাৰ লগতে কবিৰ কাব্য- নৈপুণ্যৰো পৰিচয় দিছে। কবিৰ সন্মুখত অসমীয়া ভাষাৰ কোনো নিদৰ্শন নথকা সত্বেও কবিয়ে ছন্দ, অলংকাৰ, পটন্তৰ, ঘৰুৱা চিত্ৰকল্প ব্যৱহাৰ কৰি অসমীয়া ভাষাক সমৃদ্ধিশালী কৰি তোলাৰ লগতে কবিৰ কাব্য-কুশলতাও প্ৰকাশ পাইছে। কবিয়ে ব্যৱহাৰ কৰা দুটামান অলংকাৰৰ নিদৰ্শন দাঙি ধৰা হ’ল-

**উপমা ঃ**

১। ক্ৰোধিলেক ৰাজাএ পুত্ৰৰ সুনি বানি।
তুলাত লাগিলা জেন প্ৰচণ্ড অগনি।।

২। জেবে হৰি সুমৰিলা ৰাজাৰ তনয়।
তপ্ত তৈল জুৰ ভৈলা জেন জলময়।।

৩। একো একো হস্তি জেন পৰ্ব্বত সদৃখ।

**উৎপ্ৰেক্ষা ঃ**

১। গিৰিক ভেদিয়া জেন বহি জাই জল।
হিৰণ্যৰ তেজে বসুন্ধৰা জাই তল।।

**অতিশয়োক্তি ঃ**

১। একো একো সৰ্পক দেখন্তে ভয়ঙ্কৰ।
ফনাএ লাঙ্ঘিলা যেন মেঘ আকাসৰ।।

২। চোবায়ে দশন আতি তেজঅ আটাস।
সৰ্গ মৰ্ত্ত পাতালত লাগিলা তৰাস।।

এনেবোৰ অলংকাৰৰ ব্যৱহাৰে হেম সৰস্বতীৰ ‘প্ৰহ্লাদ চৰিত’ক উচ্চ মানবিশিষ্ট কৰি তুলিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

‘প্ৰ!াদ চৰিত্ৰ’ৰ ভাষাক কিয় বিশুদ্ধ অসমীয়া ভাষা বুলি কোৱা হয়? (৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)।

.................................................................................................
.................................................................................................
.................................................................................................

## ৪.৯ হেম সৰস্বতীৰ কাব্যৰ বিশেষত্ব

আদিকবি হেম সৰস্বতীৰ কাব্য-কৃতি 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰগৌৰী সংবাদ'লৈ দৃষ্টিপাত কৰিলে কিছুমান বিশেষত্ব চকুত পৰে। এই বিশেষত্বসমূহ তলত উল্লেখ কৰা হ'ল—

ক) অসমীয়া সাহিত্যৰ বুৰঞ্জীত হেম সৰস্বতীক বিশুদ্ধ অসমীয়া ভাষাত লিখিত সাহিত্য ৰচনাৰ এটি নিৰ্দিষ্ট পথ নিৰ্মাণ কৰা খনিকৰ বুলি অভিহিত কৰিব পাৰি। তেওঁৰ কাব্যশৈলীত বা ভাষাশৈলীত কিছু দুৰ্বলতা আছে আৰু দুৰ্বলতা থকাটো স্বাভাৱিক, কিয়নো তেওঁৰ সন্মুখত কোনো নিদৰ্শন নাছিল।

খ) হেম সৰস্বতীয়ে কাব্যৰ মাজত আত্ম-পৰিচয় দিয়া ৰীতি প্ৰৱৰ্ত্তন কৰে আৰু তেওঁৰ সমসাময়িক তথা পৰৱৰ্ত্তী শংকৰদেৱকে ধৰি সকলো বৈষ্ণৱ-অবৈষ্ণৱ কবিয়ে এই ৰীতি পালন কৰিছে। আকৌ, প্ৰতি অধ্যায়ৰ শেষত ভণিতা দিয়াৰ নিদৰ্শন তেৱেঁই দাঙি ধৰে।

গ) লোকসাহিত্য সৃষ্টি কৰা চহা কবিসকলে তেওঁলোকৰ সৃষ্টিৰাজিৰ মাজত ব্যক্তিগত জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-প্ৰীতি আদি বৰ্ণনা কৰিছিল। কিন্তু হেম সৰস্বতীয়ে তেওঁৰ ৰচনাত ব্যক্তিগত জীৱন একাষৰীয়াকৈ থৈ পুৰাণৰ আধাৰত কাব্য-কাহিনী নিৰ্মাণ কৰি উলিয়ায়। পুৰাণৰ অৱলম্বনত সৃষ্টি কৰা কাব্য দুখন তেওঁ পদ্যত ৰচনা কৰিছিল।

ঘ) অসমীয়া সাহিত্যত হেম সৰস্বতীয়ে হৈছে প্ৰথম বৈষ্ণৱ কবি, যিয়ে পদ্যত বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক 'প্ৰহ্লাদ চৰিত্ৰ' কাব্য ৰচনা কৰি কালৰ বুকুত নিজৰ নাম খোদিত কৰি খ্যাতি অৰ্জন কৰিলে।

ঙ) হেম সৰস্বতীয়ে তেওঁৰ ৰচনাৰাজিত কামৰূপী ভাষাৰ শব্দ তথা তৎসম, অৰ্ধ-তৎসম আৰু তদ্ভৱ শব্দ প্ৰয়োগ কৰাৰ উপৰি আৰবী ভাষাৰ শব্দ 'নফৰ' প্ৰয়োগ কৰাটো এটা বিশেষ তাৎপৰ্যমূলক ঘটনা।

চ) হেম সৰস্বতী তেওঁৰ কাব্য সুললিত কৰিবলৈ বিভিন্ন ছন্দ, অলংকাৰ, ঘৰুৱা পটন্তৰ প্ৰয়োগ কৰি পৰৱৰ্ত্তী কালৰ সাহিত্যিকলৈ আদৰ্শ দেখুৱাই থৈ গ'ল।

## ৪.১০ সাৰাংশ (Summing Up)

ওপৰৰ আলোচনাৰ পৰা এইটো প্ৰতীয়মান হয় যে, অসমীয়া সাহিত্যৰ বুৰঞ্জীত আদিকবি হেম সৰস্বতীৰ স্থান নিঃসন্দেহে অতি উচ্চ। অসমীয়া সাহিত্যৰ প্ৰথম বৈষ্ণৱ কাব্য হিচাপে 'প্ৰহ্লাদ চৰিত্ৰ'ৰ এক ঐতিহাসিক মূল্য আছে। ই অসমীয়া সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। সন্মুখত নিদৰ্শন নথকা সত্বেও তেওঁ যিদৰে কাব্যত ছন্দ-অলংকাৰ আদি ব্যৱহাৰ কৰিলে, তাৰবাবে হেম সৰস্বতী সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ। কিন্তু তেওঁৰ কাব্যকৃতিৰ বিষয়ে বিস্তৃত আলোচনাৰ প্ৰয়োজন আছে। তেওঁৰ পৰৱৰ্ত্তী মাধৱ কন্দলী

অথবা শংকৰদেৱ-মাধৱদেৱৰ বিষয়ে যি পৰ্যায়ত গৱেষণা হৈছে, তেনে বিস্তৃত অধ্যয়ন হ'লে পাঠক সমাজে হেম সৰস্বতীৰ বিষয়ে আৰু অধিক সমল লাভ কৰিব। প্ৰাক্-শংকৰী যুগতে হেম সৰস্বতীয়ে সৰ্ব্বভাৰতীয় বৈষ্ণৱ সংস্কৃতিৰ ধাৰা অসমীয়া সমাজত বোৱাই দিয়া বাবে তেওঁক প্ৰথম বৈষ্ণৱ-সাধনৰ কবি বুলি অভিহিত কৰিব পাৰি। গতিকে, প্ৰাক্-শংকৰী যুগত 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যই অসমীয়া সাহিত্যৰ মাজত এখন সুকীয়া আসন দাবী কৰিব পাৰে।

## ৪.১১ আৰ্হিপ্ৰশ্ন (Sample Questions)

১। প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ সামাজিক পটভূমি সম্পৰ্কে বহলাই আলোচনা কৰক।

২। হেম সৰস্বতীৰ পৰিচয় জ্ঞাপন কৰি তেওঁৰ সময়সীমা নিৰ্ধাৰণৰ চেষ্টা কৰক।

৩। প্ৰ !াদ চৰিত্ৰ গ্ৰন্থখনৰ কাহিনীভাগ চমুকৈ দাঙি ধৰক।

৪। প্ৰ !াদ চৰিত্ৰ গ্ৰন্থখনৰ কাহিনীভাগ কি কি মূল উৎসৰ পৰা লোৱা হৈছে। কাব্যখনত কি কি নতুনত্বৰ সংযোজন ঘটিছে, বাখ্যা কৰক।

৫। বিষ্ণু মহিমা প্ৰকাশক কাব্য হিচাপে প্ৰ !াদ চৰিত্ৰৰ এটি বিশ্লেষণ আগবঢ়াওঁক।

৬। প্ৰ !াদ চৰিত্ৰৰ ভাষা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

৭। হেম সৰস্বতীৰ কাব্যৰ বিশেষত্বসমূহ ফঁহিয়াই দেখুওৱাঁক।

৮। চমু উত্তৰ দিয়ক

প্ৰাক্-শংকৰী যুগ, হৰগৌৰী সংবাদ, প্ৰহ্লাদ চৰিতৰ শব্দ ভাণ্ডাৰ, হিৰণ্যকশিপু, প্ৰ !াদ।

## ৪.১২ প্ৰসঙ্গগ্ৰন্থ (References/Suggested Readings)


১। গোস্বামী হেমচন্দ্ৰ ঃ অসমীয়া সাহিত্যৰ চানেকি, লয়াৰ্ছ বুকষ্টল, গুৱাহাটী, ২০০০ (দ্বিতীয় প্ৰকাশ)

২। ড° শৰ্মাদলৈ হৰিনাথ ঃ অসমীয়া-সাহিত্যৰ পূৰ্ণ-ইতিহাস, পদ্মপ্ৰিয়া লাইব্ৰেৰী, নলবাৰী, ২০১৮ (চতুৰ্থ সংস্কৰণ)

৩। ড° শৰ্মা সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০১৪ (দশম সংস্কৰণ)

৪। ড° নেওগ মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী,১৯৯৫ (অষ্টম তাঙৰণ)

৫। ড° শৰ্মা হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০১১

(ত্ৰয়োদশ সংস্কৰণ)

৬। ব্ৰহ্ম শোভা আৰু হাজৰিকা বিশ্বেশ্বৰ (সম্পা) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড), আবিলেক (ABILAC),গুৱাহাটী, ২০০৩ (প্ৰথম প্ৰকাশ)

৭। ড° বৰুৱা বন্তি ঃ প্ৰাক্-শঙ্কৰ যুগৰ বৈষ্ণৱ সাহিত্যত অসম, বাণী মন্দিৰ, গুৱাহাটী, ২০০৫ (প্ৰথম প্ৰকাশ)

* * *

## পঞ্চম বিভাগ
# মাধৱ কন্দলিৰ ৰামায়ণ

**বিভাগৰ গঠন ঃ**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ মাধৱ কন্দলিৰ পৰিচয় আৰু কাব্যকৃতি
৫.৪ মাধৱ কন্দলিৰ 'ৰামায়ণ' ঃ সাধাৰণ পৰিচয়
৫.৫ কন্দলি 'ৰামায়ণ'ৰ অনুবাদ-ৰীতি
৫.৬ কন্দলিৰ 'ৰামায়ণ'ৰ মৌলিকতা
৫.৭ কন্দলিৰ 'ৰামায়ণ'ত সামাজিক চিত্ৰ
৫.৮ কন্দলিৰ 'ৰামায়ণ'ৰ ভাষা
৫.৯ সাৰাংশ (Summing up)
৫.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
৫.১১ প্ৰসঙ্গ গ্ৰন্থ (Referrences/Suggested Reading)

## ৫.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত বিশুদ্ধ অসমীয়া ভাষাৰ প্ৰথম নিদৰ্শন হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

প্ৰাক্-শংকৰী যুগৰ সৰ্বশ্ৰেষ্ঠ কবিগৰাকী হ'ল মাধৱ কন্দলি। তেওঁৰ একমাত্ৰ কাব্যকৃতি হৈছে বাল্মিকীৰ সংস্কৃত 'ৰামায়ণ' অনুবাদ। অৱশ্যে 'দেৱজিৎ' নামৰ আন এখন কাব্যও তেওঁ ৰচনা কৰা বুলি বহুতে ক'ব খোজে। কেৱল অসমীয়া ভাষাৰে নহয়, আধুনিক ভাৰতীয় আৰ্যভাষাত ৰচনা কৰা এইখনেই প্ৰথম ৰামায়ণ। অকল আকৃতিৰ ফালৰ পৰাই নহয়, প্ৰকৃতি বা গুণগত দিশৰ পৰাও কন্দলিৰ 'ৰামায়ণ' সেই সময়ৰ এক গৌৰৱপূৰ্ণ নিদৰ্শন।

## ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপুনি—

- মাধৱ কন্দলি আৰু তেওঁৰ কাব্যকৃতিৰ লগত পৰিচিত হ'ব পাৰিব,
- মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ অনুবাদ ৰীতিৰ স্বৰূপ বুজিব পাৰিব,
- কন্দলিৰ ৰামায়ণৰ মৌলিকতা বিচাৰ কৰিব পাৰিব,
- কন্দলিৰ 'ৰামায়ণ'ত চিত্ৰিত সমাজ জীৱনৰ চিত্ৰ বৰ্ণনা কৰিব পাৰিব, আৰু
- কন্দলিৰ 'ৰামায়ণ'ৰ ভাষাৰ বিশেষত্ব অনুধাৱন কৰিব পাৰিব।

## ৫.৩ মাধৱ কন্দলিৰ পৰিচয় আৰু কাব্যকৃতি

প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি, কাব্যকাৰ গৰাকীয়েই হৈছে মাধৱ কন্দলি। প্ৰাচীন অসমৰ পূৰ-মধ্যাঞ্চলৰ অধিপতি বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত কন্দলিদেৱে কাব্য-চৰ্চা কৰিছিল। এওঁ মহামাণিক্য ৰজাৰ ৰাজকবি হিচাপেও সমাদৃত। মহামাণিক্য ৰজা কোন, তেওঁ ক'ত আৰু কেতিয়া ৰাজত্ব কৰিছিল সেই বিষয়ে সঠিকভাৱে ক'ব পৰা নাযায়। ৰজাজনৰ ৰাজত্বকাল আৰু ৰাজ্যৰ অৱস্থিতি সম্পৰ্কে এতিয়ালৈকে কোনো নিৰ্ভৰযোগ্য তথ্য লাভ কৰিব পৰা নাযায়। ড° সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' নামৰ গ্ৰন্থখনত (পৃষ্ঠা-৬২) কোনো ঐতিহাসিক প্ৰমাণ নাথাকিলেও পাৰিপাৰ্শ্বিক বিৱৰণৰ পৰা তেওঁ যে চতুৰ্দশ শতিকাৰ ৰজা আছিল তাত কোনো সন্দেহ নাই বুলি অভিমত প্ৰকাশ কৰিছে। পৰৱৰ্তী সময়ত কনকলাল বৰুৱা, কালিৰাম মেধি, ড° বাণীকান্ত কাকতি, হেমচন্দ্ৰ গোস্বামী, বেণুধৰ শৰ্মাকে আদি কৰি বিভিন্ন পণ্ডিতৰ মতামত আৰু ইতিহাসৰ প্ৰায়বোৰ সমলৰ আধাৰত বিচাৰ কৰি ৰজা মহামাণিক্যই চতুৰ্দশ শতিকাত মধ্য অসম নগাঁওৰ কপিলী উপত্যকাত ৰাজত্ব কৰিছিল বুলি ক'ব পৰা যায়।

চতুৰ্দশ শতিকাৰ কাব্য-ৰচকসকলে কাব্যৰ মাজত নিজৰ আত্মপৰিচয় দাঙি ধৰিছিল। এইক্ষেত্ৰত কবি কন্দলিও ব্যতিক্ৰম নাছিল। তেওঁৰ সাহিত্যৰাজিৰ মাজত জন্মস্থান, জন্মৰ সময় আৰু বংশ পৰিচয়ৰ প্ৰমাণ নাপালেও তেওঁ যে জাতিত ব্ৰাহ্মণ আৰু মহামাণিক্য ৰজাৰ ৰাজসভা শুৱনি কৰা কবিৰাজ আছিল তাৰ উমান লাভ কৰিব পৰা যায়। লোক-সমাজত কন্দলিদেৱক কবিৰাজ কন্দলি নামেৰেও জনা যায়। তেওঁ আত্মপৰিচয়ত নিজে এই কথা উল্লেখ কৰি এনেদৰে কৈছে —

কবিৰাজ কন্দলি যে আমাকে সে বুলি কয়
মাধৱ কন্দলি মোৰ নাম।'

**কাব্যকৃতি ঃ**

মাধৱ কন্দলিৰ কাব্য-প্ৰতিভাৰ অনন্য সুন্দৰ নিদৰ্শন 'ৰামায়ণ' অসমীয়া ভাষা-সাহিত্যৰ এক অমূল্য সম্পদ। প্ৰান্তীয় ভাষাত ৰচিত এইখনেই প্ৰাচীনতম ৰামায়ণ। ইয়াৰ পূৰ্বতে মূল বাল্মিকীকৃত সংস্কৃত 'ৰামায়ণ'ৰ কোনো ভাষালৈ অনুদিত হোৱাৰ নিদৰ্শন পোৱা নাযায়। কন্দলিদেৱে ৰচনা কৰাৰ প্ৰায় এশ-ডেৰশ বছৰৰ পিছতহে অন্যান্য প্ৰান্তীয় ভাষা যেনে ঃ হিন্দী, উড়িয়া, বাংলা আদিত মূল সংস্কৃত বাল্মিকী 'ৰামায়ণ'খন অনুদিত হৈছিল।

মাধৱ কন্দলীদেৱৰ কাব্যকৃতি বুলিলে একমাত্ৰ 'ৰামায়ণ'কে ধৰা হয় যদিও তেওঁৰ নামত 'দেৱজিত' নামৰ আন এখন পদ পুথিও পোৱা গৈছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ 'Descriptive Catalogue of the Assamese Manuscripts'ত এই কাব্যখনৰ উল্লেখ পোৱা যায়। কিন্তু কাব্য পুথিখন প্ৰকৃততে ৰামায়ণ প্ৰসিদ্ধ কবি

মাধৱ কন্দলিৰ ৰচনা হয় নে নহয় সেয়া স্পষ্টকৈ ক'ব পৰা নাযায়। কাব্যখনৰ ভাষা আৰু ৰচনাৰীতিৰ গুণগত মান নিম্ন পৰ্যায়ৰ। 'ৰামায়ণ'ত কন্দলীদেৱৰ যি দক্ষতা প্ৰকাশি উঠিছে (বিশেষকৈ শব্দ-চয়ন, ৰস, ছন্দ-অলংকাৰৰ ক্ষেত্ৰত, ভাষা, পদ প্ৰয়োগত, ফকৰা-যোজনা, পটন্তৰ, প্ৰবাদ বাক্যৰ যি মধুৰ মিলন ঘটিছে) সেয়া 'দেৱজিৎ' নামৰ কাব্যখনত দেখিবলৈ পোৱা নাযায়।

কাব্যখনৰ মূল বিষয়বস্তু হৈছে পঞ্চপাণ্ডৱৰ অন্যতম অৰ্জুন আৰু ভগৱান শ্ৰীকৃষ্ণৰ মাহাত্ম্যসূচক বৰ্ণনা। যাগযজ্ঞ আৰু তপস্যা আদিতকৈ ভক্তি আৰু নামধৰ্মই যে শ্ৰেষ্ঠ তাক কাব্যখনৰ মাজেৰে প্ৰতিপন্ন কৰিব বিচৰা হৈছে। অৰ্জুনে স্বৰ্গৰ দেৱতাসকলৰ লগত যুদ্ধ কৰি কৃষ্ণৰ সহায়ত কেনেদৰে জিনিবলৈ সক্ষম হ'ল তাৰ বিৱৰণ কাব্যখনত পোৱা যায়।

### ৫.৪ মাধৱ কন্দলিৰ ৰামায়ণ ঃ সাধাৰণ পৰিচয়

অসমীয়া ভাষা-সাহিত্য আকাশৰ মুকুতা সদৃশ মাধৱ কন্দলিৰ 'ৰামায়ণ' অকল ধৰ্মমূলক গ্ৰন্থই নহয়, ইয়াৰ মাজেৰে ভাষা-সাহিত্য, সংস্কৃতি, সমাজ, ৰাজনীতি, অৰ্থনীতি, দৰ্শন, ৰূপকথা আদি বিভিন্ন দিশৰো সমন্বয় সাধন হৈছে। অনুপম গ্ৰন্থখনে বিশ্ববাসীলৈ কঢ়িয়াই আনিছে সমন্বয়ৰ বাণী। পৰৱৰ্তী কবি-সাহিত্যিকসকলৰ আদৰ্শ আৰু অমল প্ৰেৰণাৰ উৎস স্বৰূপ কন্দলিৰ কাপনিসৃত 'ৰামায়ণ' গ্ৰন্থখনৰ মাজেৰে প্ৰতিফলিত হোৱা পাণ্ডিত্ব আৰু কবিত্বই তেওঁক অসমীয়া ভাষা-সাহিত্যৰ যুগজয়ী কবি হিচাপে পৰিচিত কৰি তুলিছে। 'ৰামায়ণ' গ্ৰন্থখনৰ জনপ্ৰিয়তাই শিখৰৰ শীৰ্ষ স্থান দখল কৰা হেতুকে পৰৱৰ্তী সময়ৰ কবি-সাহিত্যিকসকলেও ৰামায়ণ বিষয়ক সাহিত্য-চৰ্চাৰ প্ৰতি অনুপ্ৰাণিত হৈছিল। অসমত ৰামায়ণী সাহিত্যৰ পৰম্পৰা বিশাল আৰু বিস্তৃত। ৰামায়ণ বিষয়ক সাহিত্যত কন্দলিৰ স্থান অতি উচ্চ। সেই কথা অনস্বীকাৰ্য। আজি একবিংশ শতিকাৰ দুৱাৰদলিত উপনীত হোৱাৰ ক্ষণতো ঐশ্বৰ্যমণ্ডিত বাৰেৰহণীয় ৰামায়ণৰ আদৰ্শগত বিভিন্ন ৰচনাৰাজিয়ে অসমীয়া সাহিত্যৰ ভঁড়াল জীপাল কৰি ৰাখিছে।

জাতীয় জীৱনৰ দলিল স্বৰূপ কন্দলিকৃত 'ৰামায়ণ'ৰ পৃষ্ঠপোষক ৰজাজন হৈছে বৰাহী ৰজা মহামাণিক্য। তেওঁৰ অনুৰোধ আৰু অনুপ্ৰেৰণাতে কন্দলিয়ে যে 'ৰামায়ণ' ৰচনা কৰিছিল তাৰ উমান কাব্যৰ মাজতে লাভ কৰিব পৰা যায়। 'ৰামায়ণ'ৰ লংকাকাণ্ডত তেওঁ নিজৰ আত্মপৰিচয় দিয়াৰ লগতে সেই কথা সুন্দৰকৈ ব্যক্ত কৰিছেঃ

কবিৰাজ কন্দলি যে আমাকেসে বুলি ৰয়
কৰিলোহোঁ সৰ্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্ৰীমহা মাণিক্য যে
বৰাহ ৰাজাৰ অনুৰোধে।।
(৬/৫৬/২৩)

কন্দলিদেৱে মূল বাল্মীকিকৃত সংস্কৃত 'ৰামায়ণ'ৰ সাৰানুবাদ কৰিহে সপ্তকাণ্ডত 'ৰামায়ণ'খন ৰচনা কৰিছিল। 'ৰামায়ণ'ত তেওঁ নিজেই এই কথা ব্যক্ত কৰিছে—

"সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো, লম্ভা পৰি হৰি সাৰোদ্ধৃতে"। কন্দলিদেৱে যদিওবা সপ্তকাণ্ডত 'ৰামায়ণ'খন ৰচনা কৰিছিল বুলি অভিহিত কৰিছে, কিন্তু পৰৱৰ্তী সময়ত তেওঁৰ দ্বাৰা ৰচিত 'ৰামায়ণ'খনৰ পাঁচটা কাণ্ডহে উদ্ধাৰ হৈছিল। সেই পাঁচটা কাণ্ড ক্ৰমে ঃ অযোধ্যাকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, অৰণ্যকাণ্ড, সুন্দৰাকাণ্ড আৰু লংকাকাণ্ড। আদিকাণ্ড আৰু উত্তৰাকাণ্ড পোৱা হোৱা নাছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কন্দলিৰ ৰামায়ণৰ মৰ্যাদা অটুট ৰাখিবলৈ আৰু বিশাল কবি প্ৰতিভাক সন্মান জনাবলৈ নিজে উত্তৰাকাণ্ড আৰু প্ৰিয়তম শিষ্য মাধৱদেৱৰ হতুৱাই আদিকাণ্ড ৰচনা কৰি ৰামায়ণক পূৰ্ণতা প্ৰদান কৰিছিল।

কন্দলিৰ অসামান্য কবি প্ৰতিভাৰ সৰ্বোকৃষ্ট নিদৰ্শনেই হৈছে 'সপ্তকাণ্ড ৰামায়ণ'। তেওঁৰ কলমত গ্ৰন্থখনৰ প্ৰতিটো কাণ্ডই মনোগ্ৰাহী হৈ উঠিছে। চতুৰ্দশ শতিকাৰ সমসাময়িক অসমীয়া সমাজখনক চকুৰ আগত ৰাখিহে কন্দলিয়ে গ্ৰন্থখন ৰচনা কৰিছিল। গ্ৰন্থখনৰ মূল উৎসই হৈছে বাল্মীকিৰ সংস্কৃত 'ৰামায়ণ'। কিন্তু তেওঁ মূল উৎসৰ পৰা সাৰভাগ গ্ৰহণ কৰি ইমান সুন্দৰ, সহজ আৰু সজীৱ ৰূপত অসমীয়ালৈ অনুবাদ কৰিছে সেয়া বৰ্ণনাতীত। তেওঁ অসমৰ লোকভাষাক গ্ৰন্থখনৰ মাজেৰে কাব্যিক ভাষাৰূপে প্ৰতিষ্ঠা কৰি থৈ গৈছে। লোকৰুচি অনুসৰি তেওঁ নিজা সংযোজনো কৰিছে। কিন্তু ইয়ে মূলৰ সৌন্দৰ্যক হানি কৰা নাই। গ্ৰন্থখনৰ কাহিনী, চৰিত্ৰ, পৰিৱেশ বা অৱস্থা চিত্ৰণত নৈসৰ্গিক শোভা বৰ্ণনাত বীৰ-হাস্য-কৰুণাদি ৰস সৃষ্টি আৰু শব্দ চয়নত কন্দলিদেৱে জাতীয় গঢ় দি ৰূপে-ৰসে-ভাৱে অসমীয়াৰ অতি আদৰৰ আৰু আপোন কৰি গঢ়ি তুলিছে।

## ৫.৫ কন্দলিৰ ৰামায়ণৰ অনুবাদ ৰীতি

অপ্ৰমাদী কবি মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ অনুবাদৰীতি অতি উচ্চ, শক্তিশালী আৰু মনোৰম তথা মনোমোহা। তেওঁ বাল্মীকি 'ৰামায়ণ'ৰ সাৰভাগ লৈ 'লম্ভা পৰি হৰি সাৰোদ্ধৃতে'কে মূলনীতি হিচাপে গ্ৰহণ কৰি অসমীয়া পদত 'ৰামায়ণ' গ্ৰন্থখনি ৰচনা কৰিছিল। চতুৰ্দশ শতিকাৰ অসমীয়া জন-জীৱনৰ ৰুচিবোধৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ গ্ৰহণ, বৰ্জন আৰু সংযোজন ৰীতিৰে কাব্যখনৰ ভেঁটি বান্ধিছিল। কন্দলিৰ 'ৰামায়ণ' মৌলিক গ্ৰন্থ নহয় যদিও ই বাল্মীকিকৃত সংস্কৃত 'ৰামায়ণ'ৰ আক্ষৰিক অনুবাদো নহয়। সমকালীন অসমৰ সহজ-সৰল নিৰক্ষৰ জনসাধাৰণে বুজিব আৰু আনন্দ লাভ কৰিব পৰাকৈ তেওঁ গ্ৰন্থখনৰ ৰূপ দান কৰিছিল।

কবিয়ে 'ৰামায়ণ' অনুবাদ কৰোঁতে গ্ৰহণ কৰা নীতি সম্পৰ্কে কিষ্কিন্ধ্যাকাণ্ডত এইদৰে উল্লেখ কৰিছে ঃ

বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে।
তাহাক বিচাৰ আমি কৰিয়া প্ৰৱন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ যিমত বুঝিলোঁ।

সংক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ।।
সমস্ত ৰসক কোনে জানিবাক পাৰে।
পক্ষীসৰ উৰয় যেন পখা অনুসাৰে।।
কবিসৰ নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।।
(পদ ঃ ৩৯৯১-৩৯৯৩)

আকৌ, তেওঁ কাব্যখনৰ এঠাইত অনুবাদ প্ৰসংগত এনেদৰেও উল্লেখ কৰিছে— "দেৱবাণী নুহি ইটো লৌকিকহে কথা।" লোক প্ৰয়োজন অনুসৰি তেওঁ অনুবাদ কৰ্ম সম্পন্ন কৰিছে—

কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।

কাব্যৰস সৃষ্টিৰ বাবে কবিয়ে ৰামায়ণত নতুন কথা বা মৌলিক ৰহন সনাৰ প্ৰসংগত আকৌ এনেদৰেও কৈছে— "মহামাণিক্যৰ বোলে কাব্যৰস কিছু দিলো, দুগ্ধক মথিলে যেন ঘৃত।"

কন্দলি প্ৰকৃতাৰ্থত এজন সফল অনুবাদক। কোনো এটা ভাষাৰ পৰা আন এটা ভাষালৈ যি বিষয়ে অনুবাদ কৰা নহওক কিয় প্ৰথমতে প্ৰয়োজন হ'ব অনুবাদকৰ ভাষাজ্ঞান। যদি অনুবাদ কৰিবলগীয়া ভাষাটোৰ বিষয়ে অনুবাদকৰ সম্যক জ্ঞান নাথাকে তেতিয়াহ'লে তেওঁ অনুবাদ কাৰ্যত আগবাঢ়িব নোৱাৰে। নিঃসন্দেহে কন্দলিদেৱ সংস্কৃত ভাষাজ্ঞানত পৈণত হোৱাৰ বাবে এই প্ৰচেষ্টাত সফলতা অৰ্জন কৰিব পাৰিছিল। উদাহৰণস্বৰূপে ঃ মূল ৰামায়ণৰ এটা শ্লোক আৰু কন্দলিদেৱে এই শ্লোকটোৰ আক্ষৰিক অনুবাদ কেনেদৰে কৰিছে তাক তলত দাঙি ধৰা হ'ল ঃ

**মূল ৰামায়ণৰ শ্লোক ঃ**

দেশে দেশে কলত্ৰাণি দেশে দেশেচ বান্ধৱাঃ।
তং তু দেশম্ ন পশ্যামি যত্ৰ ভ্ৰাতা সহোদৰঃ।।
(লংকাকাণ্ড, ১০২ অধ্যায়, শ্লোক ১৪)

**কন্দলি কৃত ঃ**

ভাৰ্যা পুত্ৰ বন্ধু যত পাই যথা তথা।
হেন নতু দেখিয়ো সোদৰ পাই কোথা।।
(লংকাকাণ্ড, ৫১৬১)

আকৌ, অযোধ্যাকাণ্ডত কৈকেয়ীক সন্তুষ্ট কৰিবলৈ দশৰথে কোৱা এটা শ্লোক নিদৰ্শন হিচাপে দাঙি ধৰা হ'লঃ

দৰিদ্ৰঃ কো ভৱেদাত্যো দ্ৰব্যবান্ বাপ্যকিঞ্চনাঃ
অহঞ্চ হি মদীয়াশ্চ সৰ্ব্বে তব বশানুগাঃ।।

নতে কঞ্চিদভিপ্ৰায়ং ব্যাহন্তু মহমুৎসহে।
আত্মনো জীৱিতেনাপি ব্ৰূহি যন্মমসি স্থিতম।।
(অযোধ্যাকাণ্ড ১০ম অধ্যায়, ৩৩/৩৪ শ্লোক)

কন্দলিদেৱে ওপৰোক্ত শ্লোকটোৰ এনেদৰে অসমীয়ালৈ অনুবাদ কৰিছে ঃ

নিৰ্ধনী হৈবেক ধনী ধনী যে নিৰ্ধন।
কাহাক দণ্ডিবো বোল তোৰ যাক মন।।
যত ৰত্ন ভাণ্ডাৰ আছয় এথা মোৰ।
যেই লাগে লৈয়োক হৰিষ মন তোৰ।।
(অযোধ্যাকাণ্ড, ১৬০৮)

ওপৰৰ আলোচনাৰ পৰা এটা কথাই স্পষ্ট যে, অনুবাদৰ ক্ষেত্ৰত কবিৰ কাব্য নিপুণতা আৰু পাণ্ডিত্য সুন্দৰ ৰূপত চিত্ৰিত হৈ উঠিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

ৰামায়ণৰ অনুবাদ কৰ্মত মাধৱ কন্দলিয়ে কি ৰীতি গ্ৰহণ কৰিছিল? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................
.......................................................................................................
.......................................................................................................

## ৫.৬ কন্দলিৰ ৰামায়ণৰ মৌলিকতা

মাধৱ কন্দলিৰ কলমত প্ৰাণ পাই উঠা 'ৰামায়ণ' শীৰ্ষক গ্ৰন্থখনৰ মাজেৰে কবিৰ মৌলিকতা বা মৌলিক প্ৰতিভা সুন্দৰ ৰূপত চিত্ৰিত হৈ উঠিছে। গ্ৰন্থখনত সন্নিবিষ্ট প্ৰতিটো কাণ্ডৰ মাজেৰে কবিৰ অনুপম কাব্য ৰীতিও জিলিকি উঠিছে। 'ৰামায়ণ'ৰ বিষয়-বৰ্ণন, প্ৰকৃতি বৰ্ণন, চৰিত্ৰ চিত্ৰণ, সামাজিক পৰিৱেশ বৰ্ণন, ভাষা-প্ৰয়োগ, শব্দ-চয়ন, ছন্দ, অলংকাৰ, ৰস সৃষ্টি ইত্যাদি বিভিন্ন দিশত কন্দলিৰ স্বকীয় প্ৰতিভা বিৰাজমান হৈ উঠিছে।

প্ৰকৃতিৰ সৌন্দৰ্য বৰ্ণনাত কবি নিপুণ আৰু সিদ্ধহস্ত। মূল সংস্কৃত 'ৰামায়ণ'ত আঠোটা শ্লোকৰ মাজত বাল্মীকিয়ে চিত্ৰকূট পৰ্বতৰ নৈসৰ্গিক শোভা বৰ্ণনা কৰিছিল। কিন্তু আমাৰ কবিয়ে চিত্ৰকূট পৰ্বতৰ বহু বিস্তৃত আৰু মনোমোহা ছবি অংকন কৰি নিজকে সুদক্ষ চিত্ৰশিল্পীৰ পৰিচয় প্ৰদান কৰিছে। তদুপৰি এই বৰ্ণনাত তেওঁ অসমৰ প্ৰাকৃতিক পৰিৱেশ চিত্ৰিত কৰি আৰু অধিক মনোমোহা কৰি তুলিছে। উদাহৰণস্বৰূপে—

দেখা দেখা জানকী হৰিষ কৰি মন।
ফল মূল যুকুত বিবিধ তৰু বন।।
জাই যুতি বকুল বন্দুলি কৰ্ণিকাৰ।
কাঞ্চন তগৰ কুন্দ সেৱালী মন্দাৰ।।

অশোক পলাশ ফুলি গৈল হিসাহিসি।
নাগেশ্বৰ চম্পক ফুলিল অহর্নিশি।।

(অযোধ্যাকাণ্ড, ২০৭২-৭৩)

কবিয়ে প্ৰকৃতিৰ ৰূপৰ মাজত মানুহৰ সৌন্দৰ্যও বিচাৰি পাইছিল। তেওঁ অযোধ্যাকাণ্ডত চিত্ৰকূটৰ সৌন্দৰ্যৰ লগত সীতাৰ ৰূপ-লাৱণ্যৰ তুলনামূলক যি ছবি চিত্ৰিত কৰিছে সিও মনোমুগ্ধকৰ। ইয়াৰ মাজেৰে কবিৰ সৃজনীশীল প্ৰতিভাৰ উজ্বল স্বাক্ষৰ লাভ কৰিব পৰা যায়। উদাহৰণস্বৰূপে—

ৰাজহংস দেখা সীতা তোমাৰ গমন।
চক্ৰবাক যুগল তোমাৰ দুই তন।।
কল হংস ৰাৱ কাঞ্চি নুপূৰৰ নাদ।
বদন কমল তোৰ দেখন্তে আহ্লাদ।
বদন উপৰে তোৰ নয়ন-যুগলে।।
খঞ্জন দুতয় যেন চলয় কমলে।
জনকৰ জীৱ দেখ নদী মন্দাকিনী।
তোমাৰ সদৃশ সুশোভিত মধ্যাক্ষিণী।।

(অযোধ্যাকাণ্ড, ২০৮১-৮৩)

সুন্দৰাকাণ্ডত, ৰাৱণৰ মধুফলৰ বাৰী ধ্বংস কৰোঁতে হনুমানে ধাৰণ কৰা বামুণৰ বেশো কবিৰ কাল্পনিক সৃষ্টি। ইয়াৰ মাজেৰেও তেওঁৰ সৌন্দৰ্য অনুভূতিপূৰ্ণ সৃষ্টিশীল মনৰে পৰিচয় লাভ কৰিব পৰা যায় ঃ

এহি গুনি হনুমন্তে তেখনে সীতাৰ আগে,
ধৰিলন্ত ব্ৰাহ্মণৰ বেশ।
হাতত কৰণ্ডী কুশ, চৰৰি খখৰা ছাতি;
শন পাঞ্চি হেন ভৈল কেশ।।
আপোন লাঙ্গুলে তান কান্ধৰ লগুণ ভৈল
জক জক কৰে ফোট দান্ত।।
থিৰ নাযায় হাত ভৰি বৃদ্ধ ব্ৰাহ্মণৰ বেশ
দেখি সীতা হাসি তুলিলন্ত।।

(সুন্দৰাকাণ্ড, ৪৩২১)

হনুমানে লংকাৰ পৰা ঘুৰি অহাৰ পিছত নিজৰ সতীৰ্থসকলক লগ পাই যি আনন্দ প্ৰকাশ কৰিছে সেয়া স্বাভাৱিক। কবিয়ে পুনৰ মিলনৰ এই ছবি চিত্ৰিত কৰাত নিঃসন্দেহে সাফল্য লাভ কৰিব পাৰিছে। লংকাৰ পৰা সীতাৰ বাতৰি আনি যেতিয়া হনুমানে লগৰীয়াসকলৰ সৈতে নাচি বাগি ৰাম আৰু সুগ্ৰীৱৰ ওচৰত উপস্থিত হৈছিল সেয়া বৰ্ণনা কৰোঁতেও কবিৰ মৌলিক প্ৰতিভা উজলি উঠিছে। যেনে —

ৰামৰ পাশক নিষিদ্ধ কৰি যায়।
খলখলি কৰি হাসে কতো গীত গায়।।

ধিতিঙালি কৰি পথ অনেক এৰাইল।
প্ৰয়াসিল কপীগণ মধুবন পাইল।।
(সুন্দৰাকাণ্ড, ৪৬১৫-১৬)

কন্দলিদেৱে গ্ৰন্থখনত ৰাম-সীতাক সাধাৰণ মানুহ হিচাপে চিত্ৰিত কৰিছে। লংকাবিজয়ৰ পিছত সীতাক উদ্ধাৰ কৰি যেতিয়া ৰামৰ ওচৰলৈ অনা হৈছিল তেতিয়া দুয়োজনৰে মানসিক স্থিতিৰ যি বৰ্ণনা কবিয়ে দাঙি ধৰিছে সেয়া তেওঁৰ মৌলিক প্ৰতিভা আৰু উদ্ভাৱনা শক্তিৰে ৰূপান্তৰ মাথোন। এফালে লোক নিন্দা, আনফালে বিৰহত আকুল হোৱা এটি মন আৰু অনিশ্চিত ভৱিষ্যত এই সকলোবোৰে চিত্তত প্ৰৱাহিত হৈ আদৰ্শৰ লগত যুঁজ কৰাৰ যি চিত্ৰ কবিয়ে অংকন কৰিছে সেয়া বৰ্ণনাতীত। সীতাৰ অগ্নি পৰীক্ষাৰ আগমুহূৰ্তত ৰামৰ মনোবেদনাৰ চিত্ৰ কবিয়ে এনেদৰে অংকন কৰি তুলিছে ঃ

সীতাক দেখিয়া ৰাম অন্তৰ্গতে স্নেহ।
ক্ষণে সকৰুণ ক্ষণে নিকৰুণ দেহ।।
দুঃখ কৰি ৰামৰ চক্ষুৰে পৰে পানী।
ক্ৰোধ কৰি পুনঃ তাক ধৰে টানি টানি।।
ধৰন্তে ধৰন্তে লোহ ধৰণ নমাই।
শোক দুঃখ ক্ৰোধ সব ভৈলা এক ঠাই।।
(লংকাকাণ্ড, ৬৪৬৯-৭০)

কন্দলিৰ সৃজনীশীল প্ৰতিভাৰ আন এক অনুপম নিদৰ্শন হৈছে “কুঁজী” (মন্থৰা) চৰিত্ৰ চিত্ৰণ। কুঁজীৰ মনত পটেশ্বৰী হোৱাৰ যি গুপ্ত আশা “গুপ্তৰূপে তথাপিতো হৈব পটেশ্বৰী” তাৰ মাজেৰে বিমল হাঁস্য ৰসৰ সোৱাদ লাভ কৰিব পৰা যায়। ৰামৰ অভিষেকৰ বাতৰি শুনি কৈকেয়ী আনন্দত আত্মহাৰা হোৱা দেখি কুঁজীৰ মানসিক অৱস্থাৰ যি চিত্ৰ কবিয়ে অংকন কৰিছে তাৰ মাজেৰে কবিৰ বৰ্ণনা নিপুণতাৰে পৰিচয় লাভ কৰিব পৰা যায় —

ক্ৰোধত খঙ্গিলা কুঁজী জাজ্বল্য প্ৰমাণ।
আছাৰিয়া পেলাইলেক কৈকয়ীৰ দান।।
হাতে হাতে পিষয় বজায়া দান্ত দান্ত।
আসজ শুনিয়া যেন তেলীয়াৰ জান্ত।।
(অযোধ্যাকাণ্ড, ১৫৭৭)

সুগ্ৰীৱ আৰু বালীৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনাতো মৌলিকতাৰ পৰশ লাভ কৰিব পৰা যায়। মূল ‘ৰামায়ণ’ত সন্নিৱিষ্ট অনুসৰি বালীৰ হাতত পৰাস্ত হৈ সুগ্ৰীৱ পলাই আহি ৰামৰ ওচৰ পাইছিল আৰু ৰামৰ পৰামৰ্শ অনুসৰি সুগ্ৰীৱে একেদিনাই দ্বিতীয়বাৰৰ বাবে বালীক যুদ্ধৰ বাবে প্ৰত্যাহ্বানো জনাইছিল। কিন্তু এইক্ষেত্ৰত কন্দলি অলপ ব্যতিক্ৰম। কন্দলিৰ ৰামে সুগ্ৰীৱক এনেদৰে উপদেশ দিছিল —

দিন চাৰি থাকিয়োক, ঘাৰসৰ পালম্পোক,
পাচ সৰে কিস্কিন্ধ্যাক যাওঁ।
ইবাৰ বালীক দেখি মাৰি যেৰে নপঠাও,
তেৰে ব্ৰহ্মবধ পাপ পাওঁ।।

(কিস্কিন্ধ্যাকাণ্ড, ৩৫৭২)

এয়া কবিৰ নিজস্ব কল্পনা। এই কল্পনাই মূল কাহিনীক বিকৃত কৰি তোলা নাই। বৰঞ্চ কাহিনীত স্বাভাৱিকত্বহে আৰোপ কৰি তুলিছে। এইদৰে কবিয়ে কাহিনীৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে ঠায়ে ঠায়ে মূলৰ পৰা আঁতৰি আহি নিজস্ব কল্পনাৰে নতুন কথা সংযোগ কৰি লোকসমাজত 'ৰামায়ণ'ৰ আপোন আৰু আদৰণীয় কৰিবলৈ যত্ন কৰিছিল।

**আত্মমূল্যায়ণ প্ৰশ্ন**

কন্দলিয়ে ৰামায়াণৰ মৌলিকতাসমূহ সৃষ্টিৰ সমলবোৰ ক'ৰ পৰা সংগ্ৰহ কৰিছিল?
(৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................
..........................................................................................................
..........................................................................................................

## ৫.৭ কন্দলিৰ ৰামায়ণত সমাজৰ চিত্ৰ

সাহিত্য সমাজৰ দাপোণ স্বৰূপ। সাহিত্যত সমাজৰ প্ৰতিফলন ঘটে। কোনো এখন সমাজৰ স্বৰূপ, সামাজিক পৰিৱেশ, লোকচাৰ, লোক-বিশ্বাস, লোক-মন, লোক-জীৱন, লোক-ভাষা, উৎসৱ-অনুষ্ঠান, খাদ্য, বৃত্তি, জাতি, উপজাতি, সাজপাৰ, আ-অলংকাৰ ইত্যাদিকে আদি কৰি বিভিন্ন দিশৰ সু-সমন্বয় সাহিত্যত ঘটা দেখিবলৈ পোৱা যায়। এইক্ষেত্ৰত কন্দলিৰ হাতৰ পৰশত প্ৰাণ পাই উঠা 'ৰামায়ণ' গ্ৰন্থখনো ব্যতিক্ৰম নহয়। নানা তথ্য সমৃদ্ধ গ্ৰন্থখনত তদানীন্তন অসমৰ সমাজ জীৱনৰ ছবি সুন্দৰ ৰূপত প্ৰতিভাত হোৱা দেখা যায়।

চতুৰ্দশ শতিকাৰ সমাজখন নানা জাতি-উপজাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা এখন বিচিত্ৰ সমাজ। সেই সময়ৰ সমাজত বৃত্তি অনুসৰিহে জাতি-উপজাতিৰ সৃষ্টি হৈছিল। 'ৰামায়ণ'ৰ অযোধ্যাকাণ্ডৰ মাজত এনে বৃত্তিগত লোকৰ পৰিচয় লাভ কৰিব পৰা যায়। অযোধ্যাকাণ্ডত উল্লেখ থকা অনুসৰি পিতৃ-বাক্য পালন কৰি ৰাম বনলৈ যাবলৈ ওলোৱাৰ শোকত মৰ্মাহত হৈ "ছত্ৰিশ জাতিয়ে তেজিলেক নিজবৃত্তি" বা ৰামক বনৰ পৰা ঘূৰাই আনিবলৈ ভৰতৰ লগত যোৱা অযোধ্যাৰ প্ৰজাসকলৰ মাজত এনে বৃত্তিধাৰী লোকক দেখিবলৈ পোৱা যায়ঃ

ক্ষত্ৰী বৈশ্যগণ কায়স্থ সজজন
নট, ভাট তেলী তান্তী।

ঠঠাৰি সোনাৰী সংসাৰ সেংখাৰী
ভৰতৰ লগে যান্তি।।
বণিয়া চমাৰ কমাৰ সূতাৰ
ধোৱা আৰু কুম্ভকাৰ।
ই সব প্ৰমুখ্যে চলিল যতেক
আদি অন্ত নাহি তাৰ।।

এইসকল লোকৰ উপৰি গুৱাল, নাৱাৰ, গাডুৰী, হাড়ীকে আদি কৰি ভালেমান লোকেও যে এখন সমাজতে একলগে বাস কৰিছিল তাৰো আভাস ৰামায়ণৰ অন্যান্য কাণ্ডত বিভিন্ন প্ৰসংগত কৰা বৰ্ণনাৰ পৰা জানিব পৰা যায়।

সামাজিক অৰ্থনীতিত তদানীন্তন সমাজত কৃষিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সেই সময়ত জীৱন জীৱিকা নিৰ্বাহৰ প্ৰধান সম্বল আছিল কৃষি-কৰ্ম। কন্দলিয়ে ৰামায়ণত এখন কৃষিজীৱি সমাজৰ ছবি সুন্দৰ ৰূপত চিত্ৰিত কৰি তুলিছে। কৃষিৰ ভিতৰত প্ৰধানকৈ বিভিন্ন ৰকমৰ ধান খেতি কৰা হৈছিল যদিও তাৰ লগে লগে শাক-পাচলি, মাহ, হালধি আদিৰো খেতি কৰা হৈছিল। তেওঁ বিভিন্ন প্ৰসংগত গ্ৰন্থখনত খৰিকা, জহা, শালিধানৰ নামোল্লেখ কৰাৰ লগতে ধান নহ'লে মানুহৰ কেনেকুৱা অৱস্থা হয় তাৰো বৰ্ণনা কৰিছে। ধানৰ পৰা ওলোৱা চাউলেৰে প্ৰস্তুত কৰা বিভিন্ন জুতিলগা খাদ্য আৰু কৃষি-কৰ্মৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন সা-সঁজুলিৰ বৰ্ণনাৰ প্ৰসংগতো অসমীয়া সমাজখনকে তেওঁ মূল ভিত্তি হিচাপে গ্ৰহণ কৰিছে। কৃষিৰ লগতে বিভিন্ন ব্যৱসায় বাণিজ্য কৰিও যে মানুহ অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰিছিল তাৰো আভাস গ্ৰন্থখনতে পোৱা যায়। চতুৰ্দশ শতিকাৰ অসমীয়া সমাজত মৎস্যপ্ৰীতি আৰু ইয়াৰ ভিত্তিতেই গঢ়ি উঠা মাছমৰীয়া সম্প্ৰদায়, মাছ ধৰিবলৈ প্ৰয়োজন হোৱা বিভিন্ন সা-সঁজুলিৰ বৰ্ণনা লাভ কৰিব পৰা যায়। আকৌ, মাছক অৱলম্বন কৰি বিভিন্ন ধৰণৰ উপমা-পটন্তৰৰো যে সমাজত প্ৰচলন আছিল তাকো জানিব পৰা যায় ঃ

"তপত খোলাত দিলে মৎস্য যেন মৰে।"
"অলপ পানীৰ শ'ল দদৰা-দদৰি।"
"বৰশীয়া ৰাৰণৰ পুঙাতেসে দৃষ্টি।"
"চিলে যেন থাম্প দিয়া মাছক নিলেক।"

'ৰামায়ণ' গ্ৰন্থখনত অংকিত হোৱা প্ৰতিটো চৰিত্ৰয়ে সেই সময়ৰ সমাজ জীৱনকে প্ৰতিনিধিত্ব কৰিছে। লোক-জীৱনৰ চৰিত্ৰৰ পোহৰতে ৰাম, লক্ষ্মণ, সীতা, ভৰত, শত্ৰুঘ্ন, দশৰথ, কুঁজী ইত্যাদি চৰিত্ৰবোৰ জিলিকি উঠিছে। ৰামক আদৰ্শবাদী মহান পুৰুষ হিচাপে চিত্ৰিত কৰাৰ বিপৰীতে সীতাক শক্তিসম্পন্না, ধৈৰ্যশীলা নাৰী হিচাপে চিত্ৰিত কৰি কাব্যখনৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰি তুলিছে। গ্ৰন্থখনত ৰজা-মহাৰজাৰ লগতে সাধাৰণ শ্ৰেণীৰ প্ৰজাৰ চিত্ৰায়ণ কৰিও সমাজ জীৱনৰে আনুসঙ্গিক দিশসমূহ সুন্দৰভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছে। তদানীন্তন সময়ত সমাজত নাৰীৰ

স্থান কেনেকুৱা আছিল এই সম্পৰ্কেও কিছু তথ্য 'ৰামায়ণ'ৰ মাজেৰে লাভ কৰিব পৰা যায়। সমাজত নাৰীক যদিও সন্মানৰ দৃষ্টিৰে চোৱা হৈছিল, কিন্তু তেওঁলোকৰ কোনো স্বাধীনতা নাছিল। 'ৰামায়ণ'ত নাৰী "স্বতন্তৰী" নহয় বুলি কন্দলিদেৱে নিজে উল্লেখ কৰি গৈছে— "স্ত্ৰী জাতি পৰাধীন নোহে স্বতন্তৰী" কন্দলিদেৱে যেনেকৈ নাৰীৰ স্বাধীন নোহোৱাৰ কথা উল্লেখ কৰিছে, ঠিক তেনেকৈ সমাজত নাৰীয়েও যে সময় সাপেক্ষে প্ৰতিবাদ সাব্যস্ত কৰিছিল সেই কথাৰো উল্লেখ নকৰাকৈ থকা নাই। পৰিস্থিতিৰ পাকচক্ৰত পৰি সীতাৰ জীৱনে যেতিয়া গতিপথ সলাইছিল তেতিয়া সীতাই নিয়তিৰ বিধান বুলি পৰিস্থিতিক মানি নলৈ ইয়াৰ বিপৰীতে প্ৰতিবাদ সাব্যস্ত কৰিছিল। সমকালীন সমাজ জীৱনৰ অভিজ্ঞতাৰ আলমত কন্দলিদেৱে সীতাৰ মুখত দিয়া সংলাপৰ পৰা এই কথা জানিব পৰা যায় —

আমাক ইতৰ নাৰী সম দেখিলাহা।
নটৰ নটিনী যেন আনক বিলাহা।।

বিশেষভাৱে উল্লেখনীয় যে, তদানীন্তন সময়ত সমাজত নট সম্প্ৰদায়ৰ মানুহবিলাকক অন্য শ্ৰেণীৰ লোকে ভাল দৃষ্টিৰে চোৱা নাছিল। কিয়নো নট বিলাকে জীৱিকা নিৰ্বাহৰ তাড়নাত তেওঁলোকৰ ঘৈণীয়েক অৰ্থাৎ নটিনীবিলাকক আনক বিলাই দিছিল। এইবোৰ কাৰণতে হয়তো সমাজত তেওঁলোকক অৱহেলাৰ চকুৰে চোৱা হৈছিল।

লোক-সমাজত প্ৰচলিত হৈ থকা অনুষ্ঠানবোৰৰ ভিতৰৰ এক প্ৰাণময় অনুষ্ঠান হৈছে বিবাহ। ৰামায়ণত বিবাহৰ লগত জড়িত লোকাচাৰৰ দীঘলীয়া বৰ্ণনা পোৱা নাযায় যদিও কাব্যকাৰে অতি সুক্ষ্মভাৱে অযোধ্যাকাণ্ডত কইনা আদৰি অনা প্ৰসংগত আয়তীসকলৰ উৰুলি-জোকাৰ, সুবৰ্ণৰ ঘট, দৰা-কইনাই গচকি পাৰ হৈ যাবলগীয়া। বগা পাটৰ কাপোৰৰ উল্লেখ কৰিছে। ইয়াৰ মাজেৰে অসমীয়া সমাজত অতীজৰে পৰা প্ৰচলিত হৈ থকা বিবাহ অনুষ্ঠানৰ এখনি সুন্দৰ চিত্ৰ পৰিস্ফুট হৈ উঠিছে। কবিয়ে বৰ্ণনা প্ৰসংগত কৈছে —

দশৰথ নৃপতিৰ মাতৃ ইন্দুমতী।
কৌশল্যা কৈকেয়ী দুই বোৱাৰী সহিতি।।
আনো শান্তী সুন্দৰী আয়তী লৈয়া সংগে।
মংগল আচাৰ যত কৰিলন্ত ৰংগে।। (২৫৯, অযোধ্যাকাণ্ড)

সমাজত মৃত ব্যক্তিক সোঁৱৰণ কৰি পতা এটা অন্যতম অনুষ্ঠান হৈছে শ্ৰাদ্ধ। ৰামায়ণৰ মাজতো এনে অনুষ্ঠানৰ বিৱৰণ পোৱা যায়। দশৰথ, বালী, জটায়ু আৰু ৰাৱণৰ অন্ত্যোষ্টিক্ৰিয়াৰ পিছত শ্ৰাদ্ধাদিৰ বৰ্ণনাত বিধি অনুসৰি যে কৰ্ম সম্পাদন হৈছিল তাৰ উল্লেখ পোৱা যায়। অন্ত্যোষ্টিক্ৰিয়াৰ পিছত দশপিণ্ড দান, এঘাৰ দিনত শ্ৰাদ্ধ আৰু শ্ৰাদ্ধত মৃতকৰ আত্মাৰ সদ্‌গতিৰ বাবে বিভিন্ন বয়-বস্তুৰ দান দিয়া ৰীতি তেতিয়াৰ অসমীয়া সমাজতো যে প্ৰচলন আছিল তাৰ উমান পোৱা যায়। অযোধ্যাকাণ্ডত

ৰজা দশৰথৰ অন্ত্যোষ্টিক্ৰিয়াৰ সময়ত কৰা শ্ৰাদ্ধাদিৰ বৰ্ণনাত এনেধৰণৰ চিত্ৰ পোৱা যায় —

দশপিণ্ড দিলা আৰৰ দশকৰ্ম্ম।
ত্ৰিদশা কৰিলা যতেক কুলকৰ্ম্ম।।
একাদশ দোৱাদশ শ্ৰাদ্ধ নিবৰ্ত্তিল।
নানাবিধ দান পাছে ব্ৰাহ্মণক দিল।। (২৩৪৮)

একেদৰে বালীৰ অন্ত্যোষ্টিক্ৰিয়াৰ সময়তো একেই ছবি দেখিবলৈ পোৱা যায়ঃ

"নানাবিধ দান কৰিলন্ত বৃষোৎসৰ্গ।
হনুমন্ত সুগ্ৰীৱ যতেক জ্ঞাতিবৰ্গ।।
দান মানে সব জ্ঞাতিলোক তুষ্ট ভৈলা।
পুৰস্পৰথে চৰি বালী স্বৰ্গে চলি গৈলা।।" (৩৬৯৮)

সমকালীন সময়ত অসমীয়া জনজীৱনৰ খাদ্যনো কেনেকুৱা আছিল তাৰ আভাসো 'ৰামায়ণ'ৰ মাজেৰে লাভ কৰিব পৰা যায়। অন্ন (ভাত), ব্যঞ্জন, মাছ-মাস, শাক-পাচলি, পিঠা-পনা, ফল-মূল ইত্যাদিৰে প্ৰস্তুত কৰা বিভিন্ন জুতিলগা অসমীয়া খাদ্যৰ বৰ্ণনাৰে গ্ৰন্থখন ভৰপূৰ হৈ আছে। অসমীয়া সংস্কৃতিত 'তামোল-পাণ' এক অপৰিহাৰ্য সম্পদ। কাব্যকাৰে গ্ৰন্থখনৰ মাজত তামোল-পাণৰ উল্লেখ কৰি অসমীয়া সংস্কৃতিক সুন্দৰ ৰূপত তুলি ধৰিছে। দৈ, গাখীৰ, ঘিউ, মৌ, চেনি আৰু পানীৰ মিশ্ৰণেৰে প্ৰস্তুত কৰা 'মধুপৰ্ক' আৰু গাখীৰৰ লগত চাউল সিজাই তৈয়াৰ কৰা 'পায়স'ৰ প্ৰচলনো যে সেই সময়ৰ পৰাই অসমত আছিল তাকো জানিব পৰা যায়। লংকাকাণ্ডৰ বৰ্ণনা অনুসৰি 'পায়স' লংকাৰ তিৰোতাসকলৰ প্ৰিয় খাদ্য আছিল। খৰিকাজহা চাউলেৰে প্ৰস্তুত কৰা নানা তৰহৰ পিঠা আৰু মিঠা ফল-মূল লংকাবাসীৰ লগতে সমাজৰ অন্যান্য শ্ৰেণীৰ লোকৰো যে প্ৰিয় আছিল সেই কথাও গ্ৰন্থখনৰ মাজেৰে লাভ কৰিব পাৰি। ফল-মূলৰ ভিতৰত আম, জাম, পনিয়ল, কঠাল, নাৰিকল, কমলা, শ্ৰীফল, মধুফল, লেটেকু, বেল, আমৰা, কল, মধুৰি আদিয়ে আছিল প্ৰধান। সুৰাপানৰ প্ৰচলনো যে সমাজত অতীজৰে পৰা আছিল তাৰ আভাস পোৱা যায়। ভৰতে কৌশল্যাৰ ওচৰত সান্ত্বনা বিচাৰি যোৱাৰ প্ৰসংগত ভৰতৰ মুখত দিয়া সংলাপৰ পৰা এই কথা স্পষ্টভাৱে ওলাই পৰে —

"মন্দকৰ্মে মাৰৰ শৰীৰে দেই তাপ।
সুৰাপান কৰি যেন দ্বিজৰ সন্তাপ।" (২৩১৬)

কবিয়ে গ্ৰন্থখনত প্ৰকৃতিৰ বৰ্ণনা সজীৱ আৰু প্ৰাণৱন্ত ৰূপত চিত্ৰিত কৰি তুলিছে। অসম ৰাজ্যৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা কৰাত তেওঁ অকণো ত্ৰুটি কৰা নাই। য'তেই সুবিধা পাইছে তাতেই স্থানীয় ৰহন সানি প্ৰকৃতিৰ সৌন্দৰ্যক সোণত সুৱগা কৰি তুলিছে। চিত্ৰকূট পৰ্বতৰ লগতে অশোক বনৰ সৌন্দৰ্য বৰ্ণনা প্ৰসংগত অসমৰ

পাহাৰ ভৈয়ামে সিঁচৰতি হৈ থকা নানান গছ-গছনি, চৰাই-চিৰিকটি, সুশোভিত ফুলৰ ছবিহে অংকন কৰিছে। শাল, তাল, চম্পক, আমলখি, তেন্তেলি, নেমু, শ্ৰীফল, নাৰিকল, চাতিয়াল, গুৱা, সৰল, পিয়াল ইত্যাদিকে আদি কৰি বিভিন্ন গছ-গছনি, চুটিয়া, শালিকা, সয়না, ভাটৌ, বক, মউপিয়া, কোকিল, পেঁচা, ৰাজহংস, চক্ৰবাক, কলহংস, খঞ্জন ইত্যাদি বিবিধ চৰাই-চিৰিকটি আৰু জাই, জুতি, বকুল, কাঞ্চন, তগৰ, শেৱালি, মাধৈ, মৰুৱা, চম্পা, নাগেশ্বৰ আদি নানা তৰহৰ ফুলেৰে সুশোভিত হৈ থকা বন-উপবনৰ বৰ্ণনাত চতুৰ্দশ শতিকাৰ অসমীয়া সমাজৰে প্ৰাকৃতিক পৰিৱেশ সুন্দৰ ৰূপত জিলিকি থকা দেখিবলৈ পোৱা যায়।

সৌন্দৰ্য প্ৰকাশৰ ক্ষেত্ৰত বস্ত্ৰ, অলংকাৰ আৰু প্ৰসাধন সামগ্ৰীৰ ভূমিকা অতুলনীয়। 'ৰামায়ণ'ত নেতবস্ত্ৰ, দিব্যবস্ত্ৰ, পাট কাপোৰ, দেবাংগ বসন, ধুতি, পাগুৰিকে আদি কৰি বিভিন্ন বস্ত্ৰৰ প্ৰচলনৰ উল্লেখ পোৱা যায়। অলংকাৰৰ ভিতৰত শিৰভূষণ, কাণৰ কুণ্ডল, ৰত্নকাঞ্চি (ৰত্নখচিত কঁকালৰ আভৰণ), কংকন, বলয়, গলপতা, বালা, আঙুঠি, ভৰিৰ নূপুৰ, তনমণি আদি পৰিধান কৰাৰ কথা পোৱা যায়। অযোধ্যাকাণ্ডত, কুঁজীয়ে নিজৰ সপোন পূৰণ হোৱাৰ আনন্দত বত্ৰিশ অলংকাৰেৰে নিজকে সজাই পৰাই তোলাৰ কথাও কন্দলিৰে সুন্দৰভাৱে বিশ্লেষণ কৰিছে। ইয়াৰ মাজেৰে সমকালীন সময়ত প্ৰচলন থকা অলংকাৰৰ প্ৰাচুৰ্যই ফুটি উঠিছে—

> পিন্ধিলেক হৰিযে বত্ৰিশ অলংকাৰ।
> মুকুট কুণ্ডলে গ্ৰীবে সাতসৰি হাৰ।
> বলয় কংকন কাঞ্চি নূপুৰৰ সাজে।
> হংসী কেলি কৰে যেন সৰোবৰ মাজে।
>
> (অযোধ্যাকাণ্ড, ২২৮৪)

প্ৰসাধন সামগ্ৰীৰ বাবে প্ৰধানতঃ অগৰু, চন্দন, কাজল আৰু সেন্দুৰকে সেই সময়ত প্ৰাধান্য দিয়া হৈছিল। মহিলাসকলে স্নান কৰোঁতে সুগন্ধি পানীৰ ব্যৱহাৰ কৰিছিল। 'ৰামায়ণ'ৰ ভালেমান পদত বিভিন্ন কেশসজ্জা আৰু আলতা ব্যৱহাৰ কৰাৰ কথাও পোৱা যায়। নাৰী সমাজত দীঘল চুলিৰে বেণী গঁথা, খোপা বন্ধা, চকুত কাজল সনা ইত্যাদি বিভিন্ন বৰ্ণনাৰে কবিয়ে সমকালীন সমাজ জীৱনৰ ছবি সুন্দৰ ৰূপত অংকন কৰিছে।

তদানীন্তন সময়ত অসমত নৃত্য-গীতৰো যে প্ৰাচুৰ্য আছিল সেয়াও 'ৰামায়ণ'ত উল্লেখিত বিবিধ বাদ্যযন্ত্ৰৰ নামোল্লেখৰ পৰা জানিব পৰা যায়। সম্ভৱতঃ লোকসমাজত এনেবিধ বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হোৱা নাছিল যদিও ৰজাঘৰ বা আঢ্যৱন্ত পৰিয়ালত এইবোৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ হৈছিল। সেইবোৰ এনেধৰণৰঃ বীণা, শিংগা, দগৰ, নাগাৰা, দোতাৰা, দুন্দুভি, পটহ, মাদল, দগৰ, শংখ, মহৰি, মৃদংগ, ৰামতাল, কৰতাল, টোকাৰি, ৰুদ্ৰবীণা, বাঁহী, বিপঞ্চি, ঢাক-ঢোল ইত্যাদি।

'ৰামায়ণ'ত প্ৰাচীন খেলা-ধেমালিবোৰৰো বিস্তৃত বিৱৰণ লাভ কৰিব পৰা

যায়। সুন্দৰা আৰু লংকাকাণ্ডত বৰ্ণিত হোৱা ঘিলা, ভণ্টা, ঢোপ, পাশা, জুৱা, মালযুঁজ ইত্যাদি খেলৰ যি বিৰৰণ পোৱা যায়, সি সঁচাকৈয়ে অনুপম।

চতুৰ্দশ শতিকাৰ জনজীৱনত প্ৰচলিত হৈ থকা ধৰ্ম সম্বন্ধেও নানা তথ্যৰ সম্ভেদ 'ৰামায়ণ'ৰ মাজেৰে লাভ কৰিব পৰা যায়। তৎকালীন সময়ত অসমত শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰাবল্য সৰ্বাধিক। 'ৰামায়ণ'ৰ পাতত একাধিকবাৰ শিৱৰ নামোল্লেখ আৰু দেৱী পূজাত বলি-বিধানৰ প্ৰচলন ইয়াৰ পৰাই এই কথাৰ আভাস পাব পাৰি। ৰাম আৰু সীতাক গ্ৰন্থখনৰ মাজত শিৱ-পাৰ্বতীৰ লগত তুলনা কৰা হৈছে। ইয়াৰ উপৰি লংকাকাণ্ডত ৰামে নিজেই চণ্ডীৰ উপাসনা কৰাৰ কথাও কবিয়ে বৰ্ণনা কৰিছে।

ৰাজনৈতিক দিশ বা ৰাজকীয় শাসন-ব্যৱস্থাৰো সম্যক আভাস গ্ৰন্থখনৰ মাজেৰে লাভ কৰিব পাৰি। চতুৰ্দশ শতিকাৰ ৰজাৰ (সময়ছোৱাত) কৰ্তব্যপৰায়ণতা আৰু ৰাজনৈতিক দিশত থকা বিচক্ষণতাকে আদি কৰি ভালেমান দিশৰ নানান তথ্যৰ সম্ভেদ গ্ৰন্থখনৰ পাতত পোৱা যায়। আকৌ গ্ৰন্থখনত ব্যৱহৃত হোৱা সন্দিকৈ, পাইক, পাতৰ আদি শব্দৰ মাজেৰে চতুৰ্দশ শতিকাত অসমত সুপ্ৰতিষ্ঠিত হোৱা আহোম ৰাজত্বৰ কথাও জানিব পৰা যায়।

এই সকলোবোৰ দিশৰ উপৰিও সমকালীন অসমত প্ৰচলিত হৈ থকা জ্যোতিষ চৰ্চা, গ্ৰহ-নক্ষত্ৰৰ শুভাশুভ প্ৰভাৱ, বিবিধ গ্ৰহৰ কৃপালাভ কৰিবলৈ আগবঢ়োৱা পূজা-পাতল, স্বপ্নদৰ্শনৰ প্ৰভাৱ, যাত্ৰা সময়ত শুভ-অশুভ দৰ্শন, দৈৱ লিখন ইত্যাদিৰ বিৰৰণতো সামাজিক জীৱনৰ চিত্ৰ সুন্দৰ ৰূপত পৰিস্ফূট হৈ উঠিছে। ইয়াৰ মাজেৰে সমসাময়িক সমাজৰ জনজীৱনৰ মনোজগত আৰু জীৱন-ধাৰণৰ আদৰ্শ প্ৰতিফলিত হৈ উঠিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

কন্দলিৰ 'ৰামায়ণ'ত চিত্ৰিত সামাজিক চিত্ৰই সমসাময়িক অসমৰ চিত্ৰ এখনি দাঙি ধৰিব পাৰিছে নে? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ৫.৮ কন্দলিৰ ৰামায়ণৰ ভাষা

কন্দলিৰ হাতৰ পৰশতে 'ৰামায়ণ'ৰ পাতত অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যৰে গঢ় লৈ উঠিছিল। কন্দলি আছিল বিদগ্ধ সংস্কৃত পণ্ডিত। অসমীয়া ভাষাৰ ব্যাকৰণ আৰু অভিধান নোহোৱাকৈ তেওঁ নিজৰ ভাষা জ্ঞানেৰে লোকজীৱনৰ মুখৰ ভাষা বা কথ্য ভাষাৰ ওপৰত ভিত্তি কৰি মহামাণিক্য ৰজাৰ অনুৰোধ মৰ্মে সৰ্বজনবোধ্য ভাষাত

'ৰামায়ণ' গ্ৰন্থখন ৰচনা কৰিছিল। কাব্যকাৰে নিজস্ব অনুভূতিৰ আলোকত তৎকালীন অসমীয়া সমাজখনৰ পৰা বুটলি অনা শব্দ-সম্ভাৰ, ফকৰা-যোজনা, ছন্দ-অলংকাৰ, জতুৱা ঠাঁচ, খণ্ডবাক্য, প্ৰবাদ-প্ৰৱচন আদিক সুসংহত ৰূপ প্ৰদান কৰি গ্ৰন্থখনত তুলি ধৰিছিল। সামগ্ৰিকভাৱে বিচাৰ কৰি চালে 'ৰামায়ণ'ত দুই ধৰণৰ ভাষাৰ সমন্বয় ঘটা দেখা যায়। এটা হৈছে ৰজা বা অভিজাত শ্ৰেণীৰ লোকে ব্যৱহাৰ কৰা ভাষা আৰু আনটো অশিক্ষিত নিৰক্ষৰ চহা জনসাধাৰণৰ কথিত ভাষা।

অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে দশম-দ্বাদশ শতিকাত উত্তৰ-পূৱ ভাৰতৰ বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ দ্বাৰা ৰচিত 'চৰ্যাপদ'ক অভিহিত কৰা হয় যদিও ইয়াত প্ৰয়োগ হোৱা ভাষাটো বিশুদ্ধ অসমীয়া ভাষা নহয়। বিশুদ্ধ অসমীয়া ভাষা-ৰূপৰ প্ৰথম পুথিখন হৈছে চতুৰ্দশ শতিকাৰ কবি হেম সৰস্বতীৰ দ্বাৰা ৰচিত 'প্ৰহ্লাদ চৰিত্ৰ'। 'প্ৰহ্লাদ চৰিত্ৰ'ৰ ভাষা ৰূপ যদিও বিশুদ্ধ কিন্তু ইয়াত অসমীয়া ভাষাৰ চালুকীয়া ৰূপ এটিহে দেখিবলৈ পোৱা যায়। বিশেষভাৱে উল্লেখনীয় যে, চতুৰ্দশ শতিকাৰে শ্ৰেষ্ঠ প্ৰতিভাধৰ কবি মাধৱ কন্দলিৰ যুগজয়ী সাহিত্যকৃতি 'ৰামায়ণ'ত প্ৰয়োগ হোৱা ভাষাটোৰ মাজতহে অসমীয়া ভাষাৰ পূৰ্ণ বিকশিত ৰূপ পৰিলক্ষিত হয়। অসমীয়া ভাষাৰ বিকাশ আৰু তাৰ ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত 'ৰামায়ণ' গ্ৰন্থখনি সদায়ে মূল্যবান গ্ৰন্থৰূপে সমাদৃত হৈ ৰ'ব।

ভাষাৰ পূৰ্ণৰূপ বুলিলে প্ৰধানকৈ ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশৰ কথাই ক'বলগীয়া হয়। ধ্বনিগত দিশৰ ফালৰ পৰা বিচাৰ কৰিলে ৰামায়ণৰ ভাষাত দহটা স্বৰধ্বনিৰ ব্যৱহাৰ হোৱা দেখা যায়। সেইকেইটা হ'ল ঃ অ, আ, ই, ঈ, উ, ঋ, এ, ঐ, ও আৰু ঔ। আটাইকেইটা স্বৰধ্বনিৰে শব্দৰ আদি, মধ্য আৰু অন্ত্য স্থানত ব্যৱহাৰ হয়। 'ৰামায়ণ'ৰ ভাষাত 'ঊ' স্বৰধ্বনিটোৰ ব্যৱহাৰ একেবাৰে কম। অসমীয়া ভাষাত দুটা 'আ' ধ্বনি ওচৰা-ওচৰিকৈ থাকিলে পৰৱৰ্তী 'আ'ৰ প্ৰভাৱত পূৰ্ববৰ্তী 'আ' 'অ'লৈ ৰূপান্তৰিত হয়। অসমীয়া ভাষাৰ এই বিশেষ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যটো 'ৰামায়ণ'ৰ ভাষাৰ মাজতো পৰিলক্ষিত হয়। যেনে ঃ চকা < চাকা, ৰজা < ৰাজা।

ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত 'ক'ৰ পৰা 'চন্দ্ৰবিন্দু'লৈকে আটাইবোৰ ধ্বনিচিহ্নৰে 'ৰামায়ণ'ৰ ভাষাত প্ৰয়োগ হোৱা দেখা যায়। কিন্তু উক্ত ধ্বনিচিহ্নসমূহৰ ভিতৰত 'ৰামায়ণ'ৰ ভাষাত 'ঙ', 'ঞ' আৰু 'ণ' ধ্বনিকেইটা শব্দৰ আদি স্থানত ব্যৱহাৰ নহয়। কিন্তু 'ড়', 'ঢ়', 'য়' আৰু 'ৱ' এই ধ্বনিকেইটা আকৌ শব্দৰ আদি স্থানত প্ৰয়োগ হোৱা দেখা যায়। ধ্বনিতত্ত্বৰ ক্ষেত্ৰত 'ৰামায়ণ'ৰ ভাষাৰ ই এক উল্লেখনীয় বিশেষত্ব। যেনে ঃ ড়াহিন (কিস্কিন্ধ্যা কাণ্ড, ১২৫/৩৬৬), ঢ়উ (সুন্দৰাকাণ্ড, ১৩৬/৪৬), য়াপুন (লংকাকাণ্ড, ৩৫/৫৩৮), ৱৰধ্য (লংকাকাণ্ড, ৩/৩৩)।

'ৰামায়ণ'ৰ ভাষাত ৰেফ যুক্ত 'ণ' ধ্বনিটো 'ন্ন' হিচাপে প্ৰয়োগ হয়। ই ভাষাটোৰ এক বিশেষ বৈশিষ্ট্য। যেনে— পুৰ্ন্ন (অযোধ্যাকাণ্ড, ১৩৯/১০২৮), বৰ্ন্ন (লংকাকাণ্ড, ১৭/২৫০) স্বৰৰ অনুনাসিকতা বুজোৱা চন্দ্ৰবিন্দুকে ( ঁ ) আদি কৰি 'ৎ', অনুস্বাৰ (ং) আৰু বিসৰ্গ (ঃ) এই ধ্বনিকেইটা আন ধ্বনিৰ লগত যুক্ত হৈয়ে 'ৰামায়ণ'ৰ ভাষাত ব্যৱহাৰ

হোৱা দেখা যায়। এই বৈশিষ্ট্যটো আধুনিক অসমীয়া ভাষাতো পৰিলক্ষিত হয়। চন্দ্ৰবিন্দুৰ ব্যাপক প্ৰয়োগ ৰামায়ণৰ ভাষাৰ আন এক বিশেষ বিশেষত্ব। যেনে— বাক্যঁ (অযোধ্যাকাণ্ড, ১০২/৩৫৪), ব্ৰেঁৰ্থ (লংকাকাণ্ড, ৪২/৬৪৬)।

ৰূপতত্ত্বত কোনো এটা ভাষাৰ ৰূপ-গঠন প্ৰণালী সম্পৰ্কে আলোচনা কৰা হয়। ৰূপ-গঠন প্ৰণালীয়ে বিভিন্ন শব্দৰ লগত সেইবোৰৰ পাছত যোগ হোৱা বিবিধ প্ৰত্যয়, শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি, শব্দবোৰৰ শ্ৰেণীবিভাগ আৰু গঠন পদ্ধতিৰ কথাকে সামৰি লয়। ৰূপগত দিশৰ ফালৰ পৰা বিচাৰ কৰি চালে কন্দলি 'ৰামায়ণ'ত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ আটাইবোৰ বৈশিষ্ট্যৰে সুপ্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। কন্দলি 'ৰামায়ণ'ত পৰিলক্ষিত হোৱা কিছুমান ৰূপতাত্ত্বিক লক্ষণৰ নিদৰ্শন তলত দাঙি ধৰা হ'ল—

(ক) ক্ৰিয়াৰ বিভিন্ন কাল আৰু সৰ্বনামৰ বিভিন্ন ৰূপৰ উপৰি 'হ'ল' প্ৰত্যয়ান্ত কৃদন্ত বিশেষণ আৰু 'ইবা' প্ৰত্যয়ান্ত কৃদন্ত পদৰ ব্যৱহাৰ হোৱা দেখা যায়। যেনে—

১। বিয়াইল বাঘিনি সসে কৰ পৰিহাস (অযোধ্যাকাণ্ড, ৫০৬)

২। বাসবে দিবাৰ অস্ত্ৰ গুণত চড়াইল (অযোধ্যাকাণ্ড, ৩৩৯)

(খ) নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ সঘন প্ৰয়োগ পৰিলক্ষিত হয়। যেনেঃ - পাট (শূলপাট), -কুণ্ডা (কুৰিকুণ্ডা), -খানি (দুইখানি), -পান্তি (দুইপান্তি), -যুৰি (পাদুকাযুৰি), -টী (পাঞ্চটী), -গোটা (আঠগোটা), -গুটি/-গুটী (চৈধ্যগুটি/কুজগুটী), -টো (সাতোটো), -গোট (নাকগোট), -খন/-খান (কুৰিখন/ৰথখান)

(গ) 'ৰামায়ণ'ৰ ভাষাত পুৰুষ-নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ হোৱাও দেখিবলৈ পোৱা যায়। যেনে ঃ বাপেৰ, মাৱেৰ, ভায়ক, ভায়েক ইত্যাদি।

(ঘ) স্ত্ৰীবাচক প্ৰত্যয়ৰ ক্ষেত্ৰত '-ঈ' আৰু '-নী'ৰ ব্যৱহাৰ হোৱা দেখা যায়। যেনে ঃ প্ৰাণেশ্বৰী, তৰুণী, যক্ষিণী, মিতিনী ইত্যাদি। -গন, -সব, -সম্বা, -সা, -থে, -চয়, -বৰ্গ, -জাক ইত্যাদি বহুবচনাত্মক প্ৰত্যয়ৰো সঘন প্ৰয়োগ হোৱা পৰিলক্ষিত হয়। যেনে ঃ তাৰাগণ, মাণিকসব, তাসম্বা, তোমাসা, আমাথেৰ, মহাপাপীয়ে, গিয়াতিবৰ্গ, সাধুজাক।

(ঙ) যুগ, যুগল, দুই, হন্তে আদি শব্দৰ জৰিয়তে দ্বিবচন বুজোৱা হয়। যেনে ঃ ভ্ৰুবযুগ, নয়ন যুগল, মনুষ্যদুই, তিনিহন্তে।

(চ) শব্দ বিভক্তি প্ৰয়োগৰ ক্ষেত্ৰত তেওঁ প্ৰধানকৈ চাৰিটা শব্দ বিভক্তি ব্যৱহাৰ কৰিছে। প্ৰথমা বিভক্তিত '-এ', দ্বিতীয়া বিভক্তিত -ক/-ঙ্ক, ষষ্ঠীত -ৰ/-ন আৰু সপ্তমীত -ই/-ত ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়।

(ছ) স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ আন এক উল্লেখনীয় দিশ। স্বাৰ্থিক প্ৰত্যয় হ'ল মূল অৰ্থ বা কাৰ্যত জোৰ বুজাবলৈ ক্ৰিয়া ৰূপৰ পিছত যোগ দিয়া কিছুমান প্ৰত্যয়। 'ৰামায়ণ'ৰ ভাষাৰ মাজতো স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ হোৱা

পৰিলক্ষিত হয়। এইসমূহ এনেধৰণৰ ঃ -জাই, -হো, -হা, -ক, -গৈয়া, -দেখো।

উদাহৰণস্বৰূপে—

-জাই ঃ দেখিলেক জাই

-হো ঃ প্ৰণামোহো, নুবুজোহো, নোবোলোহো, হৈবোহো

-হা ঃ পালিবাহা, ফুৰাহা, হৈবাহা, দিবাহা

-ক ঃ পঠায়োক মোক

-গৈয়া ঃ পৰ্ব্বতে চড়িবো গৈয়া

-দেখো ঃ মাথা কাটিলতো দেখো নমৰে ৰাৱন

শব্দ চয়ন বা শব্দ প্ৰয়োগৰ কৌশল কন্দলিৰ ৰচনাৰ এটা অন্যতম বিশেষ বৈশিষ্ট্য। শব্দৰ সুসংগতিপূৰ্ণ প্ৰয়োগৰ দ্বাৰা কাব্যৰ মাজেৰে তেওঁ এটি শক্তিশালী ভাষা ৰূপ গঢ়ি তুলিছিল। কাব্যখনত কন্দলিৰ শব্দচয়ন এক লক্ষণীয় বিষয়। তেওঁ সংস্কৃত তৎসম, শব্দৰ লগতে অৰ্দ্ধতৎসম, তদ্ভৱ, দেশী আৰু বিদেশী শব্দৰ ব্যৱহাৰ কৰি ভাষাটোৰ সৌষ্ঠৱ বৃদ্ধিৰ লগতে পৰিপুষ্টি সাধনো কৰিছিল। শব্দৰ উপযুক্ত প্ৰয়োগে কাব্যখনৰ কাব্যশৈলীক এক নতুন মাত্ৰা প্ৰদান কৰিছে। ৰামায়ণত ব্যৱহাৰ হোৱা সমগ্ৰ শব্দৰাজিক এনেদৰে ভাগ কৰি দেখুৱাব পৰা যায়। যেনে-

**তৎসম শব্দ ঃ** কুসুম, নৃপতি, চন্দ্ৰ, প্ৰভাত, চুম্বন, নৃত্য, বাদ্য, অগ্নি, নয়ন, পুস্প, গৃহ।

**অৰ্দ্ধতৎসম শব্দ ঃ** বৰিষ, হৰিষ, সমাপতি, অগনি, যুগুত, দৰিশন, পৰমান, বৰণ, তপন।

**তদ্ভৱ শব্দ ঃ** আন্ধাৰ, সিয়ালি, নেউল, হাথি, চকু, জুই, সুৱাগ, ৰাতি, পানি, গাৱ।

**আন নব্য ভাৰতীয় আৰ্য ভাষাৰ শব্দ ঃ** 'ৰামায়ণ'ৰ ভাষাত আন নব্য ভাৰতীয় আৰ্য ভাষাৰ পৰা অহা শব্দবোৰৰ ভিতৰত হিন্দী ভাষাৰ শব্দই সৰ্বাধিক। এইসমূহ এনেধৰণৰ ঃ নিকাল, বেটা, চৱাল, তোড়, ডৰ, ডাক, মাগ, চোট।

**অনাৰ্যমূলীয় শব্দ ঃ** তাম্বোল, কামোড়, কুণ্ড, ঘোটক, গৰক, সন্ধিকৈ, চটফট, তৰবৰ, খলকিল, খায়াদায়া, বেড়া, বাড়ি।

**বিদেশী শব্দ ঃ** নফাৰ, পয়দা, বাজাৰ, বদল, পুস্তক, কমৰ, চোট, খুন।

এইবোৰৰ উপৰি জীৱ-জন্তু, চৰাই-চিৰিকটি, ফল-মূল, গছ-গছনি, অঙ্গ-প্ৰতঙ্গবাচক, জাতি, ব্যৱসায়, যান-বাহন, গালি-শপনি, খাদ্য, বাদ্য, বস্ত্ৰ, অলংকাৰ, খেলা-ধূলা, অস্ত্ৰ-শস্ত্ৰকে আদি কৰি তৎকালীন অসমীয়া সমাজত প্ৰচলিত বিভিন্ন শব্দ ব্যৱহাৰ কৰি তেওঁ 'ৰামায়ণ'ৰ শব্দ-সম্ভাৰ ঐশ্বৰ্যমণ্ডিত কৰি তুলিছে। তলত কিছুমান শব্দৰ নিদৰ্শন দাঙি ধৰা হ'ল ঃ গৰ্দ্দভ, শৃগাল, বৰাহ (জীৱ-জন্তু), ৰাজহংস, চক্ৰবাক, ময়না, ভাটৌ (চৰাই-চিৰিকটি), আম, লেটেকু, পনিয়াল (ফল-মূল), শাল, তাল,

তমাল (গছ-গছনি), কৰ্ণ, নাক, জিহ্বা (অঙ্গ-প্ৰত্যঙ্গ), ব্ৰাহ্মণ, বৈশ্য, শূদ্ৰ (জাতি-ব্যৱসায়), নাৱ, ৰথ, ভেল (যান-বাহন), নাগিনি, সংহাৰিণী, ৰাক্ষসিনী (গালি-শপনি), ঢাক, ঢোল, দোতাৰা (বাদ্য), মুকুট, কুণ্ডল, কাঞ্চি (অলংকাৰ), ভণ্টা, ঢোপ, জুৰা (খেলা-ধূলা), ধনু, শৰ, গদা (অস্ত্ৰ-শস্ত্ৰ), গন্ধ, পুস্প, আটাস, আউঠা, দৈৰ, আকাশ, আঠ, দশ, চৈধ্য, সৰঙ্গা, খেৰ, পতান ইত্যাদি।

কাব্যখনত বিশেষণ শব্দৰো সুন্দৰ প্ৰয়োগ হোৱা পৰিলক্ষিত হয়। ৰজা দশৰথৰ মৃত্যু আৰু ৰাম বনলৈ যোৱাৰ প্ৰসংগত ভৰতে মাতৃ কৈকেয়ীক জগৰীয়া কৰি যি ককৰ্থনা কৰিছে, তাৰ মাজতে কবিৰ বিশেষণ শব্দ প্ৰয়োগৰ সাৰ্থকতা দেখিবলৈ পোৱা গৈছে—

স্বামী ঘাতিনীক পৃথিৱীয়ে কেনে ধৰে।
ফাট দিয়া লুকাই থৈয়া তোক নসম্বৰে।।

'ৰামায়ণ'ৰ পাতত পোৱা অন্য কিছুমান বিশেষণাত্মক আৰু ক্ৰিয়া-বিশেষাত্মক শব্দ এনেধৰণৰ—

**বিশেষণাত্মক শব্দ ঃ** উত্তম, মধ্যম, মনোৰম, শোভন, মন্দ, কোমল, আকুঞ্চিত, যশৱন্ত, তপ্ত, জ্যেষ্ঠ।

**ক্ৰিয়া-বিশেষণাত্মক শব্দ ঃ** কেনমতে, যেনমতে, এহিমতে, পুত্ৰৱতে, নম্ৰভাৱে, তৈসানি, কৈসানি।

**ধ্বন্যাত্মক** আৰু **প্ৰতিধ্বন্যাত্মক** আৰু **সংযুক্ত শব্দ, পুনৰুক্ত শব্দ** আৰু **সংখ্যাবাচক শব্দ**ৰ প্ৰয়োগেও 'ৰামায়ণ'ৰ ভাষাত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। এনে শব্দৰ প্ৰয়োগে ভাষাটোক মাধুৰ্যময় কৰি তুলিছে। এই শব্দসমূহৰ কিছুমান এনেধৰণৰ—

**ধ্বন্যাত্মক আৰু প্ৰতিধ্বন্যাত্মক শব্দ ঃ** গিৰ-গিৰ, কান্দি-কাতি, চাটু-পাটু, খসমস (গাৱ), খুজিলুড়ি, আজোৰপিজোৰ।

**সংযুক্ত শব্দ ঃ** পাপ-মৃগ, সৃষ্টি-স্থিতি-লয়, গল-পাশ, বাক্য-অমৃত, দশৰথ-জল।

**পুনৰুক্ত শব্দ ঃ** শতেক শতেক (হাত), হাসো হাসো কৰে, বনে বনে, থানে থানে, পাঞ্চ পাঞ্চ (আঙুলি)

**সংখ্যাবাচক শব্দ ঃ** চৈধ্য, পঞ্চাশ, শতেক, হাজাৰ

খণ্ডবাক্য, ফকৰা-যোজনা, পটন্তৰ, জতুৱা ঠাঁচৰ প্ৰয়োগ কন্দলি 'ৰামায়ণ'ৰ ভাষাগত দিশৰ আন এক উল্লেখনীয় দিশ। এইবোৰৰ প্ৰয়োগে ৰামায়ণৰ ভাষাক আকৰ্ষণীয় কৰি গঢ়ি তুলিছে। কন্দলিদেৱে ফকৰা-যোজনা, জতুৱাঠাঁচ আদিবোৰ স্থানীয় কথ্য ভাষাৰ পৰা আহৰণ কৰি তাৰ লগত বিবিধ অলংকাৰ প্ৰয়োগ কৰি ভাষাটোক কাব্যিক ৰূপ প্ৰদান কৰিছে। কন্দলিদেৱৰ কবি প্ৰতিভাৰ নিদৰ্শন হিচাপে তলত কিছুমান ৰূপ দাঙি ধৰা হ'ল ঃ

১)  অলপ পানীৰ সোল দদৰা দদড়ি (লংকাকাণ্ড, ১৯/১৩৮)
২)  পকা কল লৈয়া কণ্ঠা ফলক সাড়িলি (সুন্দৰাকাণ্ড, ১৪৯/৪৫৮)
৩)  কাঁস পৰি জিম গৈল (সুন্দৰাকাণ্ড, ৭৭৮)
৪)  আকাশ চানিয়া জেন ফৰিঙ্গ উজান্তি (কিস্কিন্ধ্যাকাণ্ড, ৩৮৯)
৫)  বোঝাৰ উপৰে জেন সাক পটন্তৰ (অযোধ্যাকাণ্ড, ৮১০)
৬)  নৰকৰ পলুৰ স্বৰ্গত নাহি আস (অযোধ্যাকাণ্ড, ৬২৭)
৭)  অমৃত কুণ্ডত কুজি ঢালিলিহি বিষ (অযোধ্যাকাণ্ড, ৮৮/৯০)

অলংকাৰ প্ৰয়োগৰ নৈপুণ্য কন্দলিৰ ভাষাৰ আন এটা মন কলিৰবলগীয়া দিশ। অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত কবিৰ কাব্যিক প্ৰতিভা সুন্দৰ ৰূপত চিত্ৰিত হৈ উঠিছে। উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি অলংকাৰৰ প্ৰয়োগে কাব্যখনৰ বিষয়বস্তুক অতি উজ্বল কৰি তুলিছে। যেনে—

বিজুলী চটক যেন গোসাঁনীৰ কান্তি
সিংহৰ দৰে চিয়া কঁকাল।

কন্দলিয়ে শব্দালংকাৰৰ ভিতৰত প্ৰধানভাৱে অনুপ্ৰাস আৰু অৰ্থালংকাৰৰ ভিতৰত উপমা, ৰূপক, নিদৰ্শনা, বিষম, ব্যাজস্তুতি, ব্যঙ্গোক্তি প্ৰভৃতি অলংকাৰৰ সুপ্ৰয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। গ্ৰন্থখনৰ বিভিন্ন অধ্যায়ৰ বিভিন্ন বৰ্ণনাত তেওঁ যিবোৰ অলংকাৰ প্ৰয়োগ কৰিছে সেয়া সঁচা অৰ্থত শক্তিশালী আৰু অৰ্থবহ। অলংকাৰৰ সুপ্ৰয়োগৰ ক্ষেত্ৰত কন্দলিৰ শব্দ-চয়নৰ দক্ষতা অভিনৱ আৰু চমকপ্ৰদ। ৰামৰ বনবাসৰ প্ৰসংগত ভৰতে মাক কৈকেয়ীক উদ্দেশ্য কৰি যিখিনি কথা কৈছিল তাৰ পৰাই কন্দলিৰ শব্দ-নিৰ্মাণৰ কৌশল সম্পৰ্কে অৱগত হ'ব পৰা যায়—

সুসিনি নাগিনি নিদাৰুনি সংহাৰিনি।
নিৰ্দ্দয়িনি ৰাক্ষসিনি বাঘিনি দাৰুনি।।
জক্ষিনি ডাকিনি তঞি সুস্বামি ভক্ষিনি।
পিসাচিনি আবে ৰাণ্ডি ভৈলি আলক্ষিনি।।
(অযোধ্যাকাণ্ড, ৭৮৫)

উপমা প্ৰয়োগৰ জৰিয়তে কবি কন্দলিয়ে তদানীন্তন অসমীয়া ভাষাৰ কথিত ৰূপটোক সাহিত্যত যুগমীয়া কৰি থৈ গৈছে। উদাহৰণস্বৰূপে—

১) তপত খোলাত মাছে কৰে যেন মত।
২) দান্ত ভাঙা সাপ যেন মিছাতে ফোফাহা।
৩) মন্থৰা ঘুৰয় যেন কুমাৰ চাক।

ৰামায়ণত প্ৰয়োগ হোৱা আলংকাৰিক সৌন্দৰ্যৰ কিছুমান নিদৰ্শন তলত দাঙি ধৰা হ'ল ঃ

**অনুপ্ৰাস ঃ** কতো কুজা কতো খোৰা কতো গোট কলা।
কতোহোঁ নাৰঙ্গা সোভা কুণ্ডলীয়া শোলা।।
(সুন্দৰাকাণ্ড, ৫/৮/১৪)

**বিষম ঃ** টীপচিৰ বাৰে মেৰু পৰ্বত উৰিল।
তুনি সাপে সব নাগ পুৰীক গিলিল।।
(সুন্দৰাকাণ্ড, ২/৯/৫০)

**নিদৰ্শনা ঃ** ঢোল যেন ডিমা পাৰে চুঙ্গাৰ বাদুলি।
পিপিয়া চটকে পৰ্বতক লৰে তুলি।।
(সুন্দৰাকাণ্ড, ৬/১৭/১১১)

মাধৱ কন্দলি অসমীয়া ছন্দ-শিল্পৰ বাটকটীয়া। ছন্দৰ সুষম প্ৰয়োগতো তেওঁৰ দক্ষতা অপৰিসীম তথা তুলনাবিহীন। তেওঁ প্ৰধানকৈ লোকভাষাত প্ৰচলিত মৌখিক লোকগীত আদিৰ ভাষাৰ ওপৰত ভিত্তি কৰিয়েই অন্ত্যমিল যুক্ত আক্ষৰিক দ্বিপদী পদ বা পয়াৰ, ঝুমুৰি, ত্ৰিপদী, দুলড়ী, ছবি আদি ছন্দ প্ৰয়োগ কৰিছিল। এই আটাইবোৰ ছন্দই অত্যানুপ্ৰাসযুক্ত।

ভাষাগত দিশৰ ভিন্নতাৰ ফালৰ পৰা বিচাৰ কৰিলে এইটো স্পষ্ট হয় যে, মাধৱ কন্দলিৰ ‘ৰামায়ণ’ৰ ভাষাৰ মাজতে অসমীয়া ভাষাৰ এটা পূৰ্ণাংগ ৰূপ সংৰক্ষিত হৈ আছে। পৰৱৰ্তী কালত সেই ভাষা ৰূপৰ কিছু পৰিৱৰ্তন ঘটিছে যদিও তেওঁৰ আদৰ্শক অনুসৰণ কৰিয়েই বিশাল নৱবৈষ্ণৱ সাহিত্যৰ ভাষা সৌধ নিৰ্মাণ হৈছে। কন্দলিৰ ৰচনাশৈলীত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অভিভূত হৈ উত্তৰাকাণ্ড ৰামায়ণৰ ভাঙনিত কবিজনাক হস্তীৰ লগত আৰু নিজকে শহাৰ লগত তুলনা কৰি কবি প্ৰতিভাক এনেদৰে স্বীকৃতি দিছিল—

“পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলি আদি
পদে বিৰচিলা ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শসা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।”
(উত্তৰকাণ্ড ৰামায়ণ, পদ, ৭০৪১)

**আত্মমূল্যায়ণ প্ৰশ্ন**

(১) কন্দলিৰ ‘ৰামায়ণ’ত অসমীয়া শব্দভাণ্ডাৰৰ কি শ্ৰেণীৰ শব্দৰ প্ৰয়োগ অধিক? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................
..........................................................................................................
..........................................................................................................

(২) জতুৱা ঠাঁচৰ প্ৰয়োগে কন্দলিৰ ‘ৰামায়ণ’ ভাষাক অধিক আকৰ্ষণীয় কৰি তুলিছিল। কথাষাৰ সঁচা নে? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

................................................................................................................

................................................................................................................

................................................................................................................

## ৫.৯ সাৰাংশ (Summing Up)

প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিয়ে বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত অসমীয়া ‘ৰামায়ণ’খন অনুবাদ কৰিছিল। মূল বাল্মীকি কৃত সংস্কৃত ‘ৰামায়ণ’ৰ ভাৱানুবাদ কৰিহে কন্দলিয়ে সপ্তকাণ্ড ‘ৰামায়ণ’খন ৰচনা কৰিছিল। এই ‘ৰামায়ণ’খন হ’ল কন্দলিৰ অসামান্য কবি প্ৰতিভাৰ সৰ্বোকৃষ্ট নিদৰ্শন। মূল উৎসৰ পৰা সাৰভাগ গ্ৰহণ কৰি সুন্দৰ, সহজ আৰু সজীৱ ৰূপত তেওঁ গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰিছে। তেওঁ অসমৰ লোকভাষাক গ্ৰন্থখনৰ মাজেৰে কাব্যিক ভাষাৰূপে প্ৰতিষ্ঠা কৰি গৈছে। গ্ৰন্থখনৰ ভাষাৰ মাজতে অসমীয়া ভাষাৰ এটা পূৰ্ণাংগ ৰূপ সংৰক্ষিত হৈ আছে। আন দিশত গ্ৰন্থখন সেই সময়ৰ অসমৰ সামাজিক সমলেৰে সমৃদ্ধ এখন উৎকৃষ্ট দলিল। সমসাময়িক অসমৰ সমাজ জীৱনৰ এখনি পূৰ্ণাংগ চিত্ৰ গ্ৰন্থখনৰ মাজেৰে সুন্দৰ ৰূপত প্ৰতিভাত হৈ উঠিছে।

## ৫.১০ আৰ্হি প্ৰশ্ন (Sample Question)

১। কন্দলিক চতুৰ্দশ শতিকাৰ সৰ্বশ্ৰেষ্ঠ কবি বুলি কিয় কোৱা হয়? আলোচনা কৰক।

২। কন্দলি ৰামায়ণৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

৩। কন্দলি ৰামায়ণ ভাষা সম্বন্ধে এটি নিবন্ধ যুগুত কৰক।

৪। কন্দলি ৰামায়ণত তৎকালীন অসমৰ সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে পৰিস্ফূট হৈ উঠিছে আলোচনা কৰক।

৫। কন্দলি ৰামায়ণৰ বৰ্ণনা নৈপুণ্য— এই শীৰ্ষক এটি আলোচনা যুগুত কৰক।

৬। সপ্তকাণ্ড ৰামায়ণৰ মাজত কন্দলিৰ মৌলিকতা কিদৰে ফুটি উঠিছে আলোচনা কৰক।

৭। কন্দলিৰ কাব্যপ্ৰতিভাৰ মূল্যায়ণ কৰি এটি চমু নিবন্ধ যুগুত কৰক।

৮। ৰামায়ণৰ অনুবাদ ৰীতি সম্পৰ্কে এটি আলচ যুগুত কৰক।

## ৫.১১ গ্ৰন্থপঞ্জী (Referrences/Suggested Reading)


কটকী, প্ৰফুল্ল চন্দ্ৰ ঃ ক্ৰমবিকাশত অসমীয়া কথা শৈলী, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৯৮

কাকতি, বাণীকান্ত ঃ পুৰণি অসমীয়া সাহিত্য, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৯

| | | |
|---|---|---|
| | ঃ | পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, পাঠশালা, ১৯৫৫ |
| গগৈ, লীলা | ঃ | অসমৰ সংস্কৃতি, ভাৰতী প্ৰকাশন, যোৰহাট, ১৯৮২ |
| গোস্বামী, উপেন্দ্ৰনাথ | ঃ | ভাষা, সমাজ, সাহিত্য, প্ৰথম প্ৰকাশ, মণিমাণিক প্ৰকাশ, গুৱাহাটী, ১৯৭৮ |
| গোস্বামী, প্ৰফুল্ল দত্ত | ঃ | সাহিত্য আৰু জীৱন, ২য় সংস্কৰণ, লয়াৰ্ছ বুল ষ্টল, গুৱাহাটী, ১৯৫৭ |
| গোস্বামী, মালিনী | ঃ | অসমত সংস্কৃত চৰ্চাৰ ইতিহাস, অসম সাহিত্য সভা, যোৰহাট, ১৯৯৮ |
| গোস্বামী, যতীন্দ্ৰনাথ | ঃ | অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, মণিমাণিক প্ৰকাশ, গুৱাহাটী, ১৯৫৭ |
| গোস্বামী, হেমচন্দ্ৰ (সম্পাঃ) | ঃ | অসমীয়া সাহিত্যৰ চানেকী, ১ম খণ্ড, কলিকতা বিশ্ববিদ্যালয়, ১৯২৯ |
| ঠাকুৰীয়া, ৰামমল | ঃ | অসমীয়া সাহিত্যৰ বিকাশ, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৯৩ |
| দাস, ফণী | ঃ | অসমীয়া সাহিত্যৰ জেউতি, চাৰু প্ৰকাশন, কামৰূপ, ১৯৮৮ |
| দেৱ, গোস্বামী, হৰমোহন | ঃ | সংস্কৃত সাহিত্যৰ বুৰঞ্জী, প্ৰথম প্ৰকাশ, গুৱাহাটী, ১৯৭৭ |
| নেওগ, ডিম্বেশ্বৰ | ঃ | অসমীয়া সাহিত্যৰ অধ্যয়ন, জুৰণি প্ৰকাশ, গুৱাহাটী, ১৯৬৭ |
| | ঃ | নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, শুৱনি প্ৰকাশ, গুৱাহাটী, ১৯৬৪ |
| নেওগ, মহেশ্বৰ | ঃ | অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৬২ |
| | ঃ | পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, ৩য় সংস্কৰণ, নিউ বুক ষ্টল, গুৱাহাটী, ১৯৭১ |
| নেওগ, মহেশ্বৰ আৰু শৰ্মা, হেমন্ত (সম্পাঃ) | ঃ | সাহিত্য সমীক্ষা, অসম সাহিত্য সভা, যোৰহাট, ১৯৬৩ |
| বৰকটকী, বীৰেণ | ঃ | সাহিত্যৰ পটভূমি, বুক ডিপো, কলিকতা, ১৯৮৩ |
| ভৰালী, শৈলেন (সম্পাঃ) | ঃ | দেবজিত (মাধৱ কন্দলি বিৰচিত), বাণী প্ৰকাশ, গুৱাহাটী, ১৯৩৩ |
| ভূঞা সূৰ্য্য কুমাৰ (সম্পাঃ) | ঃ | কামৰূপৰ বুৰঞ্জী, ২য় প্ৰকাশ, গুৱাহাটী, ১৯৫৮ |
| মজুমদাৰ, তিলক চন্দ্ৰ | ঃ | প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জল ধাৰা, ২য় প্ৰকাশ, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৮৭ |

মহন্ত, কেশদা : অসমীয়া ৰামায়ণী সাহিত্য, কথা বস্তুৰ আঁতিগুৰি, যোৰহাট, ১৯৮৪

লেখাৰু, উপেন চন্দ্ৰ : অসমীয়া ৰামায়ণ সাহিত্য, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯৩

শইকীয়া বৰা, লীলাৱতী : মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষা, অসম সাহিত্য সভা, যোৰহাট, ১৯৯৩

শৰ্মা, কনক চন্দ্ৰ (সম্পাঃ) : কবিৰাজ মাধৱ কন্দলী বিৰচিত ৰামায়ণ, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী, ১৯৯৮

শৰ্মা, নবীন চন্দ্ৰ : পুৰণি অসমীয়া সাহিত্যৰ আলোকৰেখা, প্ৰথম প্ৰকাশ, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৮৭
মাধৱ কন্দলীৰ ৰামায়ণ, জাৰ্নাল এম্পোৰিয়াম, নলবাৰী, ১৯৮৯

শৰ্মা, সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ৩য় সংস্কৰণ, সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিচিং, ১৯৮৬
: ৰামায়ণৰ ইতিবৃত্ত, ২য় সংস্কৰণ, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৮৯

শৰ্মা, হেমন্ত কুমাৰ : অসমীয়া সাহিত্যত দৃষ্টিপাত, গুৱাহাটী, ১৯৬১

* * *